# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ১৩/০৯/২০২৩ বুধবাৰ**

---

**(আজি ইংৰাজী ১৩.০৯.২০২৩ তাৰিখে অসম বিধান সভাৰ নৱ-নিৰ্মিত সদন কক্ষত অসম বিধান সভাৰ শৰৎকালীন অধিবেশন পূৰ্ব নিৰ্দ্ধাৰিত সময়সূচী মতে ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়)**

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং-৪১ আফতাব উদ্দিন মোল্লা ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰী আফতাব উদ্দিন মোল্লা, (জলেশ্বৰ)** ঃ অধ্যক্ষ মহোদয়, সদনত মই কৰা প্ৰশ্নৰ যি উত্তৰ দিয়া হৈছে তাত মই সন্তুষ্ট নহয় । যি তিনিখন পশু চিকিৎসালয়ৰ কথা কোৱা হৈছে জয়ৰামকুছি ৰাজ্যিক পশু চিকিৎসালয় আৰু চিৰাকুটি ৰাজ্যিক পশু চিকিৎসালয়ত ডাক্তৰ নাই, কেৱল মাত্ৰ জলেশ্বৰ ৰাজ্যিক পশু চিকিৎসালয়ত এজন ডাক্তৰ আছে । কিন্তু ইয়াৰ উত্তৰত চিৰাকুটি ৰাজ্যিক পশু চিকিৎসালয়ত এগৰাকী পশু চিকিৎসক, এগৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়ক আৰু এজন চতুৰ্থবৰ্গৰ কৰ্মচাৰী কৰ্মৰত হৈ আছে বুলি লিখা হৈছে । কিন্তু সদনত ভুল তথ্য দিয়া হৈছে । গতিকে আমাৰ হস্পিতাল খনৰ যি অৱস্থা, যোৱা বিধান সভাতো সেই বিষয়ত মই প্ৰশ্ন আনিছিলো আৰু মই ফটোসহিতে সদনত দেখুৱাইছিলো আৰু আজিও মই সদনত দেখুৱাইছো যে এনেকুৱা পৰিত্যক্ত অৱস্থাত ইয়ালৈ ডাক্তৰ কোনোদিনে নাহে । মোৰ বিধায়ক হোৱা আঢ়ৈ বছৰ সময়ছোৱাত এজনো ডাক্তৰ ইয়ালৈ অহা দেখা নাপালো । গতিকে মোৰ প্ৰশ্নটো হৈছে এই বিল্ডিং বিলাক কেতিয়া সম্পূৰ্ণ হ'ব । গতিকে এই বিষয়টো চাবৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য আফতাব উদ্দিন মোল্লা ডাঙৰীয়াই পূৰ্বতেও এনেধৰণৰ এটা প্ৰশ্নৰ অৱতাৰণা কৰিছিল এই বিধান সভাৰ মজিয়াত তেতিয়াও মই এইখিনি কথা কৈছিলো আৰু আজিও মই এইখিনি তথ্যৰ ওপৰত ভিত্তি কৰি কৈছো আৰু এইটো কথা সত্য যে আমাৰ যিমান ডাক্তৰ লাগে ৰাজ্যখনৰ হস্পিতাল বিলাকত সেই অনুপাতে কম। এতিয়া আছে ৬২৬ কিন্তু এইবাৰ সকলোৱে গম পাইছে সন্মানীয় সদস্য সকলে যে ১৮১ খন মোবাইল ভেটেৰিনাৰী দিছো, যি মোবাইল ভেটেৰিনাৰী ইউনিটত ডাক্তৰ আছে, আমাৰ লাইভ ষ্টক যিমান পপুলেশ্যন আছে সেই অনুপাতে ডাক্তৰ কম। মই যোৱাকালিও খবৰ লৈছো যে তাত কিমানজন ডাক্তৰ আছে, কিমানজন ভি এফ এ আছে কিন্তু সদনৰ মজিয়াত যিখিনি তথ্য দিছো সেইখিনি কথা মোক বিভাগৰ পৰা অৱগত কৰা হৈছে । তথাপিও সন্মানীয় সদস্য গৰাকীয়ে যিহেতু প্ৰশ্নটো উত্থাপন কৰিছে নিশ্চিতভাৱে এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা ল'ম । মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে যোৱা দিন বিলাকত এনিমেল হাচবেণ্ডাৰী, ভেটেৰিনেৰী খণ্ডটোত উজ্জীৱিত কৰি ইয়াৰ জৰিয়তে স্ব-নিয়োজনৰ ব্যৱস্থা হয় তাৰ কাৰণে সুস্থ পৰিকল্পনাও মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশত যুগুতাই থকা হৈছে। ৰাজ্যত থকা এন আৰ এইচ এমৰ দৰে ভেটেৰিনাৰী আৰু লাইভ ষ্টক মিচন নামেৰে এটা মিচন কৰিবৰ কাৰণে আমি আগবাঢ়িছো । মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু সেইখিনি হ'লে আমি ৰাজ্যখনত আমাৰ যিখিনি আন্তঃগাঁথনি আছে সেইখিনি আমি শক্তিশালী কৰিব পাৰিম, চিকিৎসক নিযুক্তি দিব পাৰিম, ভি এফ এ আমি

নতুনকৈ দিব পাৰিম আৰু আশা কৰিছো অনাগত দিনত বৰ্তমান সময়ত যিখিনি অসুবিধা আছে সেইখিনি আমি দূৰ কৰিব পাৰিম ।

**শ্ৰী আফতাব উদ্দিন মোল্লা, (জলেশ্বৰ)** ঃ অধ্যক্ষ মহোদয়, মোৰ চাপ্লিমেন্টৰী প্ৰশ্নটো হৈছে যে আধৰুৱা হৈ থকা বিল্ডিংটো ৰ কাম ক'ৰোণা মহামাৰীৰ সময়ত ঠিকাদাৰ জনে কাম কৰিবলৈ বাদ দিছিল । কিন্তু মই জনাত এতিয়াও সেই বিল্ডিংটোত ৩৩ লাখ টকা এতিয়াও হাতত আছে গতিকে সেইখিনিৰে বিল্ডিংটোৰ আধৰুৱা কাম সম্পূৰ্ণ হ'ব লাগে ।

**মাননীয় অধ্যক্ষ** ঃ যিহেতু ৩৩ লাখ টকা এতিয়াও হাতত আছে গতিকে কামখিনি কেতিয়া সম্পূৰ্ণ হ'ব তাৰ উত্তৰতো দি দিয়ক ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, তেখেতে দেখুওৱাৰ দৰে বিল্ডিঙটো যদি আধৰুৱা হৈ আছে আমি যিকোনো এটা আঁচনিৰ জৰিয়তে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিম । ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া জাকিৰ হুছেইন শিকদাৰ ।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই কিছু কথা উল্লেখ কৰিছে বা আমি সকলোৱে জানো যে পাঁচ হাজাৰ পশুধনৰ বিপৰীতে এজন চিকিৎসক থাকিব লাগে । অসমত চিকিৎসকৰ পদ আছে ৭০৩ আৰু আমাৰ হাতত থকা তথ্য মতে প্ৰায় ৫৪০ জন চিকিৎসক আছে । শেহতীয়াভাৱে যদি দুয়োজনক নিযুক্তি দিছে আমি নাজানো গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে পাঁচ হাজাৰ পশুধনৰ বিপৰীতে এজন চিকিৎসক নিযুক্তি প্ৰক্ৰিয়া কেতিয়া সম্পূৰ্ণ কৰিব বা চৰকাৰে পাৰিব নে নোৱাৰে ?

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ দিনত যথেষ্ট খিনি চিকিৎসক নিযুক্তি দিলো । ভি অ' ৰ সংখ্যা হৈছে ৭০৩ আৰু মেন্ ইন পজিশ্যন ৬২৬ । ইয়াৰোপৰি এম ভি ইউ যিখিনি লৈছো তাত ঠিকাভিত্তিক ডাক্তৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছো । ইয়াৰোপৰি ভি এফ অ' ৰ সংখ্যা ২৮৯ আৰু ১৪৯৪ জন এতিয়া আছে আৰু খালী হৈ আছে ৪৯৫ । ইতিমধ্যে ভি এফ অ' যিসকলৰ ট্ৰেইনিংৰ ব্যৱস্থা কৰা হৈছিল সেই সকলৰ নিযুক্তিৰ কাৰণে আমি প্ৰক্ৰিয়া আৰম্ভ কৰিছো আৰু ৪৫৫জন নতুন চিকিৎসক নিযুক্তিৰ ব্যৱস্থা ৰখা হৈছে। আমি আশা ৰাখিছো খালী পদ বিলাক অতিশীঘ্ৰে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিম । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং-৪২ নিজাম উদ্দিন চৌধুৰী ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী নিজাম উদ্দিন চৌধুৰী, (আলগাপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই শরৎকালীন অধিবেশনে আমাকে আমার সমষ্টির কিছু জলন্ত সমস্যা তুলে ধরার সুযোগ দেওয়ার জন্য আপনাকে জানাই অশেষ ধন্যবাদ। অধ্যক্ষ মহোদয়, আমি উত্তর পেয়েছি কিন্তু আমি এই উত্তরের উপর সন্তুষ্ট নই। কারন আমার আলগাপুর সমষ্টির হাইলাকান্দি ব্লকের অধীনে থাকা জিতা নদী, এই পবিত্র সদনে আমি অনেকবার এই প্রশ্ন এনেছি। ২০২১ সালে মাননীয় মন্ত্রী বলেছিলেন যে খনন সাপেক্ষে করে দেওয়া হবে বা এটা ডিপিআর ও বানানো হয়েছিল ২৪ কোটি টাকার সয়েল টেস্ট ও করা হয়েছিল। সেখানে এডিসনেল চিফ ইঞ্জিনিয়ারও গিয়েছিলেন এবং বিভাগীয় অফিসাররা। কিন্তু আজ পর্যন্ত কাজ কিছুই হয়নি। এই নদীর কারনে ২০০৭ সাল থেকে এখন পর্যন্ত কৃষকদের লক্ষ লক্ষ টাকা লোকসান হয়েছে । সেখানে যদি কাজ করে দেওয়া হয় তাহলে অনেক ক্ষেতি হয় সেই জায়গায়। আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করছি এই কাজটুকু করে দেওয়ার জন্য। ধন্যবাদ।

**माननीय অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয় ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি পৰীক্ষামূলক ভাৱে জীয়া ভৰলীত খনন কাৰ্য্য চলাইছিলো কিন্তু অপ্ৰিয় হ'লেও সত্য যে আমি ফেইল হৈছো । অসমৰ যি সমূহ নদী পাহাৰৰ পৰা নামি আহে তাৰ এটা বিশেষ বৈশিষ্ট যে এই নদী সমূহৰ পৰা বালি নামি আহে । গতিকে বালি নামি অহাৰ কাৰণে য'ত আমি এক্সপেৰিমেন্ট কৰিছো তাত আকৌ বালি নামি আহে...

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** অসমৰ যিসমূহ নদী পাহাৰৰ পৰা নামি আহে তাৰ অলপ peculiar character আছে এই নদীসমূহৰ পৰা বালি নামি আহে। গতিকে বালি নামি অহাৰ কাৰণে য'ত আমি খনন কৰো আৰু এবাৰ আমি experiment কৰিছো, তাত আকৌ বালি নামি আহিছে। আমি তাত কোনো আঁচনি লোৱা নাই সঁচাটো কৈছো। জিয়া ভৰালীত আমি experiment কৰিছিলো কিন্তু অপ্ৰিয় হ'লেও স্বীকাৰ কৰিছো যে এইটো fail হৈছে। বালি নামি আহে যিবাৰেই কৰিছো, কিন্তু বালি নামি নাহে, তাত আমি পৰীক্ষামূলকভাৱে দুই-তিনিখন নদীতো খনন কাৰ্য্য আৰম্ভ কৰিছো। তাৰে এখন হৈছে আমাৰ কলং নদী। নগাঁৱত আমি ৩ কিলোমিটাৰ এৰিয়াত খনন কাৰ্য্য পূৰ্ণগতিত চলাই আছে। যোৱাবছৰ আমি শদিয়াৰ কুণ্ডিল নদীৰ কেইবাটাও অংশত দীঘলীয়াকৈ নহয় আমি খনন কাৰ্য্য কৰিছিলো। সেই খনন কাৰ্য্যৰ কাৰণে কুণ্ডিল নদীত বানপানী নাইকিয়া হৈছে। আমি ক'ব খুজিছো যে দীঘলীয়াকৈ যদি আমি নদীখনৰ খনন কাৰ্য্য চলাও, তাৰ যদি পাহাৰৰ পৰা বালি নামি আহে, তাত কৰিবলগীয়া আমাৰ একো নাথাকে। গতিকে বিধায়ক গৰাকীয়ে যি প্ৰশ্ন উত্থাপন কৰিছে মই ব্যক্তিগতভাৱে তেখেতক বহুত বাৰ লগ পাইছো মোক তেখেতে কেতিয়াও জনোৱা নাই। আজি যিহেতু জনাইছে, তাতে আমি এই কামটো কৰিব পাৰো নেকি তাৰ কাৰণে চিন্তা-চৰ্চা কৰিম বা আমি ইঞ্জিনীয়াৰক পঠিয়াই জৰীপ কৰিম। তেখেতৰ সমষ্টিত প্ৰায় ৬০ কোটি টকাৰ কাম চলি আছে। যোৱা বছৰ দুটা মথাউৰি ভাঙিছিল আৰু গোটেই মথাউৰি দুটা আমি সম্পূৰ্ণ কৰিছো। কামখি নি সম্পূৰ্ণ হোৱা নাই। আমি যোৱাবছৰ এটা সিদ্ধান্ত লৈছিলো য'ত breach হ'ব, সেই breach হোৱা গোটেই মাথাউৰিটো আমি সম্পূৰ্ণ কৈ raise and strengthening কৰিম। এইবাৰ আমি RAS নকৰো। windding কৰিম। তেখেতৰ সমষ্টিত দুটা মথাউৰি ভাঙিছিল। এই দুটা মথাউৰি কাটাখানাৰ বাওপাৰে ৪৬ কোটি ২০ লাখ টকাৰ কাম চলি আছে আৰু বাওঁপাৰে ১৫.৩৯ কোটি টকাৰ কাম চলি আছে। কোনোবাই কেতিয়াবা কৈ দিয়ে যে, বিৰোধী সমষ্টিত কাম নহয়। আমাৰ priciple টো মই কৈছো যে যোৱাবাৰ য'ত মাথাউৰি ভাঙিছিল, তেতিয়া সিদ্ধান্ত ললো যে আমি গোটেই মথাউৰিটো কৰিম। This is a principle. সেই priciple ত তেখেতৰ সমষ্টিৰ দুটা মথাউৰি পৰিছে। দুটাৰে কাম পূৰ্ণগতিত চলি আছে আৰু ৬০ কোটি টকা যোৱাবাৰ দিছে। এতিয়া মোক আপোনালোকে কওকচোন treasury bench পৰা কৈছে আমাৰ তাতে দিয়া নাই, আপোনালোকেৰ তাত দিছে। আমি কাকো অন্যায় কৰা নাই, আমি কাকো বেলেগ দৃষ্টিৰে চোৱা নাই। অসমখনক কেনেকৈ development কৰিব লাগে সেই দৃষ্টিৰে চাইছো।

**শ্ৰী নিজাম উদ্দিন চৌধুৰী, (আলগাপুৰ) ঃ** মন্ত্ৰী মহোদয় আপুনি কাম যে কৰা নাই মই সেইটো কোৱা নাই। মই আপোনাক ধন্যবাদ দিছো। আমাৰ সমষ্টিত যথেষ্ট কাম কৰিছে। কিন্তু মই এইটো ক'ব বিচাৰিছো, আপুনি যদি তাত উপস্থিত হয়, তেতিয়া আপোনাৰ দুখ লাগিব। মই আপোনাক অনুৰোধ কৰিছো। ধন্যবাদ।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** তেখেতৰ তাত মই যাম। মই বৰাকভেলী গৈয়ে থাকো। মই অফিচাৰক পঠিয়াম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং- ৪৩। শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোনাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে মই দুটামান কথা ক'ব বিচাৰিছো। মন্ত্ৰী মহোদয়ৰ পৰা মই উত্তৰ সঠিকভাৱে পাইছো। তথাপিতো মই দুটামান কথা কওঁ বুলি ভাবিছো। যিহেতু আমাৰ জিলাত বিশেষকৈ মোৰ সোনাৰি সমষ্টিত বিশেষভাৱে সক্ষম ব্যক্তি থাকি গৈছে। গতিকে যিসকল ব্যক্তি বাহিৰলৈ ওলাই আহিব নোৱাৰে সেইসকল ব্যক্তিৰ ঘৰতে apply কৰিব পৰা কিবা এটা ব্যৱস্থা কৰিব পাৰে নেকি? মই মন্ত্ৰী মহোদয়ক অৱগত কৰিলো। দ্বিতীয়তে, যিসকল বিশেষভাৱে সক্ষম ব্যক্তি সকলক এহাজাৰ টকাৰ পৰা বাৰ শ পঞ্চাশ টকা দিয়াৰ ব্যৱস্থা কৰিলে। গতিকে বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ  কিছু ভাট্টা অলপ বঢ়াব পাৰে নেকি? মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনালো।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** জৰীপৰ কামটো আমাৰ বিভাগে নকৰে। জৰিপৰ চিনাক্তকৰণৰ কামটো স্বাস্থ্য বিভাগে কৰে। এটা খুব গুৰুত্বপূৰ্ণ কথা পৰিলক্ষিত হৈছে অলপ দিনৰ আগতে আমি প্ৰায় ৫১৩ টা মোৰ যদি ভুল হোৱা নাই বিশেষভাৱে সক্ষম লোকৰ চাকৰি চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিছে. গুৱাহাটী মেডিকেল কলেজে যেতিয়া স্বাস্থ্য পৰীক্ষা কৰিলে প্ৰায় ৩০ শতাংশ লোক unfit ওলালে। ৪০ শতাংশ হ'ব লাগে। এজন মানুহ দিবাংগৰ cetificate ৰে চাকৰি পাবলৈ বা অন্যান্য সুবিধা পাবলৈ তেওঁ ৪০ শতাংশ দিব্যাংগ হ'ব লাগে। আমাৰ system এটা আছে। খুৱ গুৰুত্বপূৰ্ণ কথা, এই যে আমাৰ ৫১৩ টা চাকৰি দিবলৈ গ'লে complete কৰিব নোৱাৰিলো। কিয়নো ৩০ শতাংশ মানুহ যিসকলে দিব্যাংগৰ certificate লৈ পৰীক্ষা দিবলৈ গৈছিল, তেওঁলোক দিব্যাংগ নহয়। ৩০ শতাংশই নহয়। মোৰ তাত উদাহৰণ এটা কওঁ। মোৰ সমষ্টিত দুগৰাকী ব্যক্তি আহিছিল, তেওঁলোকে ক'লে যে আমি written test ত পাছ কৰিলো কিন্তু physical test ত ফেল কৰিছো। মই নামটো নকওঁ। এগৰাকী মানুহ আহি মোক ক'লে যে, তেখেতৰ সোঁহাতৰ ring finger টো নাই। তেওঁ ক'লে মই দিব্যাংগ। এইটো দিব্যাংগ হ'ব নোৱাৰে। ৪০ শতাংশ হ'ব লাগি ব আৰু এগৰাকী মানুহ আহি ক'লে যে তেখেতৰ বুঢ়া আঙুলি দুটা গতিকে তেঁৱো দিব্যাংগ। বিখ্যাত অভিনেতা হৃটিক ৰোচনৰ দুটা আঙুলি আছে। এইটো এটা সৌভাগ্যৰ প্ৰতীক বুলি সকলোৱে কয়। কিন্তু আমাৰ কিছুমান মানুহে ক'ব খুজিছে যে দুটা আঙুলি থকা মানুহ দিব্যাংগৰ certificate এখন উলিয়াই লৈছে। ইতিমধ্যে আমি যেতিয়া পৰীক্ষা পাতিলো, তেতিয়া ফেইল কৰিছে। গতিকে এইটো এটা গণ্ডগোল আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক কৈছে যে আমি নতুনকৈ গোটেইখিনি কৰিব লাগিব।   কোন আচলতে 40% দিব্যাংগ হয় আৰু কোন দিব্যাংগ নহয়। তেখেতে যিটো কথা কৈছে যে বঢ়াব লাগে। যিসকল ব্যক্তিয়ে এহেজাৰ টকা পাই আছিল, এতিয়া ১২ শ ৫০ টকা পায় আৰু অহামাহৰ পৰা ১৪ শ টকাকৈ পাব। এনেদৰে আমি বঢ়াই গৈ আছো। ধন্যবাদ।

মাননীয় অধ্যক্ষ ঃ  ধন্যবাদ। প্ৰশ্ন নং- ৪৪। শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্ৰীঅতুল বৰা, (সীমান্ত সুৰক্ষা আৰু উন্নয়ণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। দুটা কথা জানিব বিচাৰিছো। অসম মেঘালয়ৰ ক্ষেত্ৰত Justice Chandrachur আৰু

Justice Desai Commission য়ে অসমৰ সপক্ষে ৰায়ৰ বিপৰীতে মেঘালয়ৰ চৰকাৰে কোনো অঞ্চল তেখেত সকলৰ বুলি দাবী কৰিছে নেকি আৰু লামপি অঞ্চল সেই commission কাৰ পক্ষত আছিল। দ্বিতীয়তে, মিজোৰামৰ যিটো অঞ্চল, সেই মিজোৰাম অঞ্চল আৰু কাৰ্বি-আংলঙত নিজোৰামে আমাৰ পূৰ্বতে থকা অঞ্চলৰ বহুখিনি লৈ আহিছে। যোৱা সময়ছোৱাত যথেষ্ট ঘটনা হৈছে। Reserve Forest দুটা camp বাংকাৰ নিৰ্মাণ কৰিছিল। আমাৰ পকোৱা পাংঞ্জি এল, পি স্কুলত সীমাৰ ভিতৰত দুটাকৈ বোমা বিস্ফোৰণ এই অঞ্চলটো যিটো আমাৰ nutral force নিচিনাকৈ central force ৰ হাতত দিয়া হৈছিল। অসমৰ ফালৰ পৰা SSB, মিজোৰামৰ ফালৰ পৰা CRPF সেই অঞ্চলত তেওঁলোকৰ এতিয়া SSB প্ৰত্যাহাৰ কৰা হৈছে নেকি এই সম্পৰ্কে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, (সীমান্ত সুৰক্ষা আৰু উন্নয়ণ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চুবুৰীয়া ৰাজ্যসমূহৰ লগত আমাৰ সীমাবিবাদ পুৰণি। ৰাজ্য সমূহ সৃষ্টি হোৱাৰ পাছৰে পৰা সময়ে সময়ে চুবুৰীয়া ৰাজ্যবিলাকৰ লগত সীমা বিবাদ হৈছে। ইতিমধ্যে মাননীয় সদস্যসকল অৱগত যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ প্ৰচেষ্টাা চুবুৰীয়া ৰাজ্যসমূহৰ লগত থকা দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধান হ'ব গৈ আছে। ইতিমধ্যে কেইবাখনো Regional Committee অসম-মেঘালয় আৰু অসম-অৰুণাচলৰ কাৰণে গঠন কৰি দিছিল আৰু যুটীয়াভাৱে সেই অঞ্চলসমূহ ভ্ৰমণ কৰা হৈছে। মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই অসম-মেঘালয়ৰ কথাটো উল্লেখ কৰিছে। অসম-মেঘালয়ৰ মাজত ১২ টা অঞ্চলত সীমা-বিবাদ আছে আৰু সেইখিনি আলাপ-আলোচনাৰ মাজেদি সমাধান কৰিবৰ বাবে চেষ্টা কৰি থকা হৈছে। ৬ টা বিবাদমান অঞ্চলৰ ক্ষেত্ৰত ইতিমধ্যে চুক্তি হৈছে আৰু ৬ টা বাকী আছে। এই ৬ টা বিবাদমান অঞ্চলৰ বাবে অসম-মেঘালয়ৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ৩ খনকৈ Regional Committee গঠন কৰি দিছে। তাৰে এখন কমিটীত অসমৰ পাৰ্টত মাননীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া চেয়াৰমেন আৰু এখনত মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়া আৰু এখনত মই চেয়াৰমেন হৈ আছো। এইক্ষেত্ৰত আলাপ-আলোচনা চলি আছে। মাননীয় সদস্য গৰাকীয়ে পূৰ্বৰ এখন কমিটীৰ যি কথা উল্লেখ কৰি গৈছে সেই সম্পৰ্কে আমাৰ হাতত বৰ্তমান তথ্য নাই। ১২ টা অঞ্চল আমি ইতিমধ্যে চিনাক্তকৰণ কৰি লৈছো আৰু সেই অঞ্চলকেইটাত আমি যুটীয়াভাৱে পৰিদৰ্শন কৰি আলাপ-আলোচনাৰ মাজেদি সমাধান কৰিবৰ বাবে চেষ্টা কৰি থকা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী পৰিপূৰক প্ৰশ্ন।

**শ্ৰী ৰঞ্জিৎ দত্ত, (বিহালী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যিহেতু সীমাবিবাদৰ সমস্যাটো আমাৰ এইখন চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত বহুখিনি আগুৱাই গৈছে আৰু সীমা-বিবাদৰ সমস্যাসমূহ প্ৰায়খিনি শেষ হৈছে। বিশেষকৈ মোৰ সমষ্টি অসম আৰু অৰুণাচলৰ সীমাত বিহালী সংৰক্ষিত বনাঞ্চল যিটো পাকোমপাৰী অঞ্চল বুলি কোৱা যায় সেইটো অৰুণাচল সীমাত আছে আৰু ইয়াৰ পিছত আমাৰ বিশ্বনাথ জিলা আহে যি বৰ্তমানৰ শোণিতপুৰ। গুৱাহাটীত যিখন বৈঠক হৈ গ'ল, সেই বৈঠকত অসম-অৰুণাচলৰ দুয়োখন ৰাজ্যৰে কমিটী আছিল আৰু তাত আমি সিদ্ধান্ত লৈছিলো যে ডিচেম্বৰলৈ তাত কোনোধৰণৰ বিবাদ হ'ব নালাগে। কিন্তু সময়ে সময়ে আমি তাত দেখা পাওঁ যে আৰু মই নিজেও তালৈ গৈছো আৰু দেখিছো যে অৰুণাচলৰ পৰা কিছু লোকে বিহালী সংৰক্ষিত

বনাঞ্চলত যিবোৰ জংঘল বা গছ আছে, সেইবোৰ কাটি চাফা কৰে। কিন্তু লগে লগে আমাৰ প্ৰশাসন আৰু বন বিভাগে এইবোৰ ভঙাৰ চেষ্টা কৰে। যিহেতু দুয়োখন ৰাজ্যই এই সীমা-বিবাদৰ সমস্যাটো সমাধান কৰিবৰ বাবে প্ৰচেষ্টা চলাইছো কিন্তু এই চাৰিসীমা যেতিয়ালৈকে স্পষ্ট নহ'ব তেতিয়ালৈকে অৰুণাচলৰ ফালৰ পৰা যাতে কোনোধৰণৰ বে-দখল বা জংঘল চাফা কৰা নহয় তাৰ বাবে বিভাগীয় মন্ত্ৰীক অৰুণাচল চৰকাৰৰ লগত কথা পাতিবলৈ অনুৰোধ কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, সীমান্ত সুৰক্ষা আৰু উন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অৰুণাচল প্ৰদেশে ১২৩ খন গাওঁ দাবী কৰি আছিল আৰু ইয়াৰ ভিতৰত ৭১ খন গাওঁৰ ইতিমধ্যে সীমা-বিবাদ নিষ্পত্তি হৈছে। বাকী ৫২ খন গাওঁৰ সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া চলি আছে। তৎ স্বত্তেও মাজে মাজে অৰুণাচল সীমাত অৰুণাচলৰ কিছু দুষ্কৃতিকাৰীয়ে অঘটন ঘটায়। এই সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অৰুণাচলৰ মুখ্যমন্ত্ৰী মহোদয়ৰ লগত কথা-বতৰা পাতিছে। মই সদনক আশ্বাস দিব বিচাৰো যে ভৱিষ্যতে এই ক্ষেত্ৰত আৰু সতৰ্ক হৈ আগবাঢ়িম। মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই মিজোৰামৰ কথা কৈছিল। মিজোৰামৰ পূৰ্বতে কোনোধৰণৰ দাবী নাছিল আৰু এতিয়া আলোচনা কৰাৰ পিছত এখন তালিকা তেওঁলোকে আমাৰ হাতত দাঙি ধৰিছে। কিন্তু আমি Ground reality টো চাই আমি দেখিছো যে তেওঁলোকে যিখিনি অঞ্চলৰ কথা কৈছে সেইখিনি অঞ্চলত তেওঁলোকৰ কোনো ধৰণৰ দখল নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সীমা সম্পৰ্কে এটা কথা ক'বলৈ আছে। আলোচনাৰ অৰ্থ এইটো হ'ব নোৱাৰে যে আমি আমাৰ ঠাই এৰি দিম। মই মোৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা এটা ক'ব বিচাৰিছো। মই অসম-মেঘালয় সীমা বাইকামপুঞ্জিলৈ গৈছিলো। তাত অসমৰ প্ৰাথমিক বিদ্যালয়, বিদ্যুৎ, পানী যোগান আছে। তাত মই তাৰ হেডমেন চুইডিং চুইচাঙৰ লগত কথা পাতিছিলো। বেছিভাগ মানুহে আমাক আৰ্তনাদ কৰি কৈছিল যে তেওঁলোকে অসমৰ লগত থাকিব বিচাৰে আৰু আমি যাতে তেওঁলোকক যেনেকৈ নহওঁক অসমৰ লগত ৰাখো। তেতিয়া কেইজনমান মানুহে আমাক আহি ক'লে যে আমাৰ মুখ্যমন্ত্ৰীৰ লগত 'Give and take policy' ত কথা হৈ গ'ল আৰু তেওঁলোকে মোক সুধিলে যে মই কোন হয়? মই ক'লো যে মই এজন বিধায়ক আৰু মই এই বিষয়ে বিধান সভাত কম। 'Give and take policy' ৰ আলোচনাৰ অৰ্থ এইটো হ'ব নোৱাৰে যে আমি আমাৰ ঠাই এৰি দিম। কোনোবাই যদি যাবলৈ বিচাৰে তেওঁলোকক যাবলৈ দিয়ক আৰু কোনোবাই যদি আহিব বিচাৰে তেওঁলোকক আহিবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে কওঁক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি, সীমান্ত সুৰক্ষা আৰু উন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দিল্লী আৰু অসমত যেতিয়া কংগ্ৰেছ চৰকাৰ আছিল তেতিয়াই এই ৰাজ্যসমূহৰ সৃষ্টি হৈছিল। ৰাজ্যসমূহৰ সৃষ্টি হওঁতেই যদি বিবাদ নিষ্পত্তি কৰি দিলেহেঁতেন তেন্তে আজি এই সমস্যাবোৰ নাহিলেহেঁতেন। আজি আলাপ-আলোচনাৰ মাজেৰে ঠিক কৰি লোৱা হৈছে যে তাৰ criteria কি হ'ব? Historical prospective, administrative convenience, ethnicity এই গোটেই কথাবিলাকৰ লগতে সেই অঞ্চলৰ জনসাধাৰণৰ ইচ্ছা, এই সকলোখিনি চাই লোৱা হৈছে। যিহেতু যুটীয়াভাৱে সীমা-বিবাদৰ বাবে ভ্ৰমণ কৰা হৈছে, সেয়েহে তেওঁলোকৰ

মতামত গ্ৰহণ কৰা হৈছে। তাৰ ওপৰতেই ভিত্তি কৰি ইতিমধ্যে ১২ টাৰ ৬ টা অঞ্চলত বুজাবুজিৰ চুক্তি হৈছিল আৰু বাকী যি ৬ টা অঞ্চল আছে, তাত আলাপ-আলোচনা চলি আছে। মাননীয় মুখ্যমন্ত্ৰীৰ পৰ্য্যায়তো খুব অচিৰেই আকৌ আলাপ-আলোচনা হ'ব। আমি আশা কৰিছো যে এই দীৰ্ঘদিনীয়া সমস্যাটোত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আলাপ-আলোচনা যি প্ৰচেষ্টা চালি আছে তাত সকলো সন্মানীয় সদস্যৰ সহযোগিতা আগবঢ়াব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সেই অঞ্চলটো পুনৰ এবাৰ পৰিদৰ্শন কৰিব লাগে। তেতিয়া সকলো কথা স্পষ্ট হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-৪৫। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰখিনি পাইছো। যোৱা কালি মোৰ মেম্বাৰচ আৱাৰত প্ৰশ্নৰ উত্তৰত বিভাগীয়া মন্ত্ৰী মহোদয়ে গোটেইখিনি কৈছিল। তাৰ পিছতো আজি যিহেতু ইয়াত প্ৰশ্ন আহিছে, মই বিশেষকৈ ক'ব বিচাৰিছো শিঙিমাৰী, লোহাজানী আৰু ভামনডাঙা এই তিনিটাৰ কাম যদি অতি সোনকালে কৰি দিয়ে ৰাইজ উপকৃত হ'ব। মই বিশেষ একো নকওঁ। গোঁসাইগাওঁ আৰু গোলকগঞ্জ সমষ্টিৰ সীমা ভোলাৰখাস অঞ্চলত মথাউৰি নোহোৱা হৈ গৈছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে তেওঁ এদিন অলপ সময় উলিয়াই যদি আধা ঘণ্টাৰ কাৰণে আহি এই অঞ্চলটো চাই যায়। তেতিয়া মোৰ আৰু একো ক'বলগীয়া নাথাকিব যে কি কৰিবলগীয়া আছে আৰু কি কৰিবলীয়া নাই। মই লগতে আৰু এটা কথা স্পষ্ট কৰি দিব বিচাৰিছো যে মাননীয় মন্ত্ৰী মহোদয়ে কালি গোলকগঞ্জ অঞ্চলত ১০ কোটি টকাৰ এটা কাম দিয়া বুলি কৈছিল। কিন্তু তেখেতৰ এইটো ভুল হৈছে। সেই অঞ্চলটো মোৰ সমষ্টিত নহয়। মোৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাই পথটো ৰক্ষা কৰাৰ বাবে ৫ কোটি টকাৰ এটা কাম দিছিল আৰু সেইটো চলি আছে। মই মাননীয় মন্ত্ৰী মহোদয়ে মোৰ সমষ্টিটো পৰিদৰ্শন কৰাৰ বাবে আশ্বাস বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যোৱাকালি যিটো কথা কৈছিলো বিন্ধাচাৰা, সেইটো আচলতে তেওঁৰ সমষ্টিৰ সীমাৰ পৰা ১ কিলোমিটাৰ দূৰত ধুবুৰী সমষ্টিত পৰে। কিন্তু তেখেতৰ সমষ্টিত মই যোৱাবাৰ ৫ কোটি টকাৰ কাম কৰিছিলো। কিন্তু মোৰ confusion টো হ'ল যে বিন্ধাচাৰা সমষ্টিটো তেখেতৰ সমষ্টিৰ বোৰ্ডাৰ হ'ব। তেখেতে যি তিনিখন গাওঁৰ কথা ক'লে সেই তিনিখন গাওঁ মই নিজে চাবলৈ যাম বুলি মই সদনত কথা দিলো। যোৱা বিধান সভাত আমাৰ গোৱালপাৰাৰ বিধায়ক ডাঙৰীয়াই তেখেতৰ সমষ্টিলৈ এবাৰ আহিব লাগে বুলি কৈছিল আৰু মই অহা বিধান সভাৰ আগত যাম বুলি প্ৰতিশ্ৰুতি দিছিলো। মই যোৱা বিধান সভাৰ ডেৰ মাহৰ ভিতৰত তেখেতৰ সমষ্টিটো গৈ চাই আহিছো। মই সন্মানীয় সদস্য জনৰ যোৱাবাৰ গৈছিলো। এইবোৰো মই পুনৰ এই গাওঁ তিনিখন চাই আহিম আৰু যিমান সোনকালে পাৰো পুঁজি সাপেক্ষে কৰিম। বহুত ডাঙৰ হ'লে অলপ সময় লাগিব। মাননীয় অধ্যক্ষ মহোদয়, এটা কথা মই তেখেতক সুধিব পাৰো নেকি যে ৩ খন গাওঁৰ গড়াখহনীয়াৰ দৈৰ্ঘ্য কিমান এবাৰ জনাব নেকি ?

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিঙিমাৰী অঞ্চলটোৰ দৈৰ্ঘ্য ডেৰ কিলোমিটাৰমান হ'ব। ৰাইদা অঞ্চলটোৰ দৈৰ্ঘ্য ১ কিলোমিটাৰৰ অলপ কম হ'ব। লোহাজান অঞ্চলটোৰ কাৰেণ যদি আমি অলপ সৰু-সুৰা আঁচনি লও তেন্তে গংগাধৰ নদীখন যি কাযেৰে গৈছে সেইটো পোনে-পোনে যোৱাৰ ব্যৱস্থা কৰি দিব পাৰিম। মই ADB fund ৰ কথা কৈছিলো, সেইটো যদি অলপ মনত ৰাখে মোৰ দীৰ্ঘকালীন সমস্যা এটা সমাধান হ'ব।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনি সমস্যা সমাধান কৰিব পৰা যাব। মই তেখেতৰ সমষ্টিলৈ গৈ সেইখিনি চাই কামখিনি কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-৪৬।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা)ঃ** আচলতে আজি মোৰো প্ৰশ্ন আছিল কিন্তু নাহিব। অধ্যক্ষ মহোদয়, ফকিৰগঞ্জ এলেকাৰ protection ৰ বাবে আমাৰ মন্ত্ৰী মহোদয়ে Geo Bag protection বুলি এখন আঁচনি দিছিল কিন্তু সেই protection ৰ কাম সম্পূৰ্ণ নহওঁতেই এইবাৰ গৰা-খহনীয়াত এই protection ৰ upstreamত দুখন গাওঁ ডাকুৰভিটা আৰু কোচবাৰী নিশ্চিহ্ন হৈ গ'ল। অকল নিশ্চিহ্ন হৈ যোৱাই নহয়, ফকিৰগঞ্জত protection ৰ বাবে জিঅ' বেগৰ যি কাম কৰিছিল, সেই কামটোতো প্ৰভাৱ পৰিল। প্ৰায় ১০০ মিটাৰৰ ওপৰত বহি গ'ল। এই আঁচনিখনৰ কাম আৰম্ভ কৰাৰ আগতেই মোৰ সমষ্টিত আহিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো কিন্তু তেখেতৰ যোৱা নহ'ল। গতিকে, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছ যে এইবাৰ গৰাখহনীয়াত যি ক্ষতিগ্ৰস্ত হ'ল সেইখিনি তেওঁ চাই যায় আৰু তাত Geo Bag protection ৰ আঁচনি যাতে গ্ৰহণ কৰে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, এই বছৰ যোৱা বছৰতকৈ বৃষ্টিপাত ১৪.৯৯% কম। এই বছৰ আমাৰ ৫ টা মথাউৰি ভাঙিছে। যোৱা বছৰ ৪১ টা ভাঙিছিল। সাধাৰণতে, অসমত গড়ে ২০-২৫ টা মথাউৰি ভাঙে। কিন্তু, এইবাৰ আমাৰ সৌভাগ্য যে ৫ টা মথাউৰি ভাঙিছে। ইয়াৰ বাবে আমি protection ৰ কামো কৰিছো। এইবাৰ আমাৰ বিভাগে Flood Drill বা flood fghting materials ৰ বাবে ১০ লাখ Polyester EC bag, ৬৮,১২৫ টা মেগা বেগ, ১,০৬,৮৬০ ডাল porcupine ৰ Setআৰু ১৩৭ টা মেগা জিঅ' বেগ ক্ৰয় কৰিছিল। এইবাৰ flood fighting materials ৰ বাবে আমাৰ বিভাগে ২০.৫৭ কোটি টকাৰ materials কিনিছিল। ৫০% বিধায়কৰ আহ্বানত আমি তেওঁলোকৰ সমষ্টিত জিঅ' বেগ আৰু porcupine পঠাইছো। অধ্যক্ষ ডাঙৰীয়া আপোনাৰ সমষ্টিলৈও পঠাইছো। এইখিনি কৰাৰ কাৰণেই হয়তো breach আগতকৈ কমিছে। আগতে, কেশৱ মহন্ত ডাঙৰীয়াৰ সময়ত বহুত ভাল কাম হৈছে কিন্তু আগতকৈ কিছুমান কাম সলনি কৰা হৈছে। মই আগতে স্বাস্থ্যৰ ৰাজ্যিক মন্ত্ৰী আছিলো, এতিয়া কেশৱ মহন্ত ডাঙৰীয়া স্বাস্থ্য মন্ত্ৰী। আমি কৰা কাম চাগে তেখেতেও অকণমান সলনি কৰিছে। এইবাৰ আমি য'ত breach হয়, সেইটো লগে লগে fill up কৰাৰ ব্যৱস্থা কৰিছো। যোৱা বছৰ য'ত breach হয় তাত আমি U shape ৰ ৰিং বান্ধ বনাই দিছিলো। সেইটো ১৫-২০ দিনৰ পিছত কৰিব পাৰি কাৰণ তাত অলপ পানী সোমাব লাগে। কিন্তু, আমি এইবাৰ নতুন কাম এটা আৰম্ভ কৰিছো। Mega Geo Bag বুলি এটা Bag লৈছো। সেই বেগটোৰ দৈৰ্ঘ্য হ'ল ২৫ মিঃ। Breach এটা ৫০ বা ৬০ মিঃ মান হয়। আমি ভৰত নৰহ ডাঙৰীয়াৰ

সমষ্টিৰ শিঙৰা নদীত হোৱা breach এইবাৰ Mega Geo Bagৰে fill up কৰিছো। মই ১০ দিন মান পিছত গৈ চাই আহিছো, তাত breach হৈছিল নে নাই সেইটো গমেই নাপায়। কেইদিনমানৰ আগত ছিপাঝাৰ সমষ্টিৰ পথৰুঘাটৰ ওচৰত মুখ্যমন্ত্ৰী ডাঙৰীয়া ৰাতি ১২ টা বজাত গৈছে, মই ৰাতিপুৱা ৯ টা বজাত গৈ তাত উপস্থিত হৈছো। এতিয়া breach টো সম্পূৰ্ণ হ'ল। কালি মোৰ ওচৰত তাৰ ফটো আহিছে। আগতে অতিকমেও ২০ দিন লাগিছিল, তাৰ পিছত কাম আৰম্ভ কৰিব পাৰি। এতিয়া আমি এই মেগা জিঅ' বেগটো পানীত পেলাই দিওঁ। পেলাই দিয়াৰ লগে লগে সেইটো বেলুনৰ নিচিনাকৈ তাত ওপঙি থাকে আৰু তাৰ ওপৰত উঠি মেচিনেৰে বালি আৰু মাটি সোমোৱাই দিব পাৰি। যেতিয়া সেইখিনি fill up হৈ যায় তেতিয়া তলত বহি যায়। গতিকে, এনেকুৱা এটা নতুন চিষ্টেম introduce কৰিছো। সেয়েহে, এইবাৰ আমি ৫ টা breach ইতিমধ্যে সম্পূৰ্ণ কৰি দিলো। ২০ টা মান আমিbreach হোৱাৰ পৰা বচাইছো। এইদৰে আমি এই কামবিলাক কৰিছো। অধ্যক্ষ ডাঙৰীয়া, আগতকৈ মই বহুত কিবা কৰিছো বুলি নকওঁ, কিন্তু, মেগা জিঅ' বেগ আগতে নাছিল এইবাৰ আমি আনিলো, এনেকৈ নতুন নতুন প্ৰযুক্তিৰে কাম বিলাক কৰিলে অলপ সুবিধা হয়। মই ২০১১ চনত যেতিয়া বিধায়ক আছিলো, ২০১২ চনত ৰহা সমষ্টিত বানপানী হৈছিল। তাৰে গাৰোখুন্দা নামৰ এখন গাঁৱৰ এটা পঞ্চায়তত কপিলী নদীয়ে এটা মথাউৰি ভাঙিছিল। ৬ মাহলৈকে মথাউৰিটো fill up নহ'ল। মই শেষত, নিজৰ পইচাৰে জেচিবি লগাই মথাউৰিটো ঠিক কৰিছো। তেতিয়া ভৰত নৰহ ডাঙৰীয়া মন্ত্ৰী আছিল আৰু বাকীসকলো মন্ত্ৰী আছিল। তেতিয়া তেনেকুৱা চিষ্টেমেই আছিল যে মথাউৰিটো যেতিয়া ভাঙে তাক ৬ মাহলৈকে touch কৰা নাযায়, sanction কৰিব লাগে, কিবা কৰিব লাগে। কিন্তু, এতিয়া আমি Flood Drill, Flood fighting materials আগেয়ে দি দিওঁ। গতিকে, পইচালৈ ৰৈ থাকিব নালাগে। য'ত মথাউৰি ভাঙিব, আমি এসপ্তাহৰ ভিতৰত কৰি দিওঁ ....interruptions...

**মাননীয় অধ্যক্ষঃ** হ'ব ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই সামৰণি মাৰিমেই আৰু। মই অলপ কোৱাৰ সুযোগ ল'লো। সন্মানীয় সদস্য আমিনুল ইছলাম (কনিষ্ঠ) ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত মই এই কথাখিনি ক'লোৱেইহেঁতেন যে মই এইবাৰ মানকাছাৰ জিলালৈ যাম। তাত অন্তঃত দুদিন থাকি আপোনালোক দুয়োজনৰ সমষ্টিত কি কি কৰিব লগীয়া আছে চাম। যোৱাবাৰো দুয়োৰে সমষ্টিত ৬ কোটিকৈ টকা দিছো। আমাৰ ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়াৰ সমষ্টিত এই ১১ কোটি টকাৰ উপৰিও ৬ কোটি টকা দিছো। আমাৰ কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই কয় যে এ.আই.ইউ.ডি.এফ.ৰ সমষ্টিত দিয়ে। গতিকে, এ.আই.ইউ.ডি.এফ.ৰ সমষ্টিতেই নহয় কংগ্ৰেছৰ সমষ্টিতো দিছো তাৰে প্ৰমাণ আপোনালোকক দিলো। আৰু কৰিম বুলি আপোনালোকক প্ৰতিশ্ৰুতি দিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ৩৬। শ্ৰীমতী শিৰামণি বৰা।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীমতী শিৰামণি বৰা, (বটদ্ৰৱা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ ৬ নং দফাৰ কাৰ্যকৰীতাৰ সম্পৰ্কত মই মাননীয় মন্ত্ৰী মহোদয়ক যিকেইটা প্ৰশ্ন কৰিছিলো, তাৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিছে যদিও সেইয়া সন্তোষজনক নহয়। মহোদয়, ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন আখৰে আখৰে দাবি, কমা বাদ নিদিয়াকৈ ৰূপায়ণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পিছতো বিষয়টো

গেথেলা মৰাই সমষ্টি পুনৰ নিৰ্ধাৰণ কৰি ছয় জনগোষ্ঠীক তেওঁলোকৰ প্ৰাপ্য ৰাজনৈতিক অধিকাৰৰ পৰা বঞ্চিত কৰি এতিয়া আকৌ পঞ্চায়ত আইন সংশোধন কৰি পঞ্চায়তৰ সমষ্টি পুনৰ নিৰ্ধাৰণ কৰাৰ আগতে বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন কাৰ্যকৰী কৰা হ'ব নে?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ ৰাজ্যখনত বিদেশী নাগৰিক বহিষ্কাৰ কৰাৰ দাবীত যি গণ আন্দোলন হৈছিল, সেই আন্দোলনত অংশগ্ৰহণ কৰা ৮৫৫ জন লোকক সেই সময়ৰ কংগ্ৰেছ চৰকাৰে * কৰিছিল, যাক আমি ....inter-ruptions...

(বিৰোধীয়ে প্ৰতিবাদ কৰে)

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, এখন চৰকাৰৰ সময়ত ৰাষ্ট্ৰপতিৰ শাসন হ'ব পাৰে, কংগ্ৰেছক directly এনেদৰে কোৱাৰ বাবে আমি প্ৰতিবাদ কৰিছো। সেইটো হ'ব নোৱাৰে। অসম আন্দোলনৰ সময়ত কংগ্ৰেছ চৰকাৰ নাছিল, তেতিয়া অসমত জনতা দলৰ চৰকাৰো আছিল। ৰাষ্ট্ৰপতিৰ শাসনৰ সময়ত অকংগ্ৰেছী চৰকাৰ আছিল, এনেদৰে কংগ্ৰেছ চৰকাৰক সকলো কথাত জগৰীয়া কৰিলে নহ'ব। চাৰ, ** শব্দটো expunge কৰিব লাগিব।

(বিৰোধীয়ে expunge কৰাৰ বাবে দাবী জনায়।)

**মাননীয় অধ্যক্ষঃ** *** শব্দটো expunge কৰা হ'ল।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, এইবোৰ সত্য কথা .....interrup-tions...

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** চাৰ, সত্য নহয়। অসমত জনতা দলৰ চৰকাৰ আছিল, ৰাষ্ট্ৰপতিৰ শাসন কংগ্ৰেছৰ চৰকাৰ হ'ব পাৰে নেকি ........interruptions...

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সত্য যে সেই সময়ত দিল্লীত কংগ্ৰেছৰ চৰকাৰ আছিল। অসম আন্দোলনৰ যি প্ৰভাৱ, সেই গণতান্ত্ৰিক আন্দোলনত নতি স্বীকাৰ কৰি সেই সময়ত কেন্দ্ৰীয় চৰকাৰে এখন চুক্তি স্বাক্ষৰ  কৰিবলৈ বাধ্য হৈছিল যাক আমি অসম চুক্তি বুলি কৈছো ১৯৮৫ চনত।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** কেন্দ্ৰত আমাৰে ৰাজীৱ গান্ধী ডাঙৰীয়াৰ চৰকাৰ আছিলে।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** কেন্দ্ৰতো আছিল আৰু ৰাজ্যতো আছিল। চুক্তি হ'ল আৰু আপোনালোকে জানে যে আমাৰ ৰাজ্যখন শাসন কৰাৰ পিছৰ পৰ্য্যায়ত ১৯৮৫ চনত অসম গণ পৰিষদ দলৰ নেতৃত্বত চৰকাৰ হৈছিল, ১৯৯৬ চনত হৈছিল। কিন্তু ২০০১-২০১৬ লৈকে ধাৰাবাহিকভাৱে তিনিটা নিৰ্বাচনত জয়ী হৈ কংগ্ৰেছ দল শাসনত আছিল। সময় বহুত পাৰ হৈ গ'ল কিন্তু চুক্তিৰ যিটো মূল sprit আছিল যে বিদেশী নাগৰিক চিনাক্তকৰণ কৰি  বহিস্কাৰ কৰা, এই ক্ষেত্ৰত এতিয়াও যি উদ্দেশ্য লৈ অসমৰ নাগৰিকে আন্দোলন কৰিছিল সেই লক্ষ্যত উপনীত হোৱা নাই। চুক্তিৰ বিভিন্ন দফা ৰূপায়িচত নোহোৱাকৈ -----intrruption-----

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক আজিৰ প্ৰশ্নত অসম চুক্তিৰ ৬ নং দফাৰ বিষয়ে শুধা হৈছে।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মোক অসম চুক্তিৰ ৬ নং দফাৰ বিষয়ে শুধি সন্মানীয় সদস্য গৰাকীয়ে ৬ জনগোষ্ঠীলৈকে আনিছে। Delimitation  ৰ কথা আনিছে। কেইবাটাও প্ৰশ্ন সাঙুৰি তেখেতে

প্ৰশ্নটো আনিছে। -----হুলস্থুল-------

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** জনজাতিকৰণ, অসমীয়া ভাষা সংস্কৃতিৰ সংৰক্ষণ এইবিলাক ৬ নং দফাৰে অংশ। -----হুলস্থুল-------

(বিৰোধী দলে সদন ত্যাগ কৰে)

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪৭, শ্ৰী আমিনুল ইছলাম।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আমিনুল ইছলাম, (মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিহেতু আমাৰ এটা reference question ত মাননীয় মন্ত্ৰী ডাঙৰীয়াই already clear কৰিছে যে মোৰ সমষ্টিৰ ৩ টা কামৰ কাৰণে ৬ কোটি টকা দিছে। তাৰ কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। কিন্তু কথাটো হ'লযে ব্ৰহ্মপুত্ৰৰ পানী হওক বা ভূটানৰ পানী হওক যোৱাৰ একমাত্ৰ ৰাস্তা হৈছে উত্তৰ শালমাৰা মানকাচৰ। আমাৰ নতুনকৈ যিটো ডিভিজন হৈছে তাত এতিয়ালৈকে ৬ কোটি টকাৰ কাম দিয়া হৈছে যোৱা আঢ়ৈ বছৰত আৰু এতিয়া আমাৰ সমষ্টিত মূল যিখিনি নদী ব্ৰহ্মপুত্ৰ, জিনজিৰাম, কালু আৰু দূৰ্ণী, তাৰে ভিতৰত কালু আৰু দূৰ্ণীত মেঘালয়ৰ পানীয়ে affect কৰে আৰু ব্ৰহ্মপুত্ৰ আৰু জিনজিৰামত বাহিৰৰ পানীয়ে affect কৰে। মোৰ সমষ্টিত গোটাবাৰী, বৰবালু, মান্দাৰপাৰা, বেৰাভাঙ্গা,সুকচৰ, কালিৰআলগা, ন্যাজেচপুৰ এই গোটেই অঞ্চলবিলাকত বৰ্তমানো ব্যাপকভাৱে গৰাখহনীয়া চলি আছে। যোৱাকালি মই মন্ত্ৰী মহোদয়ৰ লগত এই বিষয়ত কথা পাতিছো। বহুকেইখন গাওঁ নিচিহ্ন হৈ গ'ল। এতিয়া কথা হ'ল যে বৰ্তমান যিখিনি গৰাখহনীয়া চলি আছে চৰকাৰে তাৰ ওপৰত ব্যৱস্থা ল'ব লাগে। আমাৰ যিটো IBP Road সেইটোও যদি ভাঙি যায় তেতিয়াহ'লে আমাৰ মানকাচাৰৰ এটা অংশ গুছি যাব। বৰ্তমান সেইখিনিৰ protection ৰ কাম চলি আছে। Geo bag আৰু বাঁহৰ protection ৰ কাৰণে এইখিনি টিকি আছে। তাত 48 k.m International Border উন্মুক্ত হৈ আছে। গতিকে যদি ৰাস্তাটো গুছি যায় তেতিয়া আমাৰ District Head Quarter সম্পূৰ্ণৰূপে washed away হৈ যাব। য'ত Indo-Bangla International threat আছে, যিটো ইমান গুৰুত্বপূৰ্ণ বিষয়, যিটো মই বাৰে বাৰে সদনত আনি আছো, মন্ত্ৰী মহোদয়ে তাত immediate কিবা ব্যৱস্থা ল'ব নেকি,মই জানিব বিচাৰিছো।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ সমষ্টিৰ গৰাখহনীয়াৰ বিষয়ে আমি অৱগত আৰু আমাৰ বিভাগো অৱগত। এইবাৰ অসমত গৰাখহনীয়া বহুত বেছি হৈছে। ১৫ শতাংশ বৰষুণ কম হৈছে আৰু breach কম হৈছে লগতে বানপানীয়ো কম হৈছে কিন্তু এইবছৰ গৰাখহনীয়া যথেষ্ট বেছি হৈছে। এই বিষয়ে আমি অৱগত। আমি কামো কৰিছো আৰু আমি চিন্তিতও। আগৰ গৰাকী সদস্যৰ উত্তৰত ক'লো। ৰাজেদ আলী চোধুৰী ডাঙৰীয়াৰ supplementary ৰ উত্তৰত ক'লো যে অতি সোনকালে এমাহ মানৰ ভিতৰত মই মানকাচৰ জিলালৈ যাম আৰু দুদিন তাত থাকিম আৰু তেখেতলোকৰ সমষ্টিত কি কি সমস্যা আছে সেইসমূহ চাম আৰু যোৱাকালি তেওঁলোকে আহি মোক দুটামান আঁচনিৰ কথা কৈছিলে সেইখিনি যিমানখিনি পাৰো আমি কৰিম।

**শ্ৰী আমিনুল ইছলাম, (মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কালু নদীৰ ভিতৰত উদাৰবুৰী, কালাপানী, পানখাতা,মানকাচাৰ তিনিআলীত ব্যাপকভাৱে গৰাখহনীয়া চলি আছে।

আমাৰ HM Road টো তাৰ পৰা মাত্ৰ ৫০ মিটাৰ মান দূৰত আছে আৰু দূৰ্ণীৰ কাকৰিপাৰাত এটা protection আগতে দিয়া হৈছিল। সেই protection টো washed away হৈ গৈ আছে। তাত মেঘালয়ৰ ঢল বান আহে আৰু নাগাবান্ধাৰ পৰা হাজিৰহাট সুকচৰ হৈ তালৈকে এটা protection বান্ধ দিব পাৰি নেকি? লগতে নেৰাজিজপুৰৰ পৰা কালিৰ আলগালৈকে এইটোত যদি আমি protection বান্ধ দিব পাৰো তেতিয়াহ'লে আমাৰ জিলাখন চেফ হৈ যায়। অন্যথা আমাৰ District Head Quarter affect হৈ যাব। এই দুটা বান্ধ কাম ৰোড নেৰাজিজপুৰলৈকে আছে বাকীখিনি ঠাই যদি কৰি দিয়ে আমাৰ জিলাখন চেফ হৈ যাব। আমাৰ মাননীয় মন্ত্ৰী মহোদয় আৰু আমাৰ বিভাগীয় যি কৰ্তৃপক্ষ আছে এবাৰ গৈ field study কৰিলে মই ভাৱো যে যথেষ্ট উপকৃত হ'ব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যাম বুলি ক'লো। যোৱাকালি তেখেতে মোক কেইটামান কামৰ কথা কৈছে আজি আকৌ আপুনি মোক দি দিব। যি তিনিটা important কামৰ কথা কৈছে যিমানখিনি পাৰো পুঁজি সাপেক্ষে কৰিম বুলি পুনৰ তেখেতক মই প্ৰতিশ্ৰুতি দিছো।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ জনীয় সমষ্টিৰ বেকী নদী বহু কেইঠাইত গৰাখহনীয়া হৈছে বিশেষকৈ যোৱা দুমাহৰ পৰা কাউৰজাহী আৰু বলাইপথাৰৰ এশৰো অধিক গাওঁ যোৱা দুমাহত উটি গ'ল। পকী ৰাস্তাও ভাঙিছে, স্কুল, মছজিদ, বজাৰ সকলো উটি গ'ল। কাউৰজাহী শেষ হ'ল এতিয়া বলাইপথাৰৰো আধা গ'ল। মন্ত্ৰী মহোদয়ক মই ফোন কৰিছিলো তেখেতে response দিছে। বেকী দলংৰ কাষত যিটো State High way যিখিনিত কাম কৰা হৈছিল সেইটো সাময়িকভাৱে কিছু ৰক্ষা পৰিছে। কিন্তু নতুনকৈ যিটো down stem কাউৰজাহী আৰু বলাইপথাৰ সাংঘাতিকভাৱে erosion হৈ আছে। গতিকে তাত যদি immediate কাম নকৰে, সেই পকী ৰাস্তাটো উটি গ'লে তাত থকা হাইস্কুল আৰু ৰাস্তাৰ গাতে লাগি থকা গাওঁখনৰ গোটেই মানুহখিনি ৰাস্তাৰ ওপৰত আছে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো তেখেতে যাতে বিভাগীয় বিষয়াক পঠিয়াই অতি সোনকালে বলাইপথাৰ, কাউৰজাৰী আৰু কৰাৰকূৰ্মী অঞ্চলprotect কৰাৰ কাৰণে বিহীত ব্যৱস্থা ল'ব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বেকী নদীত আমাৰ World Bank Sponsored ৰ কাম চলি আছে। য'ত চলা নাই সেই সমূহ অঞ্চলত অহা বছৰ কাম আৰম্ভ হ'ব। তেখেতে যিসমূহ অঞ্চলৰ নাম জনাইছে মোক সেই নাম সমূহ আকৌ এবাৰ দিব। মই engineer আৰু উপযুক্ত মহোদয়ৰ লগত কথা পাতি যিমানখিনি সম্ভৱ হয় সিমানখিনি কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Question No.48,শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।**

**শ্ৰীচক্ৰধৰ গগৈ, (মৰান) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি অসমত বিজেপি নেতৃত্বাধীন প্ৰথম আৰু দ্বিতীয় দুয়োখন চৰকাৰকে ধন্যবাদ জনাইছো । মোৰ মৰাণ সমষ্টিৰ যিবোৰ মানুহে প্ৰতি বছৰে বানপানীত ভুগিছিল, এই ৰাইজখিনিৰ দুখখিনি এই চৰকাৰে মুছিবলৈ সক্ষম হৈছে । উজনি অসমৰ মোৰ মৰান সমষ্টিত এখনেই গাওঁ আছে যিখন প্ৰথমতেই বানবিধ্বস্ত হয় । এই গাওঁখন হ'ল গজাই জনজাতি গাওঁ । কিন্তু ২০১৬ চনৰ তিনি বছৰ মানৰ পৰাই এই গাওঁখনত**

বানপানী নাইকীয়া হৈছে আৰু যিখন মৌজাত এই গাঁওখন আছে লৰুৰা মৌজা তাতো বানপানী নাইকীয়া হ'বলৈ ধৰিছে। কিন্তু কেতিয়াবা কেতিয়াবা প্ৰকৃতিয়ে বেলেগ ৰূপ ল'বলৈ আৰম্ভ কৰে। মোৰ সমষ্টিত থকা দুয়োখন নদীৰ এখন ব্ৰহ্মপুত্ৰই ছুই গৈছে আৰু দিহিং নৈ খন মোৰ সমষ্টিৰ মাজেৰে বৈ গৈছে। গতিকে বৰ্তমানে ব্ৰহ্মপুত্ৰই এতিয়া সাংঘাতিক ধৰনে বগীবিল চাউলখোৱা গাওঁত খহনীয়া সৃষ্টি কৰিছে। এই গাঁওখন গাওঁত মিচিং জনজাতীয় লোকে বাস কৰে আৰু খুব কষ্টেৰে খেতি কৰি ভাত খোৱা মানুহ। এইখন গাওঁত প্ৰত্যেকবাৰে খহনীয়াই মাটিবিলাক লৈ গৈ আছে। ব্ৰহ্মপুত্ৰৰ যিখন বগীবিল দলং তাৰ পশ্চিমফালে যিটো এলেকা তাত এটা চৰ পৰি নদীৰ সোঁত দুভাগ হৈছে আৰু তাৰ মূল সুঁতিটো চাউলখোৱাৰ ফালে গুছি অহাৰ কাৰণে এই গাওঁখনৰ যিটো বান্ধ আছিলে সেইটো এতিয়া প্ৰায় এশ মিটাৰমানহে আছে। যোৱা দুই-তিনি বছৰত বানপানীয়ে প্ৰায় দুই কি.মি মাটি খহাই লৈ গৈছে গতিকে এই খহনীয়াটো ৰোধ কৰিবৰ কাৰণে কি ব্যৱস্থা আছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ক সুধিছিলো আৰু তেখেতে ইতিমধ্যে উত্তৰ দিছে। তেওঁৰ উত্তৰত গম পালো যে তেখেতে সমগ্ৰ ডিব্ৰুগড় জিলাখনক খহনীয়াৰ পৰা ৰোধ কৰিবলৈ বিভিন্ন ব্যৱস্থা লৈছে। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মই তেখেতৰ পৰা আৰু দুটা কথা জানিব খোজো যে খহনীয়া প্ৰতিৰোধৰ বাবে যিটো ব্যৱস্থা ল'ব সেইটো পাৰ্মানেন্ট হ'ব নে টেম্প'ৰাৰী হ'ব। তাৰ ওপৰিও মোৰ সমষ্টিৰ মধুপুৰত পাঁচ-ছয় কি.মি মান মথাউৰি একেবাৰেই নাই সেই বাকীথকা অংশ নিৰ্মাণৰ বাবে কিবা ব্যৱস্থা ল'বনেকি ? তাৰ ওপৰিও দিহিং নদীখনৰ ঠাইয়ে ঠাইয়ে খহনীয়া হৈ আছে তাৰ বাবে কেইবাবাৰো মন্ত্ৰী মহোদয়ক আৰ আই ডি এফক কেইবাটাও প্ৰপোজেল দিয়া আছে। এই প্ৰপোজেল কেইটা ভবিষ্যতে গ্ৰহণ কৰিব নেকি ? লগতে মই মন্ত্ৰী মহোদয়ক বহু ধন্যবাদ দিছো যে তেখেতে মোৰ সমষ্টিত গুৰুত্ব প্ৰদান কৰিছে। ধন্যবাদ

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া , তেখেতৰ সমষ্টিটো অতি প্ৰবল বানপানীৰ সমষ্টি আছিল । বৰ্তমানে আগতকৈ যথেষ্ট কমিছে। তেখেতে ধন্যবাদো দিছে আৰু মইও তেখেতৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ ডাঙৰীয়া তেখেতে যিটো বগীবিল অঞ্চলৰ কথা কৈছে সেইটো এডিবি' প্ৰজেক্ট এটাত সামৰি লোৱা হৈছে। আৰু এই প্ৰজেক্টৰ ফাৰ্ষ্ট ফেজতে ডিব্ৰুগড় আছে। এই ফেজত ৯৯৭ কোটি টকাৰ টেণ্ডাৰ ইতিমধ্যে হৈছে। আৰু ৩৫০ কোটি টকাৰ টেণ্ডাৰ ওলাব । হয়তো তেখেতৰ সমষ্টিৰ এই অঞ্চলটো পাৰ্মানেন্ট নেচাৰৰ প্ৰটেকশ্যন আৰম্ভ হ'ব। যিহেতু পাৰ্মানেন্ট কৰোতে চাৰি-পাঁচ মাহ লাগিব। গতিকে তেওঁ যদি তাৎক্ষনিকভাবে টেম্প'ৰাৰী নেচাৰৰ কিবা কৰিব থাকিলে মোক ব্যক্তিগতভাবে জনাব পাৰে । নিশ্চয় মই কৰি দিবলৈ চেষ্টা কৰিম । মই অৱগত যে তেখেতৰ সমষ্টিত ৫ কি.মি মান ঠাই উন্মুক্ত হৈ আছে। সেইখিনিত আমি মথাউৰি বনাই তেখেতৰ সমষ্টিৰ ৰাইজক ৰক্ষা কৰিবলৈ চেষ্টা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ... প্ৰশ্ন নং - ৪৯ আবুল কালাম ৰছিদ আলম ।

**শ্ৰীপৰিমল শুক্লবৈদ্য, (মীন ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

মাননীয় অধ্যক্ষ ঃ আপুনি চাপ্লিমেন্টৰী কৰক ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মীন বিভাগে অসমত মৎস্য উৎপাদনৰ বাবে বিভিন্ন সময়ত বিভিন্ন আঁচনি গ্ৰহণ কৰে । কিন্তু এই আঁচনিসমূহৰ কিমান শতাংশ সফল হয় আৰু মীন বিভাগ ইয়াক লৈ কিমান সচেতন আজিৰ তাৰিখত প্ৰতিজন ব্যক্তিৰে মনত একোটা প্ৰশ্ন । অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে, এই আঁচনিৰ জৰিয়তে

যিসকল মীন পালক সকলে মৎস্য উৎপাদনৰ ক্ষেত্ৰত কিমান দূৰ আগবাঢ়িব পাৰিছে আৰু আঁচনিৰ দ্বাৰা কিমান উপকৃত হৈছে, কাৰণ নামনি অসমৰ বৰপেটা, গোৱালপাৰা বা বিভিন্ন জিলাত মৎস্য উৎপাদনৰ ক্ষেত্ৰত প্ৰায় বেছিভাগে মানুহ জড়িত । সাধাৰণ যিসকল মৎস্য উৎপাদনৰ লগত জড়িত তেওঁলোকক কিন্তু মীন বিভাগৰ আঁচনিয়ে ঢুকি নাপায় । গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক আহ্বান জনাম যে মীন বিভাগৰ প্ৰত্যেকখন আঁচনিৰ ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই পৰ্য্যবেক্ষণ কৰিব লাগে । যদি কৰা নাই তেনেহ'লে অতি সোনকালে তাৰ ব্যৱস্থা কৰিব লাগে, কাৰণ অসমত এতিয়াও বাহিৰৰ পৰা মাছ আনিব লগা হৈ আছে । এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ তৎপৰতা আমি বিচাৰিছো । দ্বিতীয় কথাটোহ'ল যে প্ৰত্যেক জিলা জিলাই সন্মানীয় বিধায়কসকলক লগত লৈ বিষয়াসকলৰ এটা বৈঠক পাতিব লাগে তেতিয়াহে প্ৰকৃত ছবিখন পাব আৰু নহ'লে বিষয়াসকলে মন্ত্ৰী ডাঙৰীয়াকো মিচগাইড কৰি থকাটো দেখা যায় ।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ।

**শ্ৰীপৰিমল শুক্লবৈদ্য, (মীন ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক আবুল কালাম ৰছিদ আলম ডাঙৰীয়াই কিছুমান কথা ইয়াত উল্লেখ কৰিছে । মই ২০১৬ চনৰ পৰাই এই বিভাগৰ লগত দায়িত্বত আছো । মই ভাবো যে এই সাত বছৰৰ ভিতৰত আজিৰ দিনত যিকোনো ৰাইজে ক'ব পাৰিব যে ৰাজ্যখনত মীন উৎপাদন বাঢ়িছে । আমাৰ বিৰোধী দলৰে বিধায়কে নিজে কৰিমগঞ্জলৈ গৈ এই কথাটোকে ক'লে আৰু এইটো চ'চিয়েল মিডিয়াতো এইটো ভাইৰেল হৈছে । আজিৰ দিনত বজাৰত আহিলে লোকেল বা থলুৱা মাছ দেখিবলৈ পাওঁ । এইক্ষেত্ৰত মই ক'ব পাৰো যে মাছ উৎপাদনত চৰকাৰৰ দৃষ্টি নিবদ্ধ আছে । আজিৰ দিনত অসমত মাছৰ উৎপাদন বাঢ়িছে এইটো আমি আজি ক'ব পাৰো আৰু মাছৰ ক্ষেত্ৰত অসম স্বনিৰ্ভৰশীল হ'বলৈ গৈ আছে । ক'ভিডৰ সময়ত বহু জ্বালা যন্ত্ৰণা অসমৰ ৰাইজে পাইছে । সেই সময়ত বাহিৰৰ পৰা মাছ বা আন বস্তু অনাটো কিমান কষ্টকৰ আছিল । সেই সময়ত কিন্তু থলুৱা মাছ অসমৰ মানুহে বজাৰত পাইছিল । তথাপিও আমি দেখি আছো যে গুৱাহাটীৰ বজাৰত চালানী মাছ আহি আছে, কিন্তু গুৱাহাটীৰ পৰা এই মাছ মেঘালয়, মনিপুৰ মিজোৰাম ইত্যাদি ৰাজ্যলৈ যায় । তাৰ মাজতে কোনো মানুহে যদি স্ব ইচ্ছাৰে চালানী মাছ খায় সেইটো এটা বেলগ কথা । আমি কিমান পুঁজি এই শিতানত দিও ইয়াৰ তথ্য মাননীয় বিধায়ক ডাঙৰীয়াই সুধিছিল আৰু মই ইয়াৰ সম্পূৰ্ণ তথ্য দিছো । মুঠতে বৰ্তমানে প্ৰতিটো ক্ষেত্ৰতে আমাৰ এচিভমেন্ট ভালকৈ হৈ আছে । ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ — কোৱেশ্বন নং - ৫০ , শ্ৰীদিপায়ন চক্ৰৱৰ্ত্তী ।

শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীদিপায়ন চক্ৰৱৰ্ত্তী, (শিলচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো , মই জানো যে বৰাক ভেলীত প্ৰায় ৩০ শতাংশ বিষ্ণুপ্ৰিয়া মনিপুৰী আছে । আৰু তেওলোকৰ এটা ডিমাণ্ড আছিল যে তেওঁলোক চেন্ট্ৰেল অবিচিৰ লিষ্টত আহিব লাগে সেইটো কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্বন আৱাৰ ইছ অভাৰ। আজি কোৱেশ্বন এডমিট হৈছে ।

**এতিয়া কাৰ্য্যসূচী নং ২।**

মই ১৭ এপ্ৰিল, ২০২৩ ৰ পৰা ২০ এপ্ৰিল, ২০২৩ লৈ জিব্ৰাল্টৰত অনুষ্ঠিত চি. পি. এ. ৰ কাৰ্য্যকৰী সমিতি আৰু পৰৱৰ্তী শিক্ষামূলক ভ্ৰমণত অসম বিধান সভাৰ প্ৰতিনিধি সকলৰ অংশগ্ৰহণৰ

প্ৰতিবেদন সদনত দাখিল কৰিছোঁ।

এতিয়া সন্মানীয় সদন, আমাৰ কাটমোচন আছে আজি আৰু আমি কাৰ্য্যউপদেষ্টা সমিতিৰ সিদ্ধান্ত মৰ্মে মঞ্জুৰী নং ২৬ উচ্চ শিক্ষা আৰু মঞ্জুৰী নং ১৪ আৰক্ষীৰ ওপৰত আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। সেই মৰ্মে আমি মঞ্জুৰী নং ২৬ উচ্চ শিক্ষাৰ ওপৰত আমি এতিয়া আলোচনা কৰিম। গতিকে শিক্ষা মঞ্জুৰীৰ ওপৰত আমি কাটমোচনৰ নটিছ পাইছিলো শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ। মই মোভ কৰিবৰ কাৰণে অনুৰোধ জনাইছোঁ।

**শ্ৰীফণীভূষণ চৌধুৰী, (বঙাইগাঁও)** ঃ ছাৰ, আগতে মন্ত্ৰী মহোদয়ে মঞ্জুৰীটো উত্থাপন কৰক।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদন Already supplementary demand in general introduction মানে move কৰি দিছে।

**শ্ৰীফণীভূষণ চৌধুৰী, (বঙাইগাঁও)** ঃ কিমান টকা লাগে, তেওঁৰ যিটো নিৰ্দিষ্ট মঞ্জুৰী শিক্ষাৰ।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে দিয়া নাই, বিত্তমন্ত্ৰীয়ে দিছে। তেখেতে উত্তৰ দিব বিভাগৰ বিষয়টো।

**শ্ৰীফণীভূষণ চৌধুৰী, (বঙাইগাঁও)** ঃ আগতে ছাৰ, এইটো আছিল।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ Already move আৰু introduce হৈ গ'ল। Finance Minister য়ে introduce কৰিলে। হৈ গ'ল।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ অধ্যক্ষ মহোদয়, ২০২৩-২৪ বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৫৭ ৰ পৰা ৬৪ পৃষ্ঠাত থকা উচ্চ শিক্ষা শিতানৰ ২৬ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১৫৩৩৪.৪৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমূদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৫৩৩৪.৪৬ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ ওপৰত পাইছিলো, মই মোভ কৰিবৰ কাৰণে অনুৰোধ জনাইছোঁ।

**ড° ৰফিকুল ইছলাম, (জনীয়া)** ঃ Hon'ble Speaker Sir, I beg to move that the total provision of Rs.15334.46 lakhs under supplementary demand for Grant no.26 in respect of Education Higher at page 57 to 64 of the list of the supplementary demand be reduced by100 that is the amount of the whole supplementary demand of this 15334.46 lakhs to stand reduce by the Rs.100.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মনোৰঞ্জন তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ অধ্যক্ষ মহোদয়, ২০২৩-২৪ বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৫৭ ৰ পৰা ৬৪ পৃষ্ঠাত থকা উচ্চ শিক্ষা শিতানৰ ২৬ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১৫৩৩৪.৪৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমূদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৫৩৩৪.৪৬ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অখিল গগৈ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ অধ্যক্ষ মহোদয়, ২০২৩-২৪ বৰ্ষৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৫৭ ৰ পৰা ৬৪ পৃষ্ঠাত থকা উচ্চ শিক্ষা শিতানৰ ২৬ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১৫৩৩৪.৪৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমূদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৫৩৩৪.৪৬ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীশ্বেৰমান আলী আহমেদ, অনুপস্থিত। এতিয়া আলোচনা কৰো, শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি যি পৰিপূৰক দাবী মঞ্জুৰীৰ শিক্ষা বিভাগৰ দাবী মঞ্জুৰীৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ ভিত্তিত কৰ্তন প্ৰস্তাৱ এটা উত্থাপন কৰিছোঁ। মই আৰু মোৰ সতীৰ্থ সকলে আমাৰ সময়খিনি আপোনাক অৱগত কৰিম কিয় আমি আলোচনাতো বিচাৰিছো শিক্ষাৰ ক্ষেত্ৰত। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত বহুকেইখন নতুন বিশ্ববিদ্যালয়ৰ কথা ঘোষণা কৰা হৈছে আৰু অন্যান্যৰ কাৰণে পুঁজি বিচৰা হৈছে। কিন্তু এইখিনি সময়তে এটা অতি শিক্ষা বিভাগৰ লগত জড়িত শিৱসাগৰ জিলা বিষয়াৰ কথাৰে মই কথাখিনি আৰম্ভ কৰিব বিচাৰিছোঁ। ২০১২ চনত অসম Rajiv Gandhi University of Co-operative Management নামৰ এখন উচ্চ শিক্ষা অনুষ্ঠান IIM Ahmedabad ৰ সহযোগত ভাৰতৰ ভিতৰতে প্ৰথমবাৰৰ বাবে সমবায় শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে অসমত স্থাপন কৰা হৈছিল। আৰম্ভণিতে এই বিশ্ববিদ্যালয় খন সমবায় বিভাগৰ লগত include কৰা হ'ল আৰু সেইখিনি সময়ত যিহেতু সমবায় বিভাগৰ দ্বাৰা শিক্ষানুস্থান তেনেকৈ পৰিচালনা কৰা নহয় এই জন্ম মুহূৰ্তৰ পৰা এই বিশ্ববিদ্যালয় খনে বিভিন্ন বাতৰি নস্যাত কৰা হয় যে বিভিন্ন আন্তঃগাঁঠনি শৈক্ষিক সমস্যাৰ সৈতে যুঁজি আহিছে। আমাক পৰৱৰ্তী সময়ত তাৰ বোৰ্ডৰ সদস্য হিচাপে নমিনিট কৰা হৈছিল, ২০১২ চনৰ পৰা মোৰ শিৱসাগৰ জিলাৰ একেৰাহে মই ২০১১ চনৰ পৰা প্ৰতিনিধিত্ব কৰি আহিছো মাত্ৰ এখন বোৰ্ডৰ সভাত উপস্থিত হোৱা সুযোগ পাইছিলোঁ। যিখন হৈছিল অসম কৃষি বিশ্ববিদ্যালয় গুৱাহাটীৰ কেম্পাছত। তাৰ পৰাই গম পাইছিলো যে এই বিশ্ববিদ্যালয় খনৰ কেনেকুৱা সম্ভাৱনা আছে আৰু ইয়াৰ লগতে এই খনৰ কি কি অসুবিধা হৈছে। আমি জানো গোটেই বিশ্বতে কো-অপাৰেটিভৰ যোগেদি বহুখিনি ডাঙৰ কাম কৰা হয়। নেদাৰলেণ্ডত গাখীৰৰ বিষয়টো বিশ্বত বিখ্যাত উৎপাদনকাৰী, তেখেতে সকলে বহুত কো-অপাৰেটিভৰ যোগেদি কৰা হয়। ঠিক তেনেকৈ আমি সকলোৰে গৌৰৱ কৰো আমুলক লৈ। আমুল গুজৰাটৰ আনন্দ কো-অপাৰেটিভ চোচাইটিৰ হয়। তাৰ নিচিনাকৈ আৰু অন্যান্য সকলেও দুগ্ধ বিপ্লৱ কো-অপাৰেটিভৰ যোগেদি কৰিছিল। আজি কিছুদিন পূৰ্বে কৰ্ণাটকৰ নিৰ্বাচনৰ সময়ত আমি এটা প্ৰতিদ্বন্দ্বিতা দেখিছিলোঁ যে গুজৰাটৰ আমুলে কৰ্ণাটকত ব্যৱসায় কৰাৰ বাবে কৰ্ণাটকৰ এটা ৰাজনৈতিক দলে ইয়াৰ প্ৰতিবাদ কৰিছিল আৰু কৈছিল যে তেওঁলোকৰ নিজৰ কো-অপাৰেটিভৰ প্ৰডাক্ট নন্দিনীক ব্যৱহাৰ কৰিব লাগে। অৰ্থাৎ কো-অপাৰেটিভৰ যোগেদি এনেধৰণৰ প্ৰতিযোগিতা দেখিছিলো ৰাজ্য বিলাকৰ মাজত এটা আগ্ৰাসী মনোভাৱ যে তেওঁলোকে কো-অপাৰেটিভ মোভমেন্টৰ যোগেদি বহুখিনি নিজৰ কৃষক সকলৰ দুগ্ধ উৎপাদনকাৰী সকলৰ অৰ্থনৈতিক এটা ভাল পৰিৱেশ আনিব পাৰে। এই Rajiv Gandhi Co-operative Institute ৰ অধীনত বিশ্ববিদ্যালয়ৰ ৫ খনকৈ স্কুলত School of entrepreneurship management, school of innovation and technology, school of public policy and law, school of culture and media, school of ecology and subsistence নামৰ কেইবাখনো স্কুল আছে। এই স্কুলসমূহৰ যোগেদি যোৱা সময়চোৱাত তেওঁলোকে ভাড়াঘৰৰ পৰা বহুখিনি কাম কৰিছে। বিভিন্ন ১২ টা আগশাৰী প্ৰতিষ্ঠানৰ কেম্পাছ ৰিক্ৰুইটমেন্টত তেওঁলোকৰ ছাত্ৰ-ছাত্ৰী সকলে প্লেছমেন্ট পাইছে। ১৪ টা কৈ অনুষ্ঠানৰ লগত তেওঁলোকৰ internship হৈছে আৰু বিভিন্ন ধৰণৰ research activity কৰাৰ পিছত Ph.D আৰু বিভিন্ন ধৰণৰ কামখিনি হৈছে। আমাৰ এই বছৰৰ বাজেটত

মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে গাঁও পঞ্চায়তৰ সমবায় সমিতি সমূহক Computerization কৰা হ'ব কো-অপাৰেটিভৰ ভিত্তিত মিঠাতেলৰ বিভিন্ন ধৰণৰ উৎপাদন ব্যৱস্থা কৰা হ'ব আৰু কো-অপাৰেটিভ মোভমেন্টটোৱে আমাৰ অসম খনক ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰত অভূতপূৰ্ব যোগদান দিছে বুলি উল্লেখ কৰিছে। আমি সকলোৱে জানো যদি আমি শিক্ষা দীক্ষাৰ যোগেদি কো-অপাৰেটিভক আগবঢ়াই নিব পাৰো তেতিয়াহলে ই আমাৰ গ্ৰামাঞ্চলৰ অৰ্থনীতিৰ এটা বিশেষ পৰিবৰ্তন সাধিব পাৰিব। মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যত কো-অপাৰেটিভৰ অধীনত চুগাৰ মিলকে আদি কৰি বিভিন্ন ধৰণৰ প্ৰতিষ্ঠান আছে। কিন্তু এই বিদ্যালয় খন কো-অপাৰেটিভ বিশ্ববিদ্যালয় মাত্ৰ এবাৰ convocation হৈছিল আৰু এই convocation২৬ এপ্ৰিল, ২০২৩ ত যেতিয়া হৈছিল তাৰ Chancellor অসমৰ ৰাজ্যপাল ডাঙৰীয়াই ইয়াৰ বিষয়ে প্ৰশংসা কৰিছিল আৰু importance of Co-operative management skill ৰ কথা কৈছিল। অৰ্থাৎ আমি skill University খুলিছো যি সময়ত cooperative বিলাক চলাবলৈ যে ভাল এটা পৰিচালনাৰ দক্ষতা লাগে সেই কথাখিনি উল্লেখ কৰিছিল। তেনে সময়ত আমাৰ চৰকাৰখনে কি যুক্তিত এতিয়া এই cooperative University খন প্ৰথম অৱস্থাত তেখেত সকলে কৈছিল cooperative University খন cooperative Departmentৰ ওচৰত আছে কাৰণে আমি একো কৰিব নোৱাৰো। আমি এই cooperative University খন সহায় কৰিম যদি শিক্ষা বিভাগৰ ওচৰলৈ আহে। শিক্ষাবিভাগলৈ নিয়াৰ পিছত এতিয়া এইখন repeal কৰি দিছিল। repeal কৰাৰ কিন্তু এই সময়ত বাজেটত পুঁজিও দেখিছো যে cooperative University খনৰ নামত পুঁজি আৱন্টনো কৰা হৈছে। সেই কাৰণে অসমৰ বা ভাৰতৰ একমাত্ৰ cooperative University খন যাতে repeal কৰা নহয়, মই এই কাটমোশ্যনৰ সময়তে আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। আৰু মোৰ বাকী কথাখিনি আমাৰ অন্যান্য সদস্যসকলৰ মাজত সময়খিনি দিবলৈ মই অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া চক্ৰধৰ গগৈ।

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ ওপৰত বিৰোধীয়ে যি পৰিপূৰক দাবী মঞ্জুৰীৰ কৰ্ত্তন প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱৰ বিৰোধিতা কৰি মই একাষাৰ বক্তব্য ৰাখিব খুজিচো আৰু আপুনি ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, Nelson Mandela ই কৈছিল Education is the most powerful weapon which you can used to change the world.গতিকে শিক্ষাৰ ইমানেই শক্তি আছে যে আমি শিক্ষাৰ যোগেদি গোটেই বিশ্বখনকেই সলনি কৰি দিব পাৰো। আমি অ মানুহ বিলাকক মানুহলৈ ৰূপান্তৰ ঘটাব পাৰো। মানুহ নামৰ এই জীৱ বিলাকক আমি সম্পদলৈ ৰূপান্তৰ ঘটাব পাৰো। গতিকে সেই কাৰণেই শিক্ষাৰ প্ৰয়োজন আছে। আৰু এই শিক্ষা বিভাগটোৰ মাননীয় মন্ত্ৰী গৰাকীয়ে আমাৰ শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সমন্বিত প্ৰচেষ্টাৰে এই বিভাগটোক উজ্জীৱিত কৰাৰ কাৰণে যিখিনি প্ৰয়াস কৰিছে তাৰ বাবে আমি তেখেত সকলক ধন্যবাদ জনাইছো, আৰু অসম চৰকাৰৰ এই উদ্দ্যোগক আমি শলাগ লৈছো। আজি মাননীয় মন্ত্ৰী মহোদয়ে বিত্ত বিভাগে যি ১৫৩৩৪.৪৬ লাখ টকা যি দাবী মঞ্জুৰী উত্থাপন কৰিছিল। মই এইটো ভাবো যে আমাক যদি ভাল শিক্ষা লাগে, তেতিয়াহ'লে আৰু অধিক পইচা দিব লাগে শিক্ষা বিভাগটোক। কাৰণ ভাল শিক্ষা পাবলৈ হ'লে ভাল টকা পইচা আমি invest কৰিব লাগিব। ভালকৈ অনুষ্ঠান শিক্ষানুষ্ঠান বিলাক বনালে তাৰ আন্তঃগাঁথনি যদি ভালকৈ বিকাশ কৰা হয় তেতিয়াহ'লে আমাৰ

ল'ৰা চোৱালী বিলাকে ভাল পৰিৱেশত পঢ়িবলৈ পাব আৰু ভাল পৰিৱেশত পঢ়িলে ভাল শিক্ষা আহৰণ কৰাৰ এটা সুযোগ লাভ কৰিব। সেই কাৰণে আমাক প্ৰয়োজন আছে আৰু এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিশেষকৈ যোৱা আঢ়ৈটা বছৰত তেখেতে বিভিন্ন দিশত সফলতা লাভ কৰিছে। ইতিমধ্যে অসমত কেইবাখনো বিশ্ববিদ্যালয় স্থাপন কৰিবৰ কাৰণে সক্ষম হৈছে। অসমত কেইবাখনো বিশ্ববিদ্যালয় স্থাপন কৰিবৰ বাবে সক্ষম হৈছে আৰু আজি জানি সুখী হ'ব যে সদনৰ সন্মানীয় সদস্যসকলে যে ইতিমধ্যে ৫২ খন কলেজ নিৰ্মাণ কৰি আছো, কিছুমান ইতিমধ্যে কাৰ্য্যক্ষম হৈছে আৰু কিছুমান নিৰ্মাণৰ কাম চলি আছে। গতিকে এখন চৰকাৰৰ দিনত ৫২ খন কলেজ নিৰ্মাণ চলাই থকাটো, কৰি থকাটো ইমান সহজ কথা নাছিল। ঠিক এই গতিৰে যদি পূৰ্বৰ চৰকাৰ বিলাকে স্কুল, কলেজ অসম মূলকত নিৰ্মাণ কৰিলে হয় আজি দেশ স্বাধীন হোৱাৰ ৭৫ -৭৭ বছৰৰ পাছত আমাৰ চৰকাৰৰ হয়তো স্কুল, কলেজ নিৰ্মাণ কৰিবলৈ আমি কোনো সুযোগেই নাপালো হয়। বিগত চৰকাৰৰ দিন বিলাকত তেনেধৰণে স্কুল, কলেজ নিৰ্মাণ ন'হল। এটা স্থবীৰতাৰ মাজেৰে তেখেত সকলে আগবাঢ়িলে , গতিশীলতা নাছিল আৰু সেই কাৰণে এতিয়া আমি স্কুল, কলেজ বিলাক নিৰ্মাণ কৰিব লগা হৈছে। আমি এইটো সুযোগ লাভ কৰি আমি নিজক ধন্য মানিছো। কাৰণ আমি ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত অসমত ২০১৬ চনৰ পৰা যি চৰকাৰ হ'ল, অবিৰত ভাবে এই দুয়োখন চৰকাৰে শিক্ষা বিভাগটোক অতি গতিশীল কৰিবৰ কাৰণে আগভাগ লৈছে আৰু সফলতা লাভ কৰিছে। অতি সম্প্ৰতি আমাৰ মাননীয় বৰ্তমানৰ শিক্ষা মন্ত্ৰী গৰাকীয়েও অতি প্ৰখৰতাৰে তেখেতৰ কাৰ্য্যকৰী দক্ষতাৰে কামখিনি আগুৱাই নিছে আৰু বিভিন্ন অঞ্চলত একেবাৰে ভিতৰুৱ যিবোৰ অঞ্চল আছে, চৰ চাপৰিৰ পৰা ধৰি নামনি অসমৰ একেবাৰে ভিতৰুৱা যিবোৰ অঞ্চল আছিল য'ত মাইনৰিটি লোক সকল অধ্যুষিত ভাবে বাস কৰে সেই অঞ্চল বিলাকত য'ত কলেজ কাহানিও নাছিল, সেই ঠাইবিলাকত আজি কলেজ নিৰ্মাণ কৰিবৰ কাৰণে সক্ষম হৈছে। আমি মাজে মাজে শুনি থাকো ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন চৰকাৰখনে বৈষম্যমূলক ভাবে কাম কৰে বুলি বিৰোধীয়ে আমাক প্ৰায় দোষ দি থাকে। কোৱা হয় যে আমি মাইনৰিটি অধ্যুষিত এলেকাত নাযাওঁ মাইনৰিটি লোকৰ কাৰণে কাম নকৰো। কিন্তু আজি এই ৫২ খন কলেজ যি নিৰ্মাণ কৰি থকা হৈছে, সন্মানীয় বিৰোধী দলৰ সদস্য সকল আপোনালোকৰ জ্ঞাতাৰ্থে মই জনাঁব খুজিছো যে আপোনালোকে ইয়াৰ নামখিনি অধ্যয়ন কৰিব এবাৰ। এই নামবিলাক দেখিব যে ক'ত ক'ত আছে। এই কলেজ সমূহৰ অত্যধিক অৰ্থাৎ সৰহ সংখ্যকেই নামনি অসমৰ মাইনৰেটি অধ্যুসিত এলেকাত নিৰ্মাণ কৰা হৈছে। কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি, ধুবুৰী, গোৱালপাৰা ইত্যাদি কৰি যিখিনি একেবাৰে ভিতৰুৱা কিছুমান গাঁও অঞ্চল আছিল সেই অঞ্চল বিলাকত আজি কলেজ নিৰ্মাণ হৈ আছে আৰু কলেজ মানে আদৰ্শ কলেজ যিখনক মডেল ডিগ্ৰী কলেজ বুলি কোৱা হৈছে। আপোনালোকে জানে যে ২০১৭ চনত আমাৰ চৰকাৰ ২০১৬ চনত গঠন হোৱাৰ পাছত ২০১৭ চনতেই প্ৰস্তাব কৰা হৈছিল দীন দয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়। সেই সময়ত বিৰোধীৰ মাজৰ পৰা অসমৰ কিছু কিছু সংগঠনৰ মাজৰ পৰা প্ৰত্যাহবান আহিছিল যে দীনদয়াল উপাধ্যায়ৰ নামত কিয় কলেজ হ'ব লাগে ইত্যাদি ইত্যাদি বিভিন্ন প্ৰতিবাদ চলিছিল। কিন্তু আজি আমি যেতিয়া সেই সকলোবোৰ প্ৰতিবাদ হোৱাৰ পাছতো যেতিয়া কলেজ স্থাপন কৰিলো, ৭খনকৈ দীনদয়াল উপাধ্যায় মডেল কলেজ স্থাপন কৰা হ'ল আৰু সেই বিলাক ইতিমধ্যে কাৰ্য্যক্ষম হৈ বিভিন্ন এলেকাত শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কাম চলি আছে। তাৰ পিছত আমি গৌৰৱেৰে ক'ব পাৰো যে এইখন চৰকাৰৰ দিনত ৯ খনকৈ কেৱল woman college স্থাপন কৰা হ'ল। যি সময়ত বিৰোধী

দলৰ মানুহে আমাক দোষাৰোপ কৰে যে আমি মহিলাৰ কথা ভবা নাই। Woman empowerment ৰ কথা কোৱা নাই বুলি আমাক দোষাৰোপ কৰে সদনৰ মজিয়াত বিল বিছাৰে তেওঁলোকে। কিন্তু আজি আমি গৌৰবেৰে কৈছো যে এইখন চৰকাৰৰ দিনত মহিলাৰ শিক্ষা বিকাশৰ কাৰণে Woman empowerment ৰ কাৰণে আজি এইখন চৰকাৰৰ দিনত ৯ খনকৈ কলেজ নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। গতিকে এইখন চৰকাৰে অবিৰত ভাবে শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰতাৰ ক্ষেত্ৰত যি কাম কৰিছে, ভৱিষ্যতৰ দিনটো কৰি যাব। আজি ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে বিভিন্ন ধৰণৰ ব্যৱস্থা কৰা হৈছে। এইখনেই প্ৰথমখন স্বাধীন ভাৰতৰ চৰকাৰ, অসমৰ চৰকাৰ যিখন চৰকাৰৰ দিনত সমৰ্থ পৰ্টেলৰ যোগেদি ১ লাখ ৭০ হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰীক অন লাইন এডমিশ্যনৰ ব্যৱস্থা কৰা হ'ল। কোনো ল'ৰা-ছোৱালী স্কুল কলেজলৈ যাব লগা বিশেষ প্ৰয়োজন হোৱা নাছিল। তেওঁলোকে ঘৰতে মোবাইলত চাই বা কম্পিউটাৰত বহি তেওঁলোকে  সমৰ্থ অন লাইন খুলি এডমিশ্যন ল'ব পৰা ব্যৱস্থা এই গৰাকী শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ দিনত সম্ভৱ হৈ উঠিছে আৰু এজন দুজন নহয় ১ লাখ ৭০ হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে স্কুল কলেজত এডমিশ্যন লৈছে। তাৰ উপৰিও যিবিলাক গৰীব পৰিয়ালৰ কৃষক বা শ্ৰমিক, বাগিচাৰ শ্ৰমিকৰ সন্তান, বা গাঁৱৰ কৃষকৰ সন্তান, চৰ চাপৰিৰ কৃষকৰ শ্ৰমিকৰ সন্তান এই সকলে আজি বিনামূলীয়াকৈ এডমিশ্যন ল'বৰ কাৰণে সক্ষম হৈছে। আজি যি সকল ধনী মানুহ তেওঁলোকে বুজি নাপাব যে এটা ল'ৰাই মেট্ৰিক পাছ কৰা বা হায়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ পাছত কলেজত এডমিশ্যন ল'বলৈ যাওঁতে পূৰ্বতে ৬ হাজাৰ বা ৫ হাজাৰ টকা দিবলৈ গৈ  পিতৃ মাতৃ স কলৰ যি অৱস্থা হৈছিল সেই কথা হয়তো আজি সদনৰ মজিয়াত বহি থকা বিৰোধী দলৰ সদস্য সকলে বুজি নাপাব। কিন্তু এইখন চৰকাৰৰ দিনত এই BPL পৰিয়াল বিলাক, দুখীয়া কৃষক শ্ৰমিকৰ পৰিয়াল বিলাকৰ সন্তানক এডমিশ্যন সম্পূৰ্ণ বিনামূলীয়া কৰা হৈছে, আৰু তেওঁলোকে ইতিমধ্যে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা পাবৰ কাৰণে সক্ষম হৈছে। কেৱল ইমানেই নহয়, যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে কলেজ ইউনিভৰচিটি হোষ্টেলত থাকি শিক্ষা দিক্ষা লৈ আছে, সেই কলেজ ইউনিভাৰচিটিৰ শিক্ষা দিক্ষা লৈ বা সেই হোষ্টেলত থকা ল'ৰা-ছোৱালী বিলাকক মাহিলী ১ হাজাৰকৈ টকা দিয়াৰ ব্যৱস্থাও এইখন চৰকাৰে গ্ৰহণ কৰি কাৰ্য্যকৰী কৰিছে। গতিকে সৰ্ব দিশত এই চৰকাৰখনে ইচ্ছা কৰিছে আমাৰ যিখিনি ল'ৰা-ছোৱালী সমাজত ডাঙৰ হৈ আহিছে সিহঁতে উচ্চ শিক্ষিত হৈ ভৱিষ্যতে ভাল মানুহ হওক , প্ৰকৃত মানুহ হওক  এই কথাষাৰ কাৰ্যনিত কৰিবৰ কাৰণে এই চৰকাৰে সঠিক পদক্ষেপ লৈছে। এটা দিন আছিল বহু সময়ত  ল'ৰা-ছোৱালীয়ে এডমিশ্যন ল'ব পৰা নাছিল টকা পইছাৰ অভাৱত। দুখীয়া পিতৃমাতৃয়ে টকা পইছা যোগান ধৰিব নোৱাৰে আৰু তেওঁলোকে এডমিশ্যন ল'ব নোৱাৰে, আৰু সেই কাৰণে নিৰক্ষৰ হৈ বা অৰ্ধশিক্ষিত হৈ তেওঁলোকে বাটে পথে ঘূৰি ফুৰে। এটা দিন আছিল বহু সময়ত ল'ৰা-ছোৱালীয়ে addmission  ল'ব পৰা নাছিল। টকা-পইচাৰ অভাৱত মাতৃ-পিতৃয়ে ল'ৰা-ছোৱালীক admission দিব নোৱাৰে। সেইকাৰণে তেওঁলোক অৰ্ধশিক্ষিত বা নিৰক্ষৰ হৈ বাটে-পথে ঘূৰি ফুৰিব লগীয়া হয়। আজি কোনো ল'ৰা-ছোৱালীয়ে ডিগ্ৰীত মই কেনেকৈ admission ল'ম এই কথাষাৰ ভাবি সন্দিহান হ'ব  নালাগে। সকলোৱে admission লৈ শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে। এই শিক্ষাৰ মাজত নতুনকৈ NEP(New Education Policy) 2020 চনৰ যোগেদি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই শিক্ষাৰ এটা নতুন গতিশীল ব্যৱস্থা আৰম্ভ কৰিছে। এই শিক্ষা কেৱল পাঠ্যক্ৰম ভিত্তিক শিক্ষা নহয়।  এই শিক্ষা ব্যৱস্থাটো practical কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। য'ত কাৰিকৰী শিক্ষা সন্নিবিষ্ট হৈ

আছে। বিভিন্ন ধৰণৰ কৌশলগত যিবিলাক শিক্ষা এই শিক্ষা বিলাক ইয়াত সংযোজিত ঘটাই মানুহ বিলাকক স্বাৱলম্বনৰ দিশত লৈ যাবৰ কাৰণেও এই চৰকাৰখনে ব্যৱস্থা কৰিছে। New Education Policy ৰ যোগেদি উচ্চ শিক্ষাক বিশ্ব ব্যাপ্ত কৰিবৰ কাৰণে, বিশ্বমুখী কৰিবৰ কাৰণে ব্যৱস্থা কৰিছে আৰু সেইকাৰণে এতিয়া আমাৰ অসম মূলুকলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰী আহি অধ্যয়ণ কৰাৰ এটা পৰিবেশ আজি লাভ কৰিছে। আজি যদি আপুনি গুৱাহাটী বিশ্ব বিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ যায় আপুনি দেকিবলৈ পাব যে তাত বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ ছাত্ৰ-ছাত্ৰী আহি অধ্যয়ণ কৰি আছে। এটা সুন্দৰ পৰিবেশৰ মাজেদি তেওঁলোকে শিক্ষা লাভ কৰি নিজ দেশলৈ ঘূৰি যাব। গতিকে এই গোটেই যিখিনি সঠিক ব্যৱস্থা তাত আমাৰ গোটেই শিক্ষা ব্যৱস্থাটোকে গতিশীল ৰূপত লৈ যাবৰ কাৰণে এইখন চৰকাৰে যিখিনি ব্যৱস্থা কৰিছে তাৰ কাৰণে মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু আমাৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক ধন্যবাদ জনাইছো। যদি আমাৰ বিৰোধীয়ে দাবী কৰাৰ দৰে আমাক নতুন নতুন বিশ্ববিদ্যালয়, কলেজ. লাগে, কলেজত যদি নতুন শিক্ষক লাগে, নতুনকৈ যদি নিযুক্তি দিব লাগে তেতিয়াহ'লে আমি এই বিভাগক আৰু অধিক পইচা দিব লাগিব আৰু তেতিয়াহে তেখেত সকলে নতুন নিযুক্তি, নতুন infrastructure Develop কৰি আমাৰ শিক্ষা ব্যৱস্থাটো আৰু অধিক গতিশীল অৰ্থাৎ তৰান্বিত কৰিব পাৰিব। গতিকে মই বিৰোধীৰ সমূহ সন্মানীয় সদস্যক আহ্বান জনাইছো যে আপোনালোকে কেৱল বিৰোধিতাৰ নামত বিৰোধিতা নকৰি এই শিক্ষা বিভাগটোক ১৫০০ নহয় আৰু অধিক কেইবা হাজাৰ কোটি টকা দিবৰ বাবেবে আপোনালোকে দাবী জনাব লাগে। এই সম্পৰ্কত আমাক দুআষাৰ বক্তব্য ৰাখিবলৈ সুযোগ দিয়াৰ বাবে মই পুনৰ মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো যে মোৰ সমষ্টি বৰ্তমান নতুনকৈ গঠিত হোৱা খোৱাং সমষ্টিত আমাৰ বৰবৰুৱা খণ্ডটোত এখনো কলেজ নাই। গতিকে লেজাই অঞ্চলত যদি আপুনি যদি ভৱিষ্যতে নতুনকৈ এখন কলেজ নিৰ্মাণ কৰে তেতিয়াহ'লে আমাৰ খোৱাং সমষ্টিবাসী ৰাইজৰ কাৰণে বহুত উপকাৰ সাধন কৰা হ'ব। এই আহ্বানটো জনাই মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ। নমস্কাৰ।

(মাননীয় সদস্য ৰকিবুল হুছেইন অধ্যক্ষৰ আসনত উপৰিষ্ট)

**শ্ৰী ৰকিবুল হুছেইন, (সভাপতি) ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য চিৰাজ উদ্দিন আজমল।

**Sirajuddin Ajmal :** Respected Sir, at the outset I would like to express my sincere gratitude to you for giving me the opportunity to address this Augst House on cut motion on. Education is the highest priority in Human Civilization and I would like to begin my speech in favour of cut motion by quoting two famous quotes. Education is not preparation for life, education is life itself. The purpose of education is to turn mirrors into windows. Respected Sir, with the new CM and Education Minister with the lot of hope. I would not like to go in the past, but I like to look at best of the things in future. I would say there are many examples behind saying this but I would like to remind the government of one recent example. The Assam government had decided to shut down 34 schools as not a single one of

about 1,000 students from these state run institutes could clear the X state board examination held in March in 2022. Respected sir, recently published reports that the quality of educatiion in the government run primany, middle and high schools in Assam is extremely poor is certainly a casue of concern. It is now high time ot examine the reasons of poor quality of school education in Assam and to find remedial measures. For a student, proper learning in school stage is a must as it shapes his/her future career. What is noticed in the government run primary and high schools in Assam is that the shools have very poor infrastructure like inexperienced teachers, poor classrooms, no teeaching accessories like blackboards, library with a reading room, no toilets and no drinking water facilites that is very very bad. Particularly, majority of teachers in promary and high schools are incompetent for teaching in proper way unfortunately. Even teachers who are competent to teach are never sincere in their teaching works. Ultimately, the students are deprived of getting proper learning in primary and high school stages. Many parents are uneducated and so they are not able to evaluating whether their kids ar learning anything in school. Respected sir, Education is a key in human capital formation. Quality of human resources depends upon the quality of education of a country. All the schools are not accessible to everyone and the education system brings about a division between elite and the masses and it serves to perpetuate the existing inequalities. We have still to go a long way to realize the path of equalization of educational opportunity, the universalization of primary education, women empowerment through education, improvement of cultural environment of the marginalized and oppressed population, solution of unemployment problem etc. Wide spread inequality of education opportunity remains despite the introduction of free and compulsory state education including India. In rural areas usually we see a dismal picture of government schools functioning under administrative and financial constained. Lacunas in infrastructure and pathetic student teacher ratio etc. have been the common feature in Assam in particular. Respected sir, I have so far spoken about state education in general, but now I would like to draw attention of the state government to some educational defects in particular. Challenges of school education in Assam. Unfortunately Assam

has ranked at the boottom amongst 35 states with EDI value of 0.490, while Kerala ranked top in the list with EDI value of 0.708 followed by Delhi second in the list. What better example can be givern than the fact all the efforts of the Assam government in the management of school education have gone astray unfortunately. Really the school education in Assam is facing number of challenges as follows. Alarming Dropout Rate. Improvement of school infrastructure. Untrained and under qualified teachers and rational Deployment. High Absenteeism**.** Lot of student just come to have a Midday Milk they don't comfort school and a lot of teacher are absent from their classes and from training. Low learning achievement. I made some recommendation here. Now, sir, I would like to come to a different level of speck one education a very special case I would like to talk about myself. How I bought improvement in education through my personnel effort. I study in vernacular till standered VI and then transfered to convent to IX standared onwards. I could not speak english properely, so one of my teacher said she was the best teacher in my school. She said you are muslim so can't say in english. I took that challenge and on that day I told her in 6 month I speak fluent in english. I started learning english from best friends in my school. I use to learn every day 26 alphabet with meaning. I became very profession in english language. I also use to learn every day tables from 1 to 50 that thereafter in my business life, I did not require calculator. English from the best students in my school. I used to learn everyday 26 alphabets with meaning. I became very proficient in English language, I also used to learn everyday tables from 1 to 50. Thereafter, in my business life I did not require calculators. Its very important to note that we cannot follow the run of the wheel system. We should do some different type of thinking. My father used to say I am different, I think differently and I do differently. I am Haji Ajmal Ali Ahmedulla's son and I do the same, I follow it up. I advice all the students to do what I used to do, learn 26 alphabets a day with meaning and start learning table upto 50. I had lot of Gujarati and Marathi friend. I used to have conversation with them in Gujarati and Marathi, initially they were laughing but today I am very fluent in Gujarati and

Marathi besides English. So, what I am trying to put here in the House is that when you want to learn something definitely you can achieve it and these are extra qualification which you can gather for yourself. Ajmal CSR runs 52 schools and 32 colleges in Assam and we are doing a lot of supporting work for education in Assam. I utilize every challenge in my life, when I initially started in Assembly as an new MLA, I could not speak properly in the House, some of my collagues in those days today Mashallah they are Ministers, like Hon'ble Minister, Mr. Patowary and Mr. Mahanta, the Hon'ble Health Minister, people like them have helped shape my life. So, we can not only do things for ourselves, we can also shape the life of other people coming in contact with us. With these few lines, I would like to say that and I will also give this in written for the record, I personally feel that Assam needs a lot of improvement in the Education System and with our Hon'ble Education Minister at the helm of affairs, I expect that there will be much more improvement in education in Assam, we have got competition from entire India and we should strive to become one of the best. Thank you.

**শ্ৰী ৰকিবুল হুছেইন, সভাপতি ঃ ঠিক আছে, ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী কৌশিক ৰয়।**

**শ্ৰী কৌশিক রাই (লক্ষ্মী পুর ) ঃ** - মাননীয় সভাপতি মহাশয়, এই কর্তন প্রস্তাবের বিরুদ্ধে এখানে কিছু কথা বলার জন্য দাঁড়িয়েছি। উচ্চশিক্ষার ক্ষেত্রে এই সরকার যেভাবে প্রয়াস নিয়েছেন মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বে এবং আমাদের শিক্ষা মন্ত্রী ড০ রনোজ পেগুর নেতৃত্বে আমরা বলতে পারি যে এটা একটা নজিরবিহীন কাজ। এই উচ্চশিক্ষা বিভাগে আজকের দিনে আমরা লক্ষ্য করতে পারছি যে ভাবে সরকার উচ্চ শিক্ষার ক্ষেত্রে নুতন নুতন কলেজের নির্মাণ, বিশ্ববিদ্যালয় নির্মাণের প্রয়াস ও প্রচেষ্টা শুরু করেছেন সেটা পূর্বে কখনও দেখা যায়নি। আজ এই অধিবেশনে ছয়টি ইউনির্ভাসিটি করার জন্য একটি বিল আনা হয়েছে এবং আমি এখানে বসে দেখছিলাম এবং ভাবছিলাম যে বিগত ৭৫ বছরে বিধানসভাতে এমন কোন অধিবেশন নেই যে অধিবেশনে এভাবে এক সঙ্গে ছয়টি ইউনির্ভাসিটিকে আনার জন্য বিল আনা হয়েছে। আমি মনে করি যে প্রথমবার আমাদের মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বে সরকার এই ব্যবস্থা করেছেন। সাউথ অসমের মধ্যে বরাক উপত্যকার সবচেয়ে পুরোনো কলেজ গুরুচরণ কলেজ, যে কলেজ ১৯৩৭ সালে প্রতিষ্ঠিত হয়েছিল। বিগত কোনো সরকার সেই প্রচেষ্টা বা প্রয়াস করেনি যে গুরুচরন কলেজকে বিশ্ববিদ্যালয়ে উন্নতিকরণ করার প্রয়োজন আছে। আমরা লক্ষ্য করেছি বিশ্ববিদ্যালয় করার জন্য বরাক উপত্যকার মানুষকে কিভাবে আন্দোলন করতে হয়েছিল। কিভাবে বরাক উপত্যকার মানুষ যাতে একটি বিশ্ববিদ্যালয় পান সেজন্য আন্দোলন করেছিল। কিন্তু আজ

এই সরকারের আন্তরিক প্রয়াসে কোন আন্দোলন কোন দাবি ছাড়াই আজ গুরুচরণ কলেজকে বিশ্ববিদ্যালয়ে উন্নতিকরণ করার প্রয়াসে এই বিল বিধানসভাতে আনা হয়েছে এবং এই কলেজের প্রাক্তন ছাত্র হিসাবে আমি খুবই গর্বিত এবং আন্তরিকভাবে সরকারের এই প্রয়াসকে আমি কৃতজ্ঞতা ও ধন্যবাদ জানাচ্ছি। চক্রধর গগৈ মহাশয় বলেছেন বিগত ৭ বছরে ৫২ টি কলেজ স্থাপন করার কাজ এই সরকারের দিনে শুরু হয়েছে। আমরা দেখেছি RUSAওয়ান থেকে ১২ টি কলেজ এখানে হয়েছে। RUSA ২ মাধ্যমে ৫ টি কলেজ এখানে হয়েছে। নেডার মাধ্যমে ৯ টি মহিলা কলেজ এখানে করা হয়েছে। Signature project মাধ্যমে কলেজ হয়েছে। NESID মাধ্যমে নতুন প্রস্তাব নেওয়া হয়েছে। আইন কলেজ স্থাপন করার কাজ চলছে। অনেক সময় আমরা শুনতে পাই যে বরাক উপত্যকাকে সরকার বঞ্চিত করছে , কিন্তু আমি এই বিধান সভায় দাড়িয়ে বলতে পারি যে কংগ্রেস আমলে বরাক উপত্যকাকে বঞ্চনা করা হয়েছিল। বিজেপি সরকার বরাক ও ব্রহ্মপুত্রে সম উন্নয়নে সমভাবে বিকাশ করে যাচ্ছে। আমরা দেখেছি যে ৫২ টি কলেজের মধ্যে বরাক উপত্যকায় ৯ টি কলেজের কাজ আজ করা হচ্ছে। ৯ টি আইন কলেজের মধ্যে ১টি বরাক উপত্যকায় হয়েছে। আমার লক্ষ্মীপুর বিধান সভায় নির্বাচনের সময় আমি বলেছিলাম যে আমি বিধায়ক নির্বাচিত হলে বিন্নাকান্দিতে আমি একটি কলেজ স্থাপনের জন্য চেষ্টা করব। কিন্তু আমি ভাবতে পারিনি যে মাত্র ২ বছরের কার্য্যকালের মধ্যে অর্থাৎ ২০২২ সালের নভেম্বর মাসে যখন শিলচরে কেবিনেট অনুষ্ঠিত হয় এবং সেই কেবিনেটে মাননীয় মুখ্যমন্ত্রী কাছাড় জেলার ধলাই এবং আমার বিধান সভা সমষ্ঠি লক্ষ্মীপুরে ২ টি জায়গাতে ২টি কলেজ করার প্রস্তাব দিলেন। আজ সেটা টেন্ডার হয়ে বাস্তবায়িত হওয়ার পথে এগিয়ে গেছে। মাননীয় মুখ্যমন্ত্রীকে আমি অশেষ ধন্যবাদ জানাই যে বরাক উপত্যকার জন্য যে একটি আইন কলেজর প্রস্তাব হয়েছিল, সেটিও আমার বিধানসভা সমষ্টি লক্ষ্মীপুরে কাজ আজকে চলছে । আমরা গতকাল শুনেছি মাননীয় শিক্ষামন্ত্রী রণোজ পেগু মহাশয় বিধানসভায় বলেছেন যে ১২৬ টি বিধান সভা কেন্দ্রে ২ টি করে হাই বা হাইয়ার সেকেণ্ডারী স্কুল যেগুলো আছে সেগুলো নির্মান করার জন্য সরকার সেগুলোতে কাজ শুরু করবে। প্রত্যেক শাসক পক্ষ ও বিরোধী পক্ষ দুই পক্ষের কাছ থেকে তালিকা তৈরী করে প্রত্যেকের বিধান সভাতে যাতে দুটি করে হাই বা হাইয়ার সেকেণ্ডারী তৈরী করা হয় তার জন্য নতুন বিল্ডিং স্থাপনের জন্য সরকার যে ৫/৬ কোটি টাকা করে সরকার ব্যবস্থা করেছে। আমি মনে করি এই সরকার পরিকাঠামো উন্নতিকরণের জন্য যেভাবে কাজ করে যাচ্ছে বিগত দিনের সরকার সেভাবে কাজ করেনি। ২০২১ সালে কোভিডের সময় মেট্রিকে পাশের হার বেশী ছিল। এই পাশের হার বেশী হওয়ার ফলে মেট্রিক পাশের পর কোথায় গিয়ে ছাত্র-ছাত্রীরা এডমিশন নেবে সেটা একটা অসুবিধা হয়েছিল। অনেক জায়গাতেই সেই পরিকাঠামো সীমাবদ্ধ ছিল, এডমিশন কোথায় পাবে সেই সমস্যা ছিল। কিন্তু আমরা দেখেছি যে যেখানে পরিকাঠামোর ব্যবস্থা ছিল সেই জায়গায় হাইস্কুলগুলোকে হাইয়ারসেকেণ্ডারীতে উন্নীতকরণ করার প্রয়াস করা হয়েছিল। আমি ২০২১ সালে বিধায়ক নির্বাচিত হয়েছি। ১৯৪৭ সালের পর থেকে ২০২১ সাল পর্যন্ত আমার বিধান সভায় মাত্র ৩ টি হাইয়ার সেকেণ্ডারী স্কুল ছিল। এই সরকার আসার পর আরও তিনটি হাই স্কুলকে হাইয়ার সেকেণ্ডারীতে উন্নীতকরণ করার যে ব্যবস্থা করা হয়েছে সেইজন্য আমি সরকারকে ধন্যবাদ জানাই। অসমে অনেক কলেজ ছিলো যেগুলো Net aggregation ছিলনা কিন্তু মাননীয় মুখ্যমন্ত্রী বলেছিলেন যে প্রত্যেক কলেজকে Net aggregation মাধ্যমে যেতে হবে, এবং সেটার জন্য প্রয়াস শুরু হয়। বিভিন্ন কলেজ তাদের পরিকাঠামো তৈরীর জন্য

ব্যবস্থা শুরু করে। ডি এইচ ই র পক্ষ থেকেও বিভিন্ন ওয়ার্কশপ, সেমিনার করা হয় যাতে সেই কলেজগুলো Net aggregation জন্য এপ্লাই করতে পারে সেই ব্যবস্থা করা হয়েছে। আমরা ইতিমধ্যে দেখেছি যে শিক্ষক দিবসের দিনে ৯টি কলেজ এপ্লাস পেয়েছে, ২০ টি কলেজ এ পেয়েছে, ২৪ টি কলেজ বিপ্লাস পেয়েছে, ৪২ টি কলেজ বিপ্লাস, ৭৮টি কলেজ বি, ২৫ টি কলেজ সি, এভাবে শিক্ষাক্ষেত্রকে এগিয়ে নিয়ে যাওয়ার যে প্রয়াস সেই প্রয়াসকে আমি ধন্যবাদ জানাই। সবশেষে আমি মাননীয় মন্ত্রীমহোদয়ের দৃষ্টি আকর্ষণ করব যে আমার বিধান সভায় নেহেরু কলেজ নামে সবথেকে পুরনো একটি কলেজ আছে সেই কলেজে বিজ্ঞাণ শাখা চালু করা হয় সেই ব্যবস্থা করার জন্য অনুরোধ রাখলাম। ২০২১ সালে ভেনচার যেগুলো হাইস্কুল ছিল সেগুলোতে অনেকগুলো পোষ্ট সেংশন করে সেগুলোকে টেকআপ করা হয়েছে। কিন্তু অনেককে টিউটর হিসাবে নেওয়া হয়েছে, কিন্তু আমি অনুরোধ করব যে যারা শিক্ষিত আছেন, তাদের টিউটর থেকে যেন শিক্ষকে রূপান্তরিত করা হয়। উনারা যে দীর্ঘদিন সমাজকে যে সার্ভিস দিয়ে আসছেন, অনেক ছেলে-মেয়েকে যেভাবে তারা মানুষ করেছেন, তাদের এই প্রয়াসকে আমরা যাতে ধন্যবাদ জানাতে পারি সেই অনুরোধ রাখবো। বিগত ২ বছরে আমরা লক্ষ্য করেছি ১৮৮৯ অ্যাসিসটেন্ট প্রফেসার নিযুক্ত করা হয়েছে , তার ফলে কলেজে প্রফেসারের সংখ্যা যে কম ছিল তাকে আমরা মুকুব করতে পারি সেই চেষ্টা হয়েছে। বিরোধীদের এই কর্ত্তন প্রস্তাবকে তীব্র ভাষায় বিরোধিতা করে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**শ্রী ৰকিবুল হুছেইন, (সভাপতি) ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) ঃ** মাননীয় সভাপতি মহাশয় অসমের বিধান সভা খুব সুন্দর হয়েছে। খুব সুষ্ঠ পরিবেশ। কিন্তু বিধান সভায় আমরা যারা আছি তাদের সবার মানসিকতাও সুন্দর হতে হবে। আমাদের শিক্ষামন্ত্রী খুব ভালো মানুষ। কিন্তু দুই-এক জন মন্ত্রী আছেন যারা এমন সব কথা-বার্তা বলেন যেগুলো বলা উচিত নয়। কিছু অহংকারী কথা-বার্তা বলা হয়, কিন্তু অহংকার পতনের মূল হয়। আজ আমি কিছু বক্তব্য শুনতে পারলাম, সেই বক্তব্য শোনার পর মনে হল ২০১৬ সালের আগে আমাদের কোনও বিশ্ববিদ্যালয় ছিল না, স্কুল-কলেজ ছিল না, অর্থাৎ ২০১৬ সালে বিজেপি সরকার আসার পর থেকেই বিশ্ববিদ্যালয়, স্কুল-কলেজ সব স্থাপিত হল। অর্থাৎ শৈক্ষিক পরিবেশের সৃষ্টি হল। তার আগে কিছু ছিল না। কিন্তু বাস্তবে কি তাই? গুরুচরণ কলেজকে বিশ্ববিদ্যালয় করা হচ্ছে। কিন্তু গুরুচরণ কলেজ কোন সালে হয়েছিল সেটাও দেখতে হবে । সেই সময়কে আপনারা ধন্যবাদ জানান, যে সময়ে নানা প্রতিকূল পরিবেশের মধ্যে গুরুচরণ কলেজ স্থাপিত হয়েছিল, যাদের প্রচেষ্ঠায় আমি এবং আপনারা এই বিধান সভায় দাড়িয়ে দুটা কথা বলতে পারছি তাদের ধন্যবাদ জানান। আপনারা আজকে এমন একটা পরিবেশ সৃষ্টি করছেন যেনো সব স্কুল, কলেজ ও বিশ্ববিদ্যালয় এখনই সৃষ্টি হল, আগে কিছু ছিল না। A good education is a foundation for a better future. All India survey of higher education কেন্দ্রীয় শিক্ষা মন্ত্রক এই survey টা করে। ২০২০- ২০২১ সমীক্ষা যেটা সেই সমীক্ষা আমি তুলে ধরছি। বিশেষ করে উচ্চ শিক্ষার হার খুব কম। Gross enrollment ratio অর্থাৎ ১৮ থেকে ২৩ বছরের মধ্যে ছাত্র যারা কলেজ ও বিশ্ববিদ্যালয়ে পড়েন সেটার হার যদি দেখি তাহলে ভারতবর্ষের হার হচ্ছে ২৭.৩। আমি ইউরোপ ও আমেরিকার কথা বলছি না। আমি দক্ষিণ আমেরিকার দেশগুলোর কথা বলছি সেখানে Gross enrollment ratio হার হচ্ছে ৫০। অসমের অবস্থা ভয়ঙ্কর। অসমে ১৭.৫ শতাংশ যেখানে দিল্লীতে

৪৭.৬, তামিলনাডুতে ৪৬.৯ এবং কেরেলাতে ৪৩.২। যদি আমরা ভারতবর্ষের প্রেক্ষাপটে অসমের কথা বলি তাহলে অসমের হার হচ্ছে ১৭.৩ শতাংশ। ভারতবর্ষের রাজ্য এবং কেন্দ্রশাসিত ৩৬ টা অঞ্চলের যে তালিকা সেই তালিকার একদম নিচের থেকে চার নম্বরে অসমের স্থান। সভাপতি মহাশয় শৈক্ষিক পরিবেশকে ঠিক করতে হবে। আমি বক্তব্য দিলাম কিন্তু আমার বক্তব্যে শৈক্ষিক পরিবেশ ঠিক হবে না। তার জন্য সরকারের মানসিকতার দরকার। সভাপতি মহাশয় আমি একটা পরিসংখ্যান তুলে ধরছি। ১ হাজার ৮০৯ কিলোমিটার বিস্তৃত অঞ্চল নিয়ে করিমগঞ্জ জেলা । করিমগঞ্জ কলেজ ১৯৪৫ স্থাপিত হয়। সেই কলেজে বিজ্ঞান, কলা এবং বাণিজ্যিক এই তিনটি শাখাই আছে। করিমগঞ্জ জেলার সাউথ-ইষ্টে ত্রিপুরা বর্ডার এবং নর্থ-ইষ্টে মিজোরাম বর্ডার। করিমগঞ্জ জেলা থেকে যদি ত্রিপুরা বর্ডারে যাওয়া যায় তাহলে ৬০ থেকে ৬৫ কিলোমিটার আর মিজোরাম বর্ডারে যাওয়া হলে ৮০ কিলোমিটার। এই বিস্তৃত অঞ্চলে কোন একটি কমার্স কলেজ নেই। কিন্তু দুঃখ এবং লজ্জার সঙ্গে বলতে হচ্ছে পণ্ডিত দীনদয়াল স্কিমে পাথারকান্দি স্বামী বিবেকানন্দ কলেজ চাংখিরা ৭ থেকে ৮ কিলোমিটার এরিয়া দূরত্বে তিনটি বিজ্ঞান শাখার কলেজ, সেখানে কিন্তু একটাও কমার্স কলেজ নেই। ৮০ থেকে ৯০ কিলোমিটার এরিয়া দূরত্বে একটিও কমার্স কলেজ নেই। পক্ষান্তরে আমরা যদি দেখি করিমগঞ্জ থেকে শিলচর অবধি এবং করিমগঞ্জ থেকে মেঘালয় বর্ডার অবধি ৬৫ থেকে ৮০ কিলোমিটার সেই বিস্তৃত অঞ্চলে একটাও বিজ্ঞান কলেজ নেই। দুঃখের সঙ্গে বলতে হচ্ছে রাজনৈতিক দৃষ্টিভঙ্গি বাদ দিয়ে শৈক্ষিক পরিবেশের বাতাবরণ সৃষ্টি করতে হবে। আমরা দেখলাম যে একটা সমষ্টিতে তিনটি বিজ্ঞান কলেজ হয়েছে । দুঃখের সঙ্গে বলতে হচ্ছে বদরপুরের নবীন চন্দ্র কলেজ সেখানে ২০০৬ সাল থেকে তারা বে-সরকারি ভাবে বিজ্ঞান শাখা চালু করে ক্লাশ করছেন। সেখানে গোল্ড মেডেলিষ্ট, ফাষ্ট ডিভিশন, ভালো ভালে নাম্বার পেয়ে ছেলেমেয়রা পাশ করছে। কিন্তু আমরা দেখতে পারছি যে এই বিস্তৃত অঞ্চলে একটাও বিজ্ঞান শাখার কলেজ নেই, কিন্তু একটা জায়গায় তিনটা বিজ্ঞান কলেজ দেওয়া হয়েছে। এটা কি আপনাদের সবকা বিকাশ সবকা সাথ ? ভোটের সময় আমরা রাজনীতি করব, কিন্তু শিক্ষার ক্ষেত্রে রাজনীতি নয়। আমি মাননীয় শিক্ষা মন্ত্রী মহোদয়ের কাছে একটা অনুরোধ করছি যে আমাদের বদরপুরের নবীন চন্দ্র কলেজে একটা বিজ্ঞান শাখা খোলা হোক। ৭-৪-২০২৩ অসম সরকারের মিটিং হয়েছিল। মিটিংএ আপনারা সবাই ছিলেন। মিটিং এর উদ্দেশ্য একটাই যে শিক্ষার ক্ষেত্রে আমরা যাতে পয়সার অপচয় না করি। মন্ত্রী মহোদয়ের কাছে আমি অনুরোধ করছি যে শিক্ষার বাতাবরণ সৃষ্টি করা হোক। আমি এখানে একটি কথা বলতে চাই যে আমরা যদি পারফিউমের দোকানে যাই সেখানে পারফিউম না কিনলেও পারফিউমের গন্ধ আমাদের গায়ে চলে আসে। সেভাবে যদি আমরা কয়লার ডিপোতে যাই তাহলে কয়লা না ধরলেও গায়ে কালি লেগে যায়। পরিবেশ সভাপতি মহাশয়, আজ যদি শিক্ষা প্রতিষ্ঠান করা হয়, শিক্ষার বাতাবরণ সৃষ্টি হয় তাহলে মানুষ শিক্ষিত হবে। আর যদি মদের দোকান বেশি হয় তাহলে মানুষ মদারী হবে। আমাদের মুখ্যমন্ত্রী সব সময় বিধানসভায় বলে থাকেন অরুণোদয় আচঁনিতে ৩ লাখ বাড়ানো হল, ৫ লাখ বাড়ানো হল। আমাদের মুখ্যমন্ত্রী বলেছেন যে বিহু করিয়ে বিশ্ব রেকর্ড করবেন, আপনারা ১ কোটি গাছ লাগাবেন, কোথা থেকে ফাণ্ড আসবে কি আসবে সেটা আমি বলতে চাই না। কিন্তু সেগুলো নিয়ে আমাদের আপত্তি নেই। কিন্তু দুঃখের সঙ্গে আমি বলছি আমাদের মুখ্যমন্ত্রী বা সরকার তো কোনদিন বলেন না যে আমরা সংকল্প করবো যে আমরা হাইয়ার এডুকেশনে ১৭ থেকে ২০ শতাংশ ছাত্র-ছাত্রীরা যাতে আসতে পারে সেই ব্যবস্থা করবো। সেই ব্যবস্থা তো আপনারা করেন

নি। সহৃদ ফাণ্ড টা আপনারা বন্ধ করে দিলেন। আমার সমষ্টিতে ইঞ্জিনিয়ার পর্বের ছেলেরা আমাকে ফোন করে জিজ্ঞাসা করে, স্যার আমাকে কি আর্থিক সাহায্য দেওয়া যাবে? আর্থিক সাহায্য পেলে আমি ইঞ্জিনিয়ারিং পড়তে চাই। সেই টাকাটা বন্ধ না করে আপনারা একটা গাইডলাইন করে দিতে পারতেন যে উচ্চশিক্ষার জন্য অর্থাৎ মেডিকেল , ইঞ্জিনিয়ার, বা উচ্চ শিক্ষার জন্য টাকা দেওয়া হবে। আপনারা কোন শিক্ষা চাইছেন যে শিক্ষায় আপনাদের রাজনৈতিক লাভ হয়। রাজনৈতিক দৃষ্টিভঙ্গি নিয়ে কাজ করবেন না। কাজ করতে হলে শৈক্ষিক পরিবেশ নিয়ে কাজ করুণ। আমাদের শাসক দলের বিধায়রা হয়তো বলবেন যে বিধায়ক যে কথাগুলো বলেছেন সেটা মোটেই ঠিক নয়। এটাই গণতন্ত্র। কিন্তু আমি সেই দৃষ্টিভঙ্গী নিয়ে বলছি না। আমি বলছি যেখানে শিক্ষা সেখানে যেনো রাজনীতি করা হয় না। আমি দেখেছি যে শিক্ষা মন্ত্রী মহাশয় বলেছেন যে অনেক সমষ্টিতে একটা একটা স্কুল দেওয়ার জন্য সেটা আমি অস্বীকার করি না। আমি সব শেষে একটি কথাই বলব যে সবাইকে নিয়ে চলতে হবে। শিক্ষার ক্ষেত্রে রাজনীতির উর্দ্ধে গিয়ে যাতে আমরা কাজ করতে পারি, এবং অসমের শিক্ষা ব্যবস্থা যাতে এগিয়ে যায় এবং অসমকে ভারতবর্ষের মধ্যে একটা শ্রেষ্ঠ রাজ্যে পরিণত করা যায় সেই সংকল্প নিয়ে আমি আমার বক্তব্য শেষ করলাম।

**শ্ৰী ৰকিবুল হুছেইন, (সভাপতি) ঃ** মাননীয় শ্ৰী ৰূপক শৰ্মা।

**শ্ৰীৰূপক শৰ্মা, (নগাওঁ) ঃ** মাননীয় সভাপতি মহোদয়, অসম চৰকাৰৰ উচ্চ শিক্ষাৰ ওপৰত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সম্পূৰ্ণ বিৰোধিতা কৰি মোক দুআষাৰ ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো। শিক্ষা হৈছে এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। এটা জাতি বা এখন ৰাজ্য আগুৱাই যাবলৈ হ'লে শিক্ষাৰ মানদণ্ড উন্নত কৰিবই লাগিব। আমি দেখা পাইছো যে, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াৰ প্ৰচেষ্টাত আমাৰ চৰকাৰখনে শিক্ষাৰ ক্ষেত্ৰত এক আমোল পৰিৰৰ্তন কৰিবলৈ সক্ষম হৈছে। উচ্চ শিক্ষাৰ এক পৰিৱেশ গঢ়িবলৈ সক্ষম হৈছে। এফালে অংগনবাড়ী কেন্দ্ৰ, প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈকে যি উন্নতি গ্ৰহণৰ প্ৰচেষ্টা, তাৰ শলাগ ল'বই লাগিব। আমি আচৰিত হৈছো এটা সময় আছিল যেতিয়া এখন বিশ্ববিদ্যালয়, মেডিকেল কলেজ, ইঞ্জিনীয়াৰিং কলেজৰ প্ৰতিষ্ঠাৰ কাৰণে অসমৰ ৰাইজে আন্দোলন কৰিবলগীয়া হৈছিল কিন্তু আজিৰ তাৰিখত আজি এই বিধান সভাতেই ৬ খনকৈ বিশ্ববিদ্যালয়, যি আমাৰ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়ক উন্নতিকৰণৰ যি প্ৰচেষ্টা তাৰ বাবে ৬ খন কৈ বিল উত্থাপন কৰাটো আমাৰ কাৰণে এক ইতিহাস। এক গৌৰৱৰ কথা। ইয়াত পুজি কৰ্তন কৰিব লাগে নে পুঁজি আমি আৰু বঢ়াই দিব লাগে। ইতিমধ্যে আমাৰ কেইবাজনো বিধায়কে কৈছে যে, ৫০ খনকৈ বেছি মহাবিদ্যালয় স্থাপন কৰা এক সীমিত সময়ৰ ভিতৰত আৰু য'ত আজি প্ৰত্যেকখনে হয় কৰবাত NAAC (National Assessment and Accreditation Council) ৰ মূল্যাংকন A+ য়েই হওঁত, B+ য়েই হওঁক ইতিমধ্যে মূল্যাংকন হৈছে আৰু মই সভাপতি মহোদয়ক অসমৰ পৰিৱেশৰ কথা এইকাৰণেই কৈছো যে ছাত্ৰ-ছাত্ৰী সকলে এটা সময়ত তেওঁলোকৰ যি সপোন, সেই সপোনবোৰ কেতিয়াও সফল হ'ব পৰা নাছিল, কাৰণ এটা সময় আছিল যে ধন নিদিলে হয়তো চাকৰি নাপাইছিল। APSC ৰ সেই কথাবিলাক য'ত কেৰল ধনৰ লেন-দেনৰ বিনিময়ত বা পিছদুৱাৰেদি চাকৰি পাবলৈ সক্ষম হৈছিল। কিন্তু এতিয়া ছাত্ৰ-ছাত্ৰী সকলে উপলব্ধি কৰিছে যে আমি ভালকৈ পঢ়িব লাগিব। এতিয়া মেধাসম্পন্নৰ যুগ। তেওঁলোকৰ সপোনবোৰ যে ফলিয়াব এতিয়া সেইটো ইতিমধ্যে প্ৰতিফলিত হৈছে। আমি দেখা পাইছো। সেই ধৰণৰ কথা-বতৰাবোৰৰ কাৰণে আজিৰ তাৰিখত এটা শিক্ষাৰ পৰিৱেশ দিয়াতো আমাৰ কাৰণে

অত্যন্ত দৰকাৰ। সভাপতি মহোদয়, ৬ খন বিশ্ববিদ্যালয়ৰ কাৰণে এই বিধান স ভাতেই বিধেয়ক উত্থাপন কৰিছে। নগাওঁ ম হাবিদ্যালয় ইয়াৰেই ভিতৰত আছে. সভাপতি মহোদয়, আপুনি নগাওঁ জিলাৰ এজন বিধায়ক। নিশ্চয় আপুনিও গৌৰৱান্বিত হ'ব। এনে এটা পৰিৱেশত য'ত নগাওঁ শিক্ষাৰ ক্ষেত্ৰত প্ৰাণকেন্দ্ৰ স্বৰূপ বুলি আমি সদায় উপলব্ধি কৰো। যেতিয়া উচ্চশিক্ষাত যাবলগীয়া হয় গুৱাহাটী বিশ্ববিদ্যালয়েই হওঁক বা ডিব্ৰুগড় বিশ্ববিদ্যালয়েই হওঁক বেলেগ বেলেগ ঠাইত আমি যাবলগীয়া হয়। কিন্তু সেই পৰিৱেশ আজি এইখিনি সময়ৰ ভিতৰতে আগত আছিলে য'ত তিনিখন বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয় ,ডিব্ৰুগড় বিশ্ববিদ্যালয় বা বড়োলেণ্ডত। তাৰপাছত এতিয়া ১২ খনকৈ বিশ্ববিদ্যালয় যি ধৰণে স্থাপন হৈছে, সেইটো আমাৰ কাৰণে অতি গৌৰৱৰ বিষয়। সভাপতি মহোদয়, আমি যদি চাওঁ, উচ্চ শিক্ষাৰ বাবে দৰিদ্ৰ সীমাৰেখাৰ তলত ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া নামভৰ্তিৰ ব্যৱস্থা কৰি দিছে। কাৰণ সেই গাওঁৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকল যাৰ উচ্চ শিক্ষাৰ কাৰণে এটা হাবিয়াস আছে, যাৰ কেৱল আৰ্থিক অৱস্থা ভাল নহয়, তেওঁলোকে উচ্চ শিক্ষা ল'ব নোৱাৰিছিল। যাৰ ফলত আজি তেওঁলোকক বিনামূলীয়া নামভৰ্তি কৰাৰ বাবে সুযোগ দিয়াৰ ফলত আজি সেই মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী যিসকল আৰ্থিক ভাৱে দুৰ্বল, তেওঁলোকে জীৱনত সপোন দেখিবলৈ সক্ষম হৈছে। কেৱল সেয়াই নহয় উচ্চ শিক্ষাৰ বাবে হোষ্টেলত থকা সকলো ছাত্ৰ-ছাত্ৰীক ১০ মাহত ১০ হাজাৰ টকাকৈ কিতাপ কিনাৰ বাবে ১২,৪৫০ টকাকৈ সাহায্য প্ৰদান কৰিছে। লগতে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষা গ্ৰহণ কৰি থকা অ', বি, চি ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদান কৰা হৈছে। মোৰ নগাওঁ জিলাত আপুনি দেখা পাইছে নগাওঁ জিলাৰ অপ্ৰাদেশীকৃত ৫ খন মহাবিদ্যালয় ইতিমধ্যে প্ৰাদেশীকিকৰণ কৰা হৈছে ক্ৰমে, আপোনাৰ সমষ্টি চামগুৰি, নৈনে, বৰদোৱা, শ্ৰীমন্ত শংকৰদেৱ মহাবিদ্যালয় আৰু জুৰীয়া মহাবিদ্যালয়, নগাওঁৰ পলিটেকনিক আৰু ITI অত্যাধুনিক কৰিতোলা হৈছে।

মাননীয় সভাপতি মহোদয়, ইয়াৰ লগতে ইতিমধ্যে নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত এটা ইতিহাস হৈছে। যিধৰণে এই চৰকাৰখনে কোনো ধনৰ লেন-দেন নোহোৱাকৈ, ৰাজনৈতিক হস্তক্ষেপ নোহোৱাকৈ ৮৬ হাজাৰ নিবনুৱাক সংস্থাপন দি যি এক ইতিহাস ৰচিলে ই আমাৰ কাৰণে গৌৰৱৰ বিষয়। ২০২১ চনৰ মে' মাহৰ পৰা, এই চৰকাৰৰ আৰম্ভণিৰ পৰা ১,৪৮৯ গৰাকী অধ্যাপক নিযুক্তি প্ৰদান কৰা হৈছে। একেধৰণে ১৮৭ গৰাকী তৃতীয় বৰ্গ আৰু ৪২১ গৰাকী চতুৰ্থ বৰ্গৰ চাকৰি ইতিমধ্যে মহাবিদ্যালয় সমূহত প্ৰদান কৰা হৈছে। আমি ১০ কোটি টকাৰ এটা চিগ্‌নেচাৰ প্ৰজেক্ট পাইছিলো। তাত কোনোবাই ৰাস্তাৰ কাম কৰিব পাৰে, কোনোবাই শিক্ষানুষ্ঠান আদিৰ কাম কৰিব পাৰে। মই দেখিলো যে অসমৰ ৯ খন চিগ্‌নেচাৰ প্ৰজেক্টত মডেল কলেজ স্থাপন কৰাৰ বাবে চেংচন হৈছিল। তাত এজনো বিৰোধী নাই। গতিকে মহাবিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত বা শিক্ষাৰ ক্ষেত্ৰত কিমান সদিচ্ছা আছে, দেখিবলৈ পোৱা গৈছে। আগৰ পৰিৱেশতো ইতিমধ্যে গম পোৱা গৈছে যে শিক্ষানুষ্ঠান গঢ় দিয়াৰ ক্ষেত্ৰত বিৰোধী আগ্ৰহী নাছিল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় সভাপতি মহোদয়, মানে ২০১৬ চনৰ পিছতহে সকলো শিক্ষানুষ্ঠান হৈছে নেকি?

**সভাপতি ঃ** আপোনাৰ ভাষণৰ সময়ত আপুনি ক'ব।

**শ্ৰী ৰূপক শৰ্মা, (নগাওঁ) ঃ** মাননীয় সভাপতি মহোদয়, মই ৯ খনৰ নাম ক'ব পাৰো-লাহোৱাল, ৰাতাবাৰী, পাথাৰকান্দি, ৰাঙাপাৰা, মাৰ্ঘেৰিটা, লামডিং, সৰুপথাৰ, ৰঙিয়া আদি যোৱা সময়ছোৱাত চিগ্‌নেচাৰ প্ৰজেক্টত হোৱা মডেল কলেজৰ নাম। যিধৰণে কলেজ স্থাপনৰ ক্ষেত্ৰত এই চৰকাৰখনে

মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত আৰু মাননীয় মন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াই শিক্ষানুষ্ঠান গড় দিয়াত মনোনিৱেশ কৰিছে আৰু আগবাঢ়ি গৈছে তাৰ বাবে আমি শলাগ লৈছো। আমাৰ ৰাজ্যখন, আমাৰ জাতিটো আগুৱাই যাব হ'লে আৰু নৱ প্ৰজন্মক উচ্চ শিক্ষাৰে শিক্ষিত কৰিব হ'লে আৰু পুঁজিৰ প্ৰয়োজন আছে। গতিকে ইয়াত আৰু পুঁজি দিয়াৰ দৰকাৰ আছে। আমি নগাওঁত মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱ আৰু মাননীয় মন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াৰ সদিচ্ছাত ইয়াত এখন বিশ্ববিদ্যালয় পালো, চিকিৎসা মহাবিদ্যালয়ৰ কাম আৰম্ভ হৈছে আৰু যোৱা ১ চেপ্তেম্বৰৰ পৰা শিক্ষা বৰ্ষ আৰম্ভ হৈছে আৰু ইঞ্জিনিয়াৰিং কলেজৰ কাম আৰম্ভ হৈছে। ইয়াৰ বাবে মই তেওঁলোকক ধন্যবাদ জনাইছো। যিহেতু নগাওঁ জিলাখন এখন কৃষিপ্ৰধান ঠাই, সেয়েহে কৃষিবিশ্ববিদ্যালয় স্থাপনৰ বাবে অনুৰোধ জনাইছো। শেষত পুনৰবাৰ মই চৰকাৰখনক ধন্যবাদ জনাইছো আৰু বিৰোধীক কৰ্তন প্ৰস্তাৱ উঠাই ল'বৰ বাবে অনুৰোধ জনাইছো। ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন, (সভাপতি) ঃ** এতিয়া মাননীয় সদস্য ড° ৰফিকুল ইছলাম ডাঙৰীয়াই কওঁক।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় সভাপতি মহোদয়, মোক কৰ্তন প্ৰস্তাৱৰ সপক্ষে ক'বলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। আজি হাইয়াৰ এডুকেশ্যনৰ পাৰ্টটোৰ ওপৰত কৰ্তন প্ৰস্তাৱ অনা হৈছে।

**শ্ৰী ৰকিবুল হুছেইন, (সভাপতি) ঃ** মাননীয় সদস্য সকল মই এটা কথা ক'বলৈ বিচাৰিছো যে বক্তৃতা দি থকা অৱস্থাত আগেৰে যাতে কোনো সদস্য নাযায়। মই দেখিছিলো যে আমাৰ চিৰাজউদ্দিন আজমল ডাঙৰীয়াই বক্তৃতা দি থাকোতে তেওঁলোকৰে মাননীয় সদস্য এজনে মূৰটো তল নকৰাকৈ গৈছে। সেইটো অলপ দেখিবলৈ বেয়া হয়। এই কথাখিনি আমি অলপ চাব লাগে।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় সভাপতি মহোদয়, যিসময়ত আমাৰ চন্দ্ৰযান সফল হৈছে, সূৰ্য্য নিৰীক্ষণ কৰাৰ বাবে আদিত্য এল-১ পঠিয়াইছো। সেইসময়ত আমাৰ বৃটিছৰ দিনত introduce কৰা বিষয়সমূহ কলেজ আৰু বিশ্ববিদ্যালয়সমূহত এতিয়াও চলি আছে। ISRO যদি আমি চাওঁ বাঙ্গলুৰু বা অন্য ৰাজ্যৰ তুলনাত অসমৰ দুই-এজনেহে যোগদান কৰিছে। মই সেই বিজ্ঞানীসকলক ধন্যবাদ জনাইছো। আমি যদি আৰু বেছি সংখ্যক পঠিয়াবলৈ বিচাৰো তেতিয়া আমাৰ সেই পুৰণিকলীয়া বিষয়সমূহ চলি থাকিলে 'দিল্লী বহুত দূৰ হ্যায়' । মই মাননীয় শিক্ষামন্ত্ৰীক অনুৰোধ কৰিম যাতে নতুন নতুন বিষয় যিসমূহৰ এতিয়া বহুত ডিমাণ্ড আছে যেনে-Computer course, Artificial Intelligence আদি চলি আছে। আমাৰ ছাত্ৰ-ছাত্ৰীয়ে JEE qualify হয়, কিন্তু ভাল বিষয় নোপোৱাৰ বাবে তেওঁলোক নাযায়। তেওঁলোকে কোনো ব্যক্তিগত কলেজত ভাল বিষয় পঢ়ি ওলাই আহে। তেওঁলোকে নিজৰ পছন্দৰ বিষয়টো নোপোৱাৰ বাবে IIT লৈ কেতিয়াবা নাযায়। গতিকে আমাৰ বিশ্ববিদ্যালয় কলেজসমূহত যদি বেলেগ বেলেগ ৰাজ্যৰ লগত তুলনা কৰি ভাল বিষয় introduce নকৰো তেতিয়াহ'লে অসমখন পিছুৱাই থাকিব আৰু আমি আগুৱাই যাব নোৱাৰিম। এইটো মোৰ এটা পৰামৰ্শ থাকিল। মই কলেজসমূহৰ প্ৰাদেশিকীৰণৰ কথা ক'ব বিচাৰিছো। যোৱা কংগ্ৰেছ চৰকাৰৰ দিনত আৰু বি জে পি চৰকাৰৰ দিনতো নতুনকৈ কিছু কলেজ প্ৰাদেশিকীৰণৰ কাৰণে লোৱা হ'ল। এই কলেজসমূহ কেনেদৰে চলিছে? NAACৰ Inspection বহুত কলেজত কৰিব পৰা নাই। কাৰণ তেখেতসকলৰ ওচৰত সেই আন্তঃগাঁথনি নাই। বহু ডিগ্ৰী কলেজ আছে য'ত ১২-১৫ জন শিক্ষকেৰে চলি আছে। তাত শিক্ষক ২৫-৩০ জন আছে। কিন্তু তাৰ ১২-১৫ জন শিক্ষকৰহে প্ৰাদেশীকৃত হ'ল, বাকী সকলৰ নহ'ল। তেওঁলোকে

২০-২৫ বছৰৰ পৰা কাম কৰি আছে, কোনোবা হয়তো অৱসৰ ল'বলৈ হৈছে। তেওঁলোক কিহৰ কাৰণে বাদ পৰিল। কিছুমানৰ বোলে subject conqurence নাই, কিছুমান বিভাগৰ conqurence নাই। কিন্তু তাত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্ত্তি কৰি আছে আৰু শিক্ষকসকলে বিনা বেতনে কাম কৰি আছে। সেয়েহে এই বিষয়ে চৰকাৰে গুৰুত্বসহকাৰে চিন্তা কৰিব লাগে। আমি ডিগ্ৰী কলেজ প্ৰাদেশিকীৰণৰ কৰিলো কিন্তু subject conqurenceবা বিভাগৰ conqurence নোহোৱা বা কিছুমান সৰু-সুৰা কথাৰ বাবে সুৰুঙা উলিয়াই যিসকল শিক্ষক আমি বাদ পেলালো সেইটো আমি কৰিব নালাগে। যিহেতু তেওঁলোকে ২০১০ চনৰ পৰা তেওঁলোকে চলাই আছে তেওঁলোকৰ পদসমূহ প্ৰাদেশিকীৰণৰ কৰিব লাগে। এই শিক্ষকসকলৰ পদসমূহ প্ৰাদেশিকীৰণৰ হ'লে ছাত্ৰ-ছাত্ৰী তথা কলেজ আৰু আমাৰ শিক্ষা ব্যৱস্থাও উপকৃত হ'ব। নতুনকৈ প্ৰাদেশীকৃত কলেজৰ বিষয়ে মোৰ এইখিনি ক'বলগীয়া আছিল। পুৰণি কলেজসমূহত নতুন নতুন বিষয় introduce কৰি সেইসমূহ আপডেট কৰিব লাগে। আমাৰ গুৱাহাটী বিশ্ববিদ্যালয় আছে, মইয়ো তাৰ ছাত্ৰ আছিলো আৰু মোৰ তাত পঢ়োৱাৰো সৌভাগ্য হৈছিল। আমি গুৱাহাটী বিশ্ববিদ্যালয়ক দিল্লী বিশ্ববিদ্যালয়ৰ লগত ফেৰ মাৰিব পৰা চিন্তা এটা আমি কৰিব লাগিব। আমি গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়ক লৈ গৌৰৱ কৰো। কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এতিয়াও Paid Department চলি আছে। অন্য বিভাগসমূহতকৈ Paid Department ত ছাত্ৰ-ছাত্ৰীসকলে বেছি মাছুল দিব লাগে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সেই বিভাগসমূহ আমি সম্পূৰ্ণৰূপে চৰকাৰীকৰণ কৰিব নোৱাৰো নেকি? তেতিয়াহ'লে ছাত্ৰ-ছাত্ৰীসকলে কম মাচুল দি পঢ়িব পাৰিব। গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি অন্যান্য যিখিনি বিশ্ববিদ্যালয়, বিশেষকৈ নতুনকৈ যিখিনি বিশ্ববিদ্যালয় ঘোষণা কৰা হ'ল-হোজাই, টেগৰ বিশ্ববিদ্যালয়, বজালী বিশ্ববিদ্যালয় তাত কলেজ থাকোতে যিখিনি বিষয় আছিল তাৰ লগত মাত্ৰ দুই-এটা বিষয়হে সংযোজন কৰা হৈছে। নতুনকৈ যিখিনি বিশ্ববিদ্যালয় ঘোষণা কৰা হ'ল তাৰ বাবে আমি ভাল পাইছো কিন্তু এইখিনি ঘোষণাতে সীমিত থাকিলে ন'হ'ব। তাত ভাল ভাল বিষয় introduce কৰি অসমৰ ল'ৰা-ছোৱালীখিনিক পঢ়াৰ সুবিধা কৰি দিব লাগে। ধুবুৰী, গোৱালপাৰা, কৰিমগঞ্জ, কাৰ্বি আংলং, ডিমা হাচাও, চিৰাং, বাগ্‌সা, ওদালগুৰি, বৰপেটাত এখনো বিশ্ববিদ্যালয় নাই। বৰপেটা জিলাত ৩২ খন কলেজ আছে, ধুবুৰীত ২০ খনৰ অধিক কলেজ আছে। কিন্তু তাত এখনো বিশ্ববিদ্যালয় নাই। এই সমূহত বিশ্ববিদ্যালয় দিয়াৰ বাবে অনুৰোধ জনাইছো। কোকৰাঝাৰত এখন বিশ্ববিদ্যালয় হৈছে আৰু এখন ঘোষণা কৰিছে আমি ভাল পাইছো। এখন ধুনীয়া স্কুল ৫০ বিঘা মাটিত আপোনালোকে জনীয়া সমষ্টিৰ বেকী নদীৰ ওচৰত বনাইছে আৰু মাননীয় সদস্যসকলে চাই আহিছে। মই বৰপেটাৰ জনীয়াৰ বিধায়ক হিচাপে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে তাত বেকী মানাহ বিশ্ববিদ্যালয় হিচাপে বৰপেটাৰ জনীয়া সমষ্টিত এখন বিশ্ববিদ্যালয় ঘোষণা কৰাৰ বাবে অনুৰোধ জনাম। মাননীয় সভাপতি মহোদয়, মই কলেজৰ কথাখিনি কৈছিলো, New Provincialized College খিনিত যিসকল non-teaching staff আছে, তেওঁলোকৰ বাবে কোনো condition নাই যে তেওঁলোকক NET/SLET লাগিব। Librarian বা 3rd Grade, 4th Grade যি সকল আছে, তেওঁলোকক সামান্য মাননী দি কাম কৰাই আছে। মই ভাৱো এইটো injustice কৰা হৈ আছে। শিক্ষা মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম যে এই কলেজবোৰত যিবোৰ non-teaching staff আছে, তেওঁলোকক ২০১৩ ৰ আগত প্ৰাদেশিকীকৰণ কৰা কলেজৰ non-teaching staff এ যি হাৰত দৰমহা পাইছিল সেইটো হাৰতে এই লোকসকলোকো দিব লাগে। আজিৰ বিষয় স্কুল

শিক্ষা নহয় যদিও এটা কথা ক'ব বিচাৰিছো যে স্কুলবোৰত কম্পিউটাৰৰ শিক্ষকক সামান্য মাননী দি most temporary basis ত তেওঁলোকৰ দ্বাৰা কাম চলাই আছে। আমি যদি কম্পিউটাৰ বিষয়টোৰ ওপৰত গুৰুত্ব নিদিওঁ তেন্তে আমি কেনেকৈ আগবাঢ়িম ? গতিকে, যিবোৰ স্কুল-কলেজত কম্পিউটাৰ শিক্ষকবোৰক নিয়োগ কৰা আছে, তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰি ভাল হাৰত তেওঁলোকক দৰমহা দিব লাগে। প্ৰাদেশীকৃত কলেজৰ টিউটৰ সকলে সামান্য মাননীৰে কলেজত পঢ়াই আছে। লগৰ শিক্ষক সকলে ১-১.৫ লাখ টকা দৰমহা পায় কিন্তু তেওঁ ১০-১৫ হাজাৰ টকা দৰমহা পায়। গতিকে, মই ভাৱো এই বিষয়টো বিবেচনা কৰিব লাগে। তেওঁলোকক টিউটৰৰ পৰা upgrade কৰিব লাগে... interruptions ........

**শ্ৰী ৰকিবুল হুছেইন, (সভাপতি) ঃ** শেষ কৰক।

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** হয় সভাপতি মহোদয়, শেষ কৰিছো। স্কুলৰ কিছু কথা ক'ব লাগিছিল, এক মিনিটত কৈ শেষ কৰিম। স্কুলৰ কথা কোৱাটো আজি ঠিক নহয় কিন্তু শিক্ষাৰ ওপৰতে যিহেতু আলোচনা হৈ আছে, তাৰ লগত সংগতি ৰাখি কৈছো যে এল.পি.ৰ পৰা কলেজলৈকে বহু শিক্ষকে স্কুল পাতি ২০-২৫ বছৰ ধৰি পৰিশ্ৰম কৰি আমাৰ ল'ৰা-ছোৱালীক পঢ়াইছে। আমি সকলোৱে এইটো মানো। কিন্তু, বহু এল.পি., এম.ই., হাইস্কুলৰ শিক্ষক, বহু আৰবী, হিন্দী পদৰ শিক্ষক, বহু কলেজৰ শিক্ষকৰ subject concurrence নোহোৱাৰ বাবে, DISE Code, issue date নথকাৰ বাবে বহু শিক্ষকৰ পদ এতিয়া বাদ পৰিছে। গতিকে, এইখিনি বিবেচনা কৰিবৰ কাৰণে মোৰ মন্ত্ৰী মহোদয়লৈ অনুৰোধ থাকিল। ইয়াৰ বাটটো বন্ধ কৰিব নালাগে। আনহাতে, OPS-NPS ক লৈ এক সাংঘাতিক প্ৰতিবাদ চলি আছে। মানুহে পুৰণি পেঞ্চন ব্যৱস্থাটো পছন্দ কৰে। বহু কেইখন ৰাজ্যত পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ বলৱৎ কৰিছে। তেওঁলোকক NPS নালাগে। নতুন পেঞ্চন ব্যৱস্থাটো বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থাৰ আওঁতাত স্কুল-কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষকক অনাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইখিনিকে মই মোৰ কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত কৈ মোৰ আলোচনা শেষ কৰিছো। ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন, (সভাপতি) ঃ** ধন্যবাদ।

মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** মাননীয় সভাপতি ডাঙৰীয়া, বিৰোধী দলে উচ্চ শিক্ষাৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে মই ইয়াৰ বিৰোধিতা কৰি তাৰ সপক্ষে কিছু বক্তব্য ৰাখিব বিচাৰিছো। ইতিমধ্যে শাসক-বিৰোধী দুয়োফালৰ পৰাই মাননীয় সদস্য সকলে কিছু কথা অৱগত কৰিছে। আমি বিশেষভাৱে লক্ষ্য কৰিছো যে ভাৰত স্বাধীন হোৱাৰ পিছৰ পৰা শিক্ষা বিভাগৰ বিশেষকৈ, উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিগত সাতটা বছৰে যি ধৰণে প্ৰণালীবদ্ধ ভাৱে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে, সঁচাকৈয়ে মই যথেষ্ট সন্তুষ্টি প্ৰকাশ কৰিছো। দ্বিতীয়তে, ২০২১ চনৰ পিছত আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আৰু শিক্ষা মন্ত্ৰীৰ প্ৰচেষ্টাত এই আঢ়ৈ বছৰত শৈক্ষিক দিশত আন্তঃগাঁথনিৰ ক্ষেত্ৰতেই হওঁক বা শৈক্ষিক সম্প্ৰসাৰণৰ ক্ষেত্ৰতেই হওঁক, যথেষ্টখিনি গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। বিশেষ ভাৱে মই আমাৰ শিক্ষা মন্ত্ৰীক এজন বিচক্ষণ মন্ত্ৰী বুলি ক'ব বিচাৰিছো। কাৰণ তেখেতৰ কম কাৰ্য্যকালৰ ভিতৰতে শৈক্ষিক দিশত যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে, মই ভাৱো তেখেতে ভাৰিব নোৱাৰাকৈ কিছু কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিছে। শিক্ষাৰ ক্ষেত্ৰত যি পৰিৱৰ্তন আনিব লাগিছিল, যি সংস্কাৰ সাধন কৰিব লাগিছিল, তেনেধৰণৰ পৰিৱৰ্তন আৰু সংস্কাৰ হোৱা নাই বুলি দুই-এজন মাননীয় সদস্যই ক'ব বিচাৰিছে। আপোনালকে জানে যে ভাৰতবৰ্ষত বিভিন্ন সময়ত ৰাষ্ট্ৰীয় শিক্ষা

নীতি ঘোষণা কৰি আহিছে আৰু বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে ২০২০ চনত নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ঘোষণা কৰিছে। আমি যদি নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ভালদৰে অধ্যয়ন কৰো, তেনেহ'লে মই ভাৰো যে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ভাৰতবৰ্ষৰ লগতে আমাৰ ৰাজ্যখনতো শৈক্ষিক দিশত এক বিপুল পৰিৱৰ্তন অনাৰ বাবে সক্ষম হ'ব। এক আমোল সংস্কাৰ সাধনৰ বাবে নিশ্চয় এক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। মই আঢ়ৈটা বছৰৰ যিখিনি তথ্য পাইছো, সেই তথ্যৰ ভিত্তিত দুটামান কথা ক'ব বিচাৰিছো। শাসকীয় দলৰ দুই-তিনিগৰাকী মাননীয় বিধায়কে ইতিমধ্যে কিছু কথা অৱগত কৰিছে আৰু ময়ো ক'ব বিচাৰিছো যে বিগত আঢ়ৈটা বছৰৰ ভিতৰতে আজি প্ৰায় ৫২ খন মহাবিদ্যালয়, মডেল ডিগ্ৰী কলেজ, মডেল ডিগ্ৰী মহাবিদ্যালয় আৰু মডেল মহাবিদ্যালয় আজি স্থাপন কৰিবলৈ সক্ষম হৈছে। বহুখিনি কলেজৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে, কিছু বাকী আছে, সেইখিনিও কৰিবৰ বাবে ইতিমধ্যে প্ৰচেষ্টা হাতত লৈছে। সৰ্বমুঠ ৫২ খন মহাবিদ্যালয়ৰ ভিতৰত প্ৰায় ৩৫ খন মান Model Degree College কৰা হৈছে। ঠিক তেনেকৈ, প্ৰায় ১০ খন New Model College কৰা হৈছে। তাৰোপৰি, প্ৰায় ৯ খন Model Women College ও কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ বিৰোধী দলে সদায় এটা কথা কয় যে বৈষম্যমূলক নীতি এই চৰকাৰখনে গ্ৰহণ কৰিছে। কিন্তু, মই আপোনালোকক লিষ্টখন পাঠ কৰি দিম। যিসমূহ Model Degree College, Govt. Model College আৰু যিখিনি Women College লোৱা হৈছে, সেইসমূহ কলেজ যদি চাঁও তেতিয়া হ'লে যিখিনি একেবাৰে পিছপৰা জিলা বা অঞ্চল, তাত কোনো শাসক বিৰোধী বুলি গণ্য কৰা নাই। সেইবিলাক ঠাইত এই কলেজবিলাক স্থাপন কৰা হৈছে। এই কলেজবিলাকৰ জৰিয়তে আজি অনুন্নত অঞ্চল বিলাকত এই কলেজবিলাকৰ জৰিয়তে আজি অনুন্নত পিছপৰা অঞ্চলবিলাকত শৈক্ষিক দিশৰ বিকাশ আৰু উন্নয়ণৰ ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা বুলি মই ক'বই লাগিব। তাৰোপৰি আপোনালোকে জানে যে আমাৰ যি ৯ খন মডেল কলেজ লোৱা হৈছে NESIDS ৰ জৰিয়তে সেই কলেজ কেইখন ক'ত স্থাপন কৰা হৈছে মই ক'ব বিচাৰিছো - নগাওঁৰ কলিয়াবৰত, গোলাঘাটৰ দেৰগাওঁত, পশ্চিম কাৰ্বি আংলঙত, কাচাৰৰ ঢলাইত, কাচাৰৰ লক্ষিপুৰত,ওদালগুৰিৰ কলাইগাৱঁত, ধুবুৰীৰ নয়াৰ আলগাত, চিৰাং বিজনীৰ পানবাৰীত,মেৰাপানী গোলাঘটত আৰু যোৰহাটৰ মৰিয়ণীত। গতিকে ইয়াৰ পৰাই প্ৰতিপন্ন হৈছে যে আজি এইখন চৰকাৰৰ বিশেষকৈ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই আজি য'ত শিক্ষাৰ পোহৰ পৰা নাই, যি একেবাৰ অনুন্নত অঞ্চল সেই অঞ্চল সমূহত কোন দলৰ বিধায়ক আছে এই কথাসমূহ নোচোৱাকৈ আজি কিন্তু এই কলেজবিলাক স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও যিসমূহ Women College আজি অনুমোদন হৈছে সেইখিনি হৈছে কাচাৰৰ সোনাই, নগাওঁৰ বটদ্ৰৱা, বৰপেটাৰ চেঙা, দৰঙৰ মঙ্গলদৈ, ধুবুৰীৰ গোলকগঞ্জ, বৰপেটাৰ জলেশ্বৰ, ধুবুৰীৰ বিলাসীপাৰা, হাইলাকান্দি আৰু কৰিমগঞ্জ। এইবিলাকে এইটোৱে কথা প্ৰতিপন্ন কৰিছে যে আমি সমগ্ৰ ৰাজ্যখনৰ চুকে কোনে আমাৰ যিসকল ছাত্ৰ-ছাত্ৰী আছে, যিসকলে জ্ঞানৰ পোহৰ পোৱা নাই তেওঁলোকক জ্ঞানৰ পোহৰ দিসয়াৰ উদ্দেশ্যৰে আজি এনেধৰণৰ ব্যৱস্থা এইখন চৰকাৰে গ্ৰহণ কৰিছে। আজি যদি আমি চাওঁ বহু বছৰ ধৰি কলেজ বিলাকত শিক্ষকৰ নিযুক্তি হোৱা নাছিল, তৃতীয়-চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ নিযুক্তি হোৱা নাছিল কিন্তু ২০২১ চনৰ মে' মাহৰ পিছত প্ৰায় ১৪৮৯ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি দিয়া হৈছে, ১৮৭ গৰাকীক grade-III ত নিযুক্তি দিয়া হৈছে আৰু grade-IV ত প্ৰায় ৪২১ গৰাকীক নিযুক্তি দিয়া হৈছে। মোৰ নিজৰ সমষ্টিতে কলেজ সমূহত কৰবাত ৮-১০ জন পৰ্য্যন্ত প্ৰফেচাৰ নাছিল কিন্তু এতিয়া সেই সমূহত যিমান খালী পদ আছিলে সেইসমূহ পূৰণ কৰা হৈছে। গতিকে এইটো এটা উল্লেখযোগ্য ব্যৱস্থা।

শৈক্ষিক দিশৰ ওপৰত এইখন চৰকাৰে গুৰুত্ব আৰোপ কৰিছে গতিকে মই বিশেষভাৱে অনুৰোধ জনাইছো যে হয়, আপোনালোকে cut-motion দিছে কিন্তু তাৰকাৰণে আজি আমি এই কথাখিনি কোৱাৰ সুযোগ পাইছো। কিন্তু যিয়ে নহওক আমি ১০০ টকা হ্ৰাস কৰি নহয়, ১০০ টকা বৃদ্ধি কৰি এই যিটো cut-motion আনিছে তাৰ বিৰুদ্ধে লগতে cut-motion ৰ সপক্ষে আপোনালোকে সমৰ্থণ জনাব বুলি আশা ৰাখি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**শ্ৰী ৰকিবুল হুছেইন, (সভাপতি) ঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী সুমন হৰিপ্ৰিয়া।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় সভাপতি মহোদয়, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই cut motion সমৰ্থণ জনোৱা বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মই cut-motion ৰ বিপক্ষে কৈছো। কিন্তু আমাৰ যিটো grant আনিছে তাৰহে সপক্ষে কৈছো।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো) ঃ** মাননীয় সভাপতি মহোদয়, Higher Education ৰ বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই ক'ব বিচাৰিছো যে আমি সকলোৱে জানো যে যুগৰ পৰিৱৰ্তন হৈছে। Higher Education ৰ ক্ষেত্ৰত কৰ্তন প্ৰস্তাৱ অনাটো সমিচীন নহয় কাৰণ it is the backbone of our society.তেনে ক্ষেত্ৰত মই এই কৰ্তন প্ৰস্তাৱ তীব্ৰভাৱে বিৰোধ কৰো। কাৰণ আমি সকলোৱে জানো যে এখন দেশ শীৰ্ষত উপনীত হ'বলৈ এটা সবল অৰ্থনীতি লাগে, আধুনিক গতিশীল শিক্ষা ব্যৱস্থা লাগে আৰু কিছু সংস্কাৰৰ প্ৰয়োজন হয়। আমি যিহেতু অৰ্থনৈতিকভাৱে প্ৰগতিৰ দিশত আগবাঢ়ি গৈ আছো তাৰবাবে আমাক এটা উন্নতমানৰ এনেকুৱা ধৰণৰ work force লাগে যিটো man power with skill training, practical learning, deeply rooted on our traditional value system.এইটো নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সপোন আছিল। তেখেতে বিশ্বাস কৰে যে New Education Policy is the requirement of modern developed India and education has the power to change the destiny of our society. আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমৰ শিক্ষাৰ ক্ষেত্ৰত এটা পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিছে, এটা পৰিৱেশ আনিবলৈ চেষ্টা কৰিছে। ইতিমধ্যে আমি বহুকেইখন মডেল কলেজৰ কথা গম পাইছো। যোৱাকালি Members' Hour ত নতুন বিধায়ক যিটো speech আছিলে তাত আমাৰ বিলাসীপাৰাৰ বিধায়কৰ লগতে আন এজন বিধায়ক আছিলে তেওঁলোক দুজনে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। লগতে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে নায়াৰ আলগা চৰত যি minority new model college স্থাপনৰ কথা কৈছে গতিকে মই ভাৱো ইয়াত ৰাজনীতি হোৱা নাই। যিসমূহ Women College প্ৰস্তাৱিত হৈছে বা কাম আৰম্ভ হৈছে সেয়া চেঙা আৰু বৰপেটাত হৈছে। গোলকগঞ্জ, জলেশ্বৰ, বিলাসীপাৰা, হাইলাকান্দি, কৰিমগঞ্জ আদিত হৈছে। গতিকে শিক্ষাৰ ক্ষেত্ৰত সকলোকে একেভাৱে চোৱা হৈছে। এইটোৱে আমাৰ চৰকাৰখনৰ বৈশিষ্ট্য, মুখ্যমন্ত্ৰী মহোদয়ৰ পৰিচয়। শিক্ষাৰ ক্ষেত্ৰত যি আমূল পৰিবৰ্তন কৰা হৈছে সেয়া historical.গতিকে এইটো সকলোৱে support কৰিব লাগে। এতিয়া student ৰ practical ability ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে,

what they want to do and what they can do and what they have got the potential to do.গতিকে আমি work force সৃষ্টি কৰিবলৈ গৈ আছো। এতিয়া শিক্ষা purely practical হ'ব with skill development হ'ব। গতিকে এইটোক কয় এটা quality based education system. Higher Education নেহে তেনেকুৱা ধৰণৰ quality based education system আনিবলৈ সক্ষম হ'ব। সকলোতকৈ ডাঙৰ কথা quality base education system আনিবলৈ এটা ডিমাণ্ড আহিছে যে assessed to good education. এই কাম কৰিবলৈ যাওঁতে আমি infrastructure development ৰ ওপৰত গুৰুত্ব দিবলগা হৈছে। তেতিয়া আমি যিমান কলেজ আছে সেই সমূহত we are going to introduce multi disciplinary system সকলো ধৰণৰ, ইয়াত হয়তো যোগা থাকিব পাৰে, physical education থাকিব পাৰে বা বেলেগ vocational training scheme, hospitality management, hotel management এইবিলাক থাকিব পাৰে। গতিকে যেতিয়া ইমানবিলাক stream আহিব তেতিয়া কিমান infrastructure ৰ প্ৰয়োজন হ'ব? আমি সিমানখিনি school boundary, labouratory system, staff colleges, staff quarters এই সকলোবিলাকৰ বাবে আমাক বহুখিনি বাজেটৰ প্ৰয়োজেন হ'ব। গতিকে মই ভাৱো investment in education system য়ে আমাক ভৱিষ্যতে rich dividend দিব। গতিকে এইটো আমি সকলোৱে বিশ্বাস কৰো। **মই এইখিনিকে ক'বলৈ আগবাঢ়িছো যে, আমাৰ মডেল কলেজত যিটো** Multidisciplinary skill introduce **হ'বলৈ গৈ আছে তাত আমি** unemployed educated youth

**আমি গঢ়িবলৈ যোৱা নাই । আমি** skilled youth **বনাবলৈ গৈছো য'ত তেওলোকে নিজে কিবা এটা কৰি জীবিকা উলিয়াব পাৰে । গতিকে আমাৰ দেশৰ ভৱিষ্যত আগবঢ়াবলৈ আমি এটা নতুন যুগলৈ গৈ আছো । গতিকে তেনেক্ষেত্ৰত হায়াৰ এডুকেশ্যনৰ বাজেট কৰ্ত্তন এটা আমাৰ শিক্ষা আৰু ভৱিষ্যতৰ প্ৰগতিত এটা বাধা বুলি আমি ভাবো । সেই কাৰণে মই সন্মানীয় বিৰোধীসকলক কৰ্ত্তন প্ৰস্তাৱ উঠাই ল'বলৈ অনুৰোধ জনাইছো। তেওঁলোকে ইতিমধ্যে শিক্ষকৰ কথা ক'লে । শিক্ষক নাই বুলি কৈছে কিন্তু শিক্ষক আমি কিমানখিনি এপইন্ট কৰিছো আমি ১৪৮৯ জন এচিচটেন্ট প্ৰফেছ'ৰ মে ২০২১ ৰ পৰা আমি এপইন্ট কৰিছো , তাৰ লগতে গ্ৰেড - থ্ৰি ১৮৭ আৰু গ্ৰেড-ফোৰ- ৪২১ বন এপইন্ট কৰা হৈছে। গতিকে আমাৰ যিখিনি শিক্ষক আহিব সেই শিক্ষকখিনি ট্ৰেইন হ'ব লাগিব। নিউ স্কীলৰ বিষয়ে নিউ মাল্টি ডিচিপ্লিনেৰী স্কীলৰ বিষয়ে অৱগত হ'ব লাগিব। গতিকে আপোনাৰ জৰিয়তে ৰিকুৱেষ্ট কৰিম আমাৰ শিক্ষা বিভাগক যে — টিছাৰ ট্ৰেইনিং ইনষ্টিটিউট – বা তেনেকুৱা ধৰণৰ আমাক ঠাইয়ে ঠাইয়ে লাগিব। যিহেতু নতুন স্কীল আহিব, নতুন চাৱজেক্ট আহিব , নিউ জেনেৰেশ্যনে নতুন শিক্ষা ব্যৱস্থা পাব গতিকে টিছাৰ সকলোকো উপযুক্ত কৰিবৰ বাবে টিছাৰ টেইনিঙ ইনষ্টিটিউট আমাক যথেষ্ট খিনি লাগিব। গতিকে হায়াৰ এডুকেশ্যনত আৰু অধিকবাজেট দাবী কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো । ধন্যবাদ ।**

**শ্ৰী ৰকিবুল হুছেইন, (সভাপতি) ঃ ধন্যবাদ এতিয়া অনাৰেবল্ মেম্বাৰ দিগন্ত বৰ্মন ।**

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ সভাপতি মহোদয়, আজি উচ্চ শিক্ষা বিভাগৰ কৰ্ত্তণ প্ৰস্তাৱ সন্দৰ্ভত মই বক্তব্য দিবলৈ ওলাইছো - আমাৰ দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৱে আমাৰ জাতীয় জীৱনত উচ্চ শিক্ষাৰ ভূমিকা সম্পৰ্কে এলাহাবাদ বিশ্ববিদ্যালয়ৰ সমাৱৰ্ত্তন উৎসৱত কৈছিল যে, বিশ্ববিদ্যালয় মানে মানৱতা ,সহিষ্ণুতা তথা যুক্তি, বিশ্ববিদ্যালয়ৰ অৰ্থ হৈছে চিন্তাৰ**

অগ্ৰগতি, বিশ্ববিদ্যালয় মানে হৈছে চিন্তাৰ অন্বেষণ । উচ্চৰ পৰা উচ্চতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে মানৱ জাতিৰ অন্তহীন যাত্ৰা , বিশ্ববিদ্যালয় তাৰেই প্ৰতীক । বিশ্ববিদ্যালয়সমূহে সঠিক কৰ্ত্তব্য সঠিক ভাবে পালন কৰিলেহে এখন দেশ উন্নতিৰ শিখৰত যাব পাৰে । আৰু সেই কাৰণে আমাৰ চৰকাৰসমূহে বহু কলেজক ইতিমধ্যে বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ কাৰণে চেষ্টা কৰিছে বা উন্নীত কৰিছে । আমাৰ চৰকাৰে আকৌ ৫-৬ খন কলেজক বিশ্ববিদ্যালয়লৈ উন্নীত কৰিবলৈ বিচাৰিছে আমি ভালেই পাইছো । কিন্তু কথাটো হ'ল যে - প্ৰয়োজনীয় আন্তঃগাঁথনি, প্ৰয়োজনীয় প্ৰশাসনিক, শৈক্ষিক সা সুবিধা থাকিব লাগিব কেৱল সংখ্যাগত সাফল্যৰে আমি উন্নয়ণ হোৱাটো নিবিচাৰো । সভাপতি মহোদয়, মই এখন গাইডলাইন পাইছিলো যে,- templet for details project report for creation of university by upgradation of exsiting colleges. ইয়াত যিকেইটা পইন্ট দিয়া হৈছে , এই পইন্টবিলাক fulfill কৰিব পাৰিবনে মোৰ সন্দেহ আছে । আৰু মই ভাবো এইখন যদি সঁচাকৈ fulfill কৰিব লগা হয় নিশ্চিতভাবে এখন ভাল ইউনিৰ্ভাচিটি হ'ব । আমাৰ শিক্ষা মন্ত্ৰী মহোদয় আছে তেখেতক মই ধন্যবাদ জনাইছো তেখেতে সঁচাকৈ আমাৰ লগত সুসম্পৰ্ক ৰক্ষা কৰি চলিছে । সভাপতি মহোদয়, এই শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত যিখিনি হৈ আছে এইটো আজিৰ নহয়, এইটো কন্টিনোৱাচ প্ৰচেচ চলি আছে । বিগত দিনত মোক কুমাৰ ভাস্কৰ বৰ্মা বিশ্ববিদ্যালয় কোৰ্ট মেম্বাৰ দিয়া হৈছে বুলি মই চিঠি পাই ছিলো ।কিন্তু আজিলৈ কিন্তু মোক তাত নামাতিলে । তাত আমাৰ কি ভূমিকা, আমি কি কৰিব লাগিব আমি নাজানিলো । আমা ৰ সন্মানীয় ফণী তালুকদাৰৰ নামটোও চাগে তাত আছিলে । সভাপতি মহোদয়, ইউনিভাৰ্চিটি পাব লাগিলে প্ৰথমে আমি এল.পি বা নাচাৰ্ৰী হৈ এম ই , হায়াৰ চেকেণ্ডৰী তাৰ পিচত কলেজ হৈহে আমি ইউনিভাৰ্চিটি পাম। গতিকে আৰম্ভনীতে যদি কেনা লাগি থাকে উপৰলৈ যোৱাত বাধা আহি যায়। মই শিক্ষা বিভাগটো জানো, সঁচা অৰ্থত ক'বলৈ গ'লে আমাৰ শিক্ষা বিভাগটো এটা জটিল আৰু সমস্যাবহুল বিভাগ । বিভিন্ন সন্থা বেছিভাগ শিক্ষক সন্থা-কোনোবা ভেন্সাৰ স্কুল শিক্ষক সন্থা, কোনোবা টেট শিক্ষক, কোনোবা ড্ৰ'প পোষ্টৰ শিক্ষক, কোনোবা হিন্দী শিক্ষক - সকলোৰে এটাই কথা আমাৰ সমস্যাটো বিধান সভাত আলোচনা কৰিব লাগে , উত্থাপন কৰিব লাগে । ক'ব লাগে । হয় চৰকাৰে এটা কথা ভাল কৰিছে যে, এতিয়া ভেন্সাৰ স্কুল বা কলেজ খোলাটো বন্ধ কৰিছে। এইটো মই ব্যক্তিগতভাবে ভাল পাইছো কিন্তু আগতে যিখিনি ভেন্সাৰ স্কুল - কলেজ কৰিলে তেওঁলোকক আমি এটা সুবিধা দিব লাগিব। আমি এইটো ক'ব লাগিব যিবিলাক শিক্ষকে হাই স্কুলতে হওঁক, কলেজতে হওঁক বিনাবেতনে আমাৰ লৰা ছোৱালীক শিক্ষাদান কৰিছে , আৰু সেই শিক্ষা লৈয়ে আমাৰ লৰা ছোৱালীয়ে উন্নতিৰ শিখৰলৈ যাবলৈ চেষ্টা কৰিছে বা গৈছে - সেই শিক্ষক সকলৰ প্ৰতিও আমাৰ দায়বদ্ধতা থাকিব লাগিব। যিখিনিয়ে টেট পাছ কৰি থৈছে সেইখিনিক আমি কিয় নিযুক্তি দিব নোৱাৰো । যিখিনি ভেন্সাৰ স্কুল আৰু কলেজ আছে সেইখিনি আমি কিয় প্ৰভিন্সিয়েলাইজ কৰিব নোৱাৰো । আজি আমি নতুন নতুন স্কুল - কলেজ কৰি আছো । আজি বছৰ বছৰ ধৰি যিসকল শিক্ষকে বিনাবেতনে আমাৰ লৰা ছোৱালীক শিক্ষাদান কৰিছে তেওলোকৰ কথা আমি চিন্তা কৰিব লাগিবনে নালাগে ? সভাপতি মহোদয়, সেইখিনিও আমি চাব লাগিব। সেইদিনা মই গোৱালপাৰালৈ গৈছিলো তাত গৈ দেখিছো - গোৱালপাৰা বি. এড কলেজখন বন্ধ হৈ আছে কাৰণ নেশ্যনেল কাউন্সিল ফৰ টিচাৰ্ছ এডুকেশ্যনে ২০১৯ চনতে ৰিক'গনাইজড্ কৰি থৈছিল । আজি অসমত প্ৰায় ৫৪ খনমান বি টি কলেজ আছে , কলেজ কিন্তু বহু আছে। ৩৮০ খন বি এড কলেজ হ'ব লাগে

**কিন্তু অসমত আছে ৫৬ খন । আগতে এনেকুৰা আছিল যে মেধাৰ ভিত্তিত শিক্ষক নিযুক্তি দিলে আৰু পিচত তেওঁক স্কুলে বি টি পঢ়িবলৈ পঠিয়াই দিয়ে । এতিয়া চৰকাৰে নতুন নিয়ম কৰিছে যে চৰকাৰে বি এড্ কম্পাল্চৰি কৰিছে । কিন্তু এই চাৰ্টিফিকেটখন নোহোৱা কাৰণে তেওঁ এপ্লাই কৰিব নোৱাৰে । যদি কলেজকেইখন নাথাকে আমাৰ লৰা ছোৱালী ক'ত বি এড পঢ়িব । গতিকে অসম চৰকাৰে যিমান কলেজ আছে অসমত , বোধ হয় প্ৰায় ৩৮০ খন মান কলেজ আছে। মোৰ মতে এই সকলোতে এই বি এড কোৰ্ছটো দিব লাগে। যাতে শিক্ষকতাৰ কাৰণে আমাৰ লৰা ছোৱালীখিনিয়ে এপ্লাই কৰিব পাৰে । সভাপতি মহোদয়, মই মন্ত্ৰী মহোদয়ক যোৱাবাৰ এটা প্ৰশ্ন কৰিছিলো যে যিখিনি স্কুল কলেজত আমাৰ চৰকাৰে ফ্ৰি এডুকেশ্যন দিয়া বুলি কৈছে - সেই পইচাখিনি চৰকাৰে স্কুল বা কলেজসমূহক ঘুৰাই দিব লাগে । যোৱা দুটা বছৰ কোনো স্কুলে সেই পইচা ঘুৰাই পোৱা নাই । মই নাজানো শেহতীয়াভাবে যদি দিছে । মন্ত্ৰী মহোদয়ে যোৱাবাৰ মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছিলে যে ৫২ পাৰ্চেন্ট দিছে ৪৮ পাৰ্চেন্ট দিবলৈ বাকী আছে । এতিয়ালৈ দিছেনে নাই মই অৱগত নহয়। কিন্তু যদি দিয়া নাই এই পইচাখিনি সোনকালে দিব লাগে । 'নাক'ৰ মানুহখিনি অবৰ্জাভেশ্যনত আহি আছে, প্ৰফেছৰখিনিয়ে কৈ থাকে । আমাক এইটো লাগে সেইটো লাগে কিন্তু পইচা নাই ইত্যাদি ইত্যাদি । গতিকে সেই কাৰণে এই পইচাখিনি সোনকালে ঘুৰাই দিব লাগে নহ'লে কলেজবিলাকৰ অৱস্থা বেয়া হ'ব । মই বৰভাগ কলেজত ইনভাইটী হিচাপে আছিলো তাত মই দেখিছো । মই যোৱাকালি মাননীয় মন্ত্ৰী মহোদয়ক লগো কৰিছো যে 'ৰুছা'ৰ পৰা পাচ কোটি টকা অনুদান দিব লাগে ।** মই request কৰিছো যে নাক আহি আছে, যোৱাবাৰ বানপানীত বৰভাগ কলেজখন ভাঙি গ'ল, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজে গৈছে তাত। ৰিলিফ কেম্প আছিল তাত, কিন্তু সেই যদি ৫ কোটি টকাতো নাপাও বৰভাগ কলেজত নাকে result C দিব। B বা A নিদিব। গতিকে এই সমস্যাখিনি আছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক request কৰিম যে যিখিনি পইচা পাব লগীয়া আছে pre-educationৰ নামত সেইখিনি অতিশীঘ্ৰে স্কুল বিলাকত আৰু কলেজ বোৰত দি দিয়ক। কিবা অলপ কৰিব পাৰিব। মই আৰু এটা কথা কওঁ, যে অসমত কিছুমান কলেজ আছে, আজি-কালি জানে যে private sector বিলাকত BBA, MBA লাগে, এই BBA, MBA ৰ ক্ষেত্ৰত কেইবাখনো কলেজে এই stream টো দিছে। তাত কিছুমান MBA degree ধাৰী য'ত M.Phil, Ph.D আছে তেওঁলোকে শিক্ষকতা কৰি আছে। কিন্তু তেওঁলোকে সামন্যতম remuneration মাত্ৰ, ৮ হাজাৰৰ পৰা ১৫ হাজাৰ টকা পাই আছে। গতিকে সেই ব্যৱস্থাটো কৰিব লাগে। কাৰণ আমি এজন মানুহক আমি human resource হিচাপে গঢ়ি তুলিলেই নহ'ব, আমি তেওঁলোকক নিযুক্তি দিব লাগিব। তেওঁলোকে জীয়াই থকাৰ আমি এটা পথ দেখুৱাই দিব লাগিব। আমাৰ শিবামণি বৰা বাইদেউৱে মোক এই মাত্ৰ কলে আমাৰ মহিলা কলেজ বটদ্ৰবাৰ কথাটো। তেখেতে মোক কৈছে যে মহিলা কলেজ বটদ্ৰবা খন হোৱা নাই। এই ক্ষেত্ৰত ব্যৱস্থা ল'ব, কাৰণ হোৱা বুলি বাৰে বাৰে আমাৰ বিভিন্ন বক্তাই কৈ আছে কথাখিনি। এইটোত অলপ আপোনালোকে নজৰ দিব। তাৰোপৰি আমাৰ মডেল কলেজৰ ক্ষেত্ৰত এটা ইউ জি চিৰ গাইড লাইন আছিল, এইটো ২০০৮ৰ ৩ নবেম্বৰত ইউ জি চিৰ পৰা যি খন চিঠি আহিছিল যে গোটেই ভাৰতবৰ্ষতে ৩৭৪ খন মডেল কলেজ দিয়া হৈছে। গোটেই ভাৰতবৰ্ষতে মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় জানে কথাটো। এই ৩৭৪ খনৰ আমি অসমে কিমান খন পালো ? এইটোৰ তথ্য অলপ আমাক লাগিব। কাৰণ এইটো অলপ বিচাৰ কৰিব আপোনালোকে যে ৩৭৪ খন মডেল কলেজৰ আমি কিমান পালো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি)** ঃ মাননীয় সদস্য আপোনাৰ ১০ মিনিট সময় আছিল, ইতিমধ্যে ১০ মিনিট সময় শেষ হৈছে।

**শ্ৰীদিগন্ত বৰ্মন , (বৰক্ষেত্ৰী)** ঃ শেষত মই এটা কথা আপোনালোকক কবলৈ বিচাৰিছো যে আমাৰ মাননীয় দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যোৱা বিধান সভাত চাউলুং চুকাফাৰ নামত এখন বিশ্ববিদ্যালয়ৰ কাৰণে এখন প্ৰাইভেড মেম্বাৰ বিল আনিছিল। তেতিয়া চৰকাৰে এইটো বিবেচনা কৰিম বুলি কৈছিল। এইটো জাতিৰ স্বাৰ্থত, অসমৰ স্বাৰ্থত এই যি ৫/৬ খন বিশ্ববিদ্যালয় হ'বলৈ গৈ আছে এই চাউলুং চুকফা বিশ্ববিদ্যালয় খন আনিবলৈ মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ। লগতে এটা কথা কম যে আমাৰ যিখিনি ভেঞ্চাৰ কলেজ আছে, ভেঞ্চাৰ হাইস্কুল, এল পি স্কুল আছে এটা মানবীয়ৰ ওপৰত দিশটো বিবেচনা কৰি মাননীয় মন্ত্ৰী মহোদয়ে কিবা এটা কৰি দিয়ক। ৰাইজে আপোনালোকক আশীৰ্বাদ দিব। গোৱালপাৰা কলেজত বিজ্ঞান শাখা লাগে, ৰশিদ মণ্ডলে মোক কৈ আছে, এইটোও বিবেচনা কৰিব। মই এটা আৰু কথা কম, মোৰ সমষ্ঠিত শ্বহীদ সৰণি কলেজ, বামুনবড়িত, মই তাৰে সভাপতি, সেইখন ভেঞ্চাৰ কলেজ। ১২০০ ছাত্ৰ-ছাত্ৰী আছে। শিক্ষকে দৰমহা কিমান পাই জানেনে পিএইচ ডি হ'ল্ডাৰো আছে২০০০/৩০০০ টকা, দুখ লাগে। মাহেকত দৰমহা দিওঁ আমি ২ হাজাৰ/৩ হাজাৰ, ফিজৰ পৰা দিব লাগে, অতি দুখলগা অৱস্থা। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম যে এইবাৰ মই কেৱল বামুনবড়ি শ্বহীদ সৰণি কলেজৰে কথা কোৱা নাই যিকেইখন ভেঞ্চাৰ কলেজ, নতুন কলেজটো কৰি আছে আপোনালোকে সেইকেইখন consolation কৰক আপোনালোকে। যি ধৰণে হলেও কৰাৰ কাৰণে ব্যৱস্থা কৰি দিয়ক। মই শেষত এটা কথা কওঁ যে ৰবিন্দ্ৰ নাথ ঠাকুৰৰ যি এটা সংগীত আছিল যে যদি তোৰ বাত সোনেতো না আছে, তবা একলা চলোৰে, সেইটো ৰবিন্দ্ৰ নাথ ঠাকুৰে কৈছে যে মাতিলে কোনো যদি নাহে তেতিয়াহে অকলে যাব। গতিকে আপোনালোকে আমাক মাতক। আমি সবাই এক সাথে যাব। আমাক সকলোকে মাতক আমি সকলোৰে একেলগে যাম। আমি সহায় কৰিম যে শিক্ষাৰ প্ৰসৰ হওঁক, শিক্ষাৰ উন্নতি হওঁক, ধন্যবাদ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি)** ঃ ইয়াৰ পিছত মাননীয় সদস্য গোবিন্দ বসুমতাৰী, আপোনাৰ সময় হৈছে ১০ মিনিট।

**শ্ৰীগোবিন্দ বসুমতাৰী, (ওদালগুৰি)** ঃ মাননীয় সভাপতি মহোদয়, কালি আমাক কোৱা মতে সময় ১২ মিনিট আছিল ২ মিনিট কমিল।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি)** ঃ ১২ মিনিটে আছে।

**শ্ৰীগোবিন্দ বসুমতাৰী, (ওদালগুৰি)** ঃ মাননীয় সভাপতি মহোদয়, অসম চৰকাৰৰ উচ্চশিক্ষা বিভাগৰ কাৰণে অতিৰিক্ত দাবী মঞ্জুৰী উত্থাপন কৰাৰ বিৰূদ্ধে বিৰোধী দলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰূদ্ধে মোৰ বক্তব্য ৰাখিব বিচাৰিছোঁ। আমি মানুহ হিচাপে আৰ্থসামাজিক উন্নত হোৱাতো বিচাৰো আৰু তাৰ কাৰণে কাম কৰি আছোঁ। আমি সকলোৱে উন্নত জীৱন-যাপন কৰিব বিচাৰো আৰু এটা শান্তিপ্ৰিয়া সমাজ বিচাৰো। সেইখিনি পাব লাগিলে আমাক শিক্ষা লাগিব আৰু উচ্চশিক্ষা লাগিব। মই ধন্যবাদ দিছো বৰ্তমান অসম চৰকাৰে উচ্চ শিক্ষা বিভাগটো আগুৱাবৰ কাৰণে যথেষ্ঠ কাম কৰি আছে। নতুন নতুন বিশ্ববিদ্যালয়, নতুন নতুন কাৰিকৰী অভিযান্ত্ৰীক মহাবিদ্যালয় আৰু চিকিৎসা মহাবিদ্যালয় তেনেকুৱা স্থাপন কৰি আছে আৰু সেই বিলাকৰ জৰিয়তে অসমৰ অনগ্ৰহ অঞ্চলখিনি কেনেকৈ শিক্ষাৰ বিষয়ত আগুৱাই যাব পাৰে তাৰ কাৰণে কাম কৰি আছে। অসম অন্তত কালি-পৰহিলৈ যথেষ্ট পিছপৰি আছিল শিক্ষা বিষয়ত। যিহেতু জনসংখ্যা অনুসৰি আমাৰ

সুবিধা অনুসৰি তেনেকুৱা শিক্ষানুষ্ঠান নাছিল, এতিয়াও আমাৰ বহুত এলেকা আছে য'ত শিক্ষানুষ্ঠানে ঢুকি পোৱা নাই। তাৰ ফলত শিক্ষাৰ ক্ষেত্ৰত আমি যথেষ্ট পিছ পৰি আছো। শিক্ষাত পিছ পৰি থকাৰ কাৰণে আমি বিভিন্ন বিষয়ত এতিয়াও পিছপৰি আছো। গতিকে দুখ লগা এই যে অসমৰ বৰ্তমানৰ যিটো শিক্ষিত হাৰ মাত্ৰ ৭২ শতাংশ পাইছো। সেইটো আমাৰ কাৰণে বৰ দুখ লগা। কিয়নো ভাৰতৰ অন্যান্য প্ৰদেশ অসমতকৈ বহুত আগবঢ়া। সেই কাৰণে আমি অন্যান্য দেশ- প্ৰদেশৰ লগত তুলনা কৰি তেওঁলোকৰ লগত সমকক্ষ ভাৱে আগুৱাই যাব পৰা নাই। আমাৰ সমাজ খন আগুৱাই যাব লাগিলে এটা উন্নত মানদণ্ডৰ এটা সমাজ ব্যৱস্থা যদি পাব বিচাৰো আমি তেতিয়া শিক্ষা খণ্ড যথেষ্ট আগুৱাই নিয়াৰ বাবে কাম কৰিব লাগিব। তাৰ কাৰণে আমাক যথেষ্ট পুঁজিৰ প্ৰয়োজন হ'ব। আজি বিৰোধী সকলে যি কৰ্তন প্ৰস্তাৱ দাবী কৰিছে বা আনিছে সেই কৰ্তন প্ৰস্তাৱ কাৰ্য্যকাৰী কৰা যায়, তেতিয়াহলে আমি শিক্ষাৰ ক্ষেত্ৰত যি এটা আমোল পৰিবৰ্তনৰ ব্যৱস্থা লৈছো সেই ক্ষেত্ৰত বাধাগ্ৰস্থ হ'ব আৰু আমি আগুৱাব নোৱাৰিম। অসমত বৰ্তমান চৰকাৰে যিহেতুকে পৰিবৰ্তন আনিব বিচাৰিছে ইতিমধ্যে আমাৰ কেইবাগৰাকী মাননীয় বিধায়কৰ বক্তব্যত গম পাইছো যে বৰ্তমান চলি থকা আমাৰ যি সদন তাতে ৬ খন নতুন বিশ্ববিদ্যালয় স্থাপনৰ এটা বিল আনা হ'ল আৰু প্ৰতিখন জিলাতে একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰাৰ এটা প্ৰস্তাৱ অসম চৰকাৰৰ আছে। নতুনকৈ কেইবাখনো মেডিকেল কলেজ স্থাপন কৰা হ'ল আৰু স্থাপন কৰাৰ কাৰণে প্ৰস্তাবিত আছে। সেইখিনি আমি গোটেইখিনি স্থাপন কৰিব পাৰিলে হয়তো অসমত এটা নতুন পৰিবৰ্তনত, শিক্ষাৰ ক্ষেত্ৰত আমোল পৰিবৰ্তন ঘটিব। সেইটো আমি বিচাৰোঁ। কিন্তু আমি দেখিছো যে অসমত যিখিনি কলেজ বা বিশ্ববিদ্যালয় আছে তাত যিখিনি মানদণ্ড হ'ব লাগে, যিখিনি ব্যৱস্থা থাকিব লাগে সেইখিনি এতিয়াও নাই, সেইকাৰণে আমাক যথেষ্ট পুঁজিৰ প্ৰয়োজন আছে। এইবিলাক আমাৰ উন্নত কৰাৰ প্ৰয়োজন আছে। আমাৰ আন্তঃগাঠনিৰ অভাৱ আছে, teaching staff ৰ অভাৱ আছে। **আমাৰ অসমৰ কেইবাখনো বিশেষকৈ কলেজ বিলাকত উপযুক্ত teaching staff ৰ অভাৱৰ কাৰণে বহু সময়ত আমাৰ শিক্ষা বিলাক আধৰুৱা হৈ থাকে। সেই কাৰণে এই গোটেইখিনি উন্নত কৰাৰ প্ৰয়োজন আৰু অসম চৰকাৰে সেই খিনি উন্নত কৰিবৰ কাৰণে যথেষ্ট পুঁজিৰ প্ৰয়োজন অনুভৱ কৰিছে। সেই কাৰণে এই অতিৰিক্ত দাবীমঞ্জুৰী উত্থাপন কৰিছে। আৰু ইয়াৰ প্ৰতি সমৰ্থন কৰাৰ আমাৰ প্ৰত্যেকজনৰে কৰ্ত্তব্য বুলি ভাবো। বিশেষকৈ আমাৰ BTR অঞ্চল অসমৰ অন্যান্য অঞ্চলতকৈ বহুত পিছ পৰা। আমাৰ গোটেইখিনি গাওঁ অঞ্চল । আগতে গাওঁ অঞ্চলত শিক্ষানুষ্ঠান প্ৰায় নাছিলেই। কালি পৰহিহে নতুনকৈ কলেজ বিশ্ববিদ্যালয় স্থাপন হৈছে। ৩৫ লাখ জনসংখ্যা থকা এই অঞ্চলত এতিয়াওঁ মাত্ৰ এখন বিশ্ববিদ্যালয়, এখন ইঞ্জিনিয়াৰিং কলেজ আৰু এখনেই মেডিকেল কলেজ আছে। নতুনকৈ অৱশ্যে স্থাপন কৰিবলৈ লোৱা হৈছে। বৰ্তমান ওডালগুৰিত ইঞ্জিনিয়াৰিং কলেজৰ construction ৰ কাম চলি আছে। আৰু তামুলপুৰত এখন নতুনকৈ মেডিকেল কলেজ স্থাপন হৈ আছে কিন্তু এইখিনিয়ে আমাৰ গোটেই বৃহৎ অঞ্চলৰ জনসংখ্যা অনুসৰি কিন্তু পৰ্য্যাপ্ত হোৱা নাই। আমাক আৰু অধিক তেনেকুৱা শিক্ষানুষ্ঠান লাগে। আমাৰ বৰ্তমান মাত্ৰ ৮ খন প্ৰভিঞ্চিয়েলাইজ কলেজ আছে। যিবিলাকে প'ষ্ট গ্ৰেজুৰেট ফ'ৰ্চ চলাই থাকে। মাত্ৰ ১৮ খন প্ৰভিঞ্চিয়েলাইজ কলেজ আছে, আৰু এই কলেজ বিলাকত আমাৰ ষ্টাফ বহুত কম আছে। আন্তঃগাঠনি যথেষ্ট কম আছে বিশেষকৈ এই কলেজ বিলাক পৰিচালনা কৰাত অসুবিধা হোৱাৰ কাৰণটো হ'ল, যে চৰকাৰে এডমিশ্যনৰ ফিজ ল'বলৈ দিয়া নাই তেনে ক্ষেত্ৰত যিখিনি ষ্টাফ আছে, তেওঁলোকক মেইন্টেইন কৰাত অসুবিধা হৈছে। বিশেষকৈ আমাৰ প্ৰভিঞ্চিয়েলাইজ কলেজ সমূহত**

প্ৰতিটো বিষয়ৰ বিপৰীতে মাত্ৰ দুটা বা তিনিটা বিষয়ৰ sanction post আছে। বাকী ছাত্ৰ-ছাত্ৰীৰ চাহিদা অনুসৰি প্ৰায়বিলাক major subject থকাৰ কাৰণে অতিৰিক্ত আমাৰ ৬ জন বা ৭ জনকৈ ষ্টাফ নিযুক্তি দিব লগা হৈছে। অতিৰিক্ত যিখিনি sanction post ৰ বাহিৰত যিখিনি নিযুক্তি দিয়া হৈছে, তেওঁলোকক সামান্য এটা পাৰিতোষিক দি নিযুক্ত কৰা হৈছিল।তাৰ ফলত তেওঁলোকৰ বহুত অসুবিধা হৈছে, আৰু সেইখিনি আগতে ফিজ লোৱাৰ সময়ত, ফিজৰ জৰিয়তে তেওঁলোকক সন্তুষ্ট কৰি ৰাখিব পৰা হৈছিল। কিন্তু এতিয়া ফিজ লোৱাৰ ক্ষেত্ৰত চৰকাৰৰ পৰা বাধা আৰোপ হোৱাৰ ক্ষেত্ৰত কলেজ সমূহে সেই গোটেই staff খিনি maintain কৰাত অসুবিধা হৈছে। সেই কাৰণে বিশেষকৈ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ অনুৰোধ যে আমাৰ BTR অঞ্চলত থকা যিখিনি প্ৰভিঞ্চিয়েলাইজ কলেজ সেইখিনিৰ শিক্ষকৰ sanction post অধিক বৃদ্ধি কৰিলে ভাল হ'ব নহ'লে কলেজ পৰিচালনা কৰাত, শিক্ষাদান কৰাত যথেষ্ট অসুবিধা হৈছে। অন্ততঃ এটা বিভাগত ৪ জন মানকৈ যদি sanction post থাকে, তেতিয়াহ'লে কলেজ পৰিচালনা কৰাত অসুবিধা নহয়। এই কথাখিনি যাতে অলপ মনোযোগ দিয়ে তাৰ কাৰণে আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো। মাননীয় শিক্ষামন্ত্ৰীক ধন্যবাদ দিছো যে তেখেতৰ উদাৰতাৰ কাৰণে আমাৰ বি টি আৰ অঞ্চলত আমি ৫ খন মডেল ডিগ্ৰী কলেজ পাইছো। ৪ খন ওডালগুৰি জিলাৰ কলাইগাওঁ, ভেৰগাওঁ, হৰিশিঙা আৰু ডৈপাম এই ৪ খন ঠাই লগতে ১ খন কইলামেলা ত, মুঠতে আমি ৫ খন মডেল ডিগ্ৰী কলেজ পাইছো। ইয়াৰে ৩ খনৰ construction হৈ আছে বাকীকেইখনৰ construction এতিয়ালৈকে আৰম্ভ কৰা হোৱা নাই। আমি আশা কৰো construction অতি সোনকালে হ'ব। আমাৰ শিক্ষাৰ ক্ষেত্ৰত যিহেতু National Education policy আৰম্ভ হ'ব, তাৰ ফলত আৰু এটা পৰিৱৰ্তন আহিব। নতুন চিন্তাধাৰাৰে নতুন বিষয় শিক্ষাদান কৰাৰ প্ৰয়োজন অনুভৱ আমি কৰিছো। নতুন শিক্ষা পলিচি আৰম্ভ হোৱাৰ লগে লগে আমাৰ যি সকল শিক্ষক জড়িত হ'ব, তেখেত সকলৰ হয়তো উন্নত ধৰণৰ প্ৰশিক্ষণৰ প্ৰয়োজন আছে আৰু তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ পিছতহে হয়তো আমাৰ এটা উন্নত পৰিবেশৰ শিক্ষাদান কৰিব পৰা যাব। যথেষ্ট ফাণ্ডৰ প্ৰয়োজন হ'ব। ইতিমধ্যে আমাৰ কেইবাজনো বক্তাই উত্থাপন কৰিছে যে কিছুমান কলেজত Science আৰু কিছুমান কলেজত কমাৰ্চ শাখাৰ দৰকাৰ আছে কিন্তু National Education policy টো যদি implement কৰা যায় তেতিয়া হলে আমাৰ একেখন কলেজতে Science, commerce ৰ multidimensional teaching হ'ব, সেই কাৰণে commerce stream, Science stream বা Arts stream কোনো difference নাথাকিব, আনকি B. Ed. College ৰো বেলেগকৈ প্ৰয়োজন নহ'ব। একেখন কলেজতে গোটেইখিনি বিষয়ৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। সেইখিনি implement হলে একেখন কলেজতে আমাৰ বিভিন্ন stream ৰ শিক্ষা প্ৰদান কৰিব পৰা যাব। আৰু সেইখিনিৰ কাৰণে হয়তো শিক্ষক সকলক এটা প্ৰশিক্ষণৰ প্ৰয়োজন আছে। মোৰ অনুৰোধ আমাৰ শিক্ষাবিভাগে এই দিশটোত মনোযোগ দি আমাৰ শিক্ষক সকলক, প্ৰফেচাৰ সকলক এটা নতুন পদ্ধতিৰে প্ৰশিক্ষণ দি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক উন্নত ধৰণৰ শিক্ষা প্ৰদান কৰাত যাতে তেওঁলোকক সহায় কৰে। আমি বিচাৰো এখন উন্নত সমাজ আৰু সেই কাৰণে শিক্ষাৰ পৰিৱৰ্তন হোৱাটো বিচাৰিছো। অসমত আমাৰ প্ৰফেচনেল শিক্ষানুষ্ঠান নাই। অকল আখৰ শিকা, physics, chemistry বা political science বা ফিল'চফি আদি অধ্যয়ন কৰাই আমাৰ কাৰণে

উপযুক্ত নহয়। এইখিনি যথেষ্ট নহয়, আমাক বিভিন্ন দিশত professionalism তেনেকুৰা শিক্ষাৰ প্ৰয়োজন আছে। professionalism শিক্ষা দিব পৰা আমাক শিক্ষানুষ্ঠান লাগিব। এই কাৰণে এই দিশটোত বিশেষকৈ আমাৰ যি National Education policy আৰম্ভ কৰা হ'ব সেই ব্যৱস্থাত যাতে আমাৰ স্কীল ডেভেলপমেন্ট বিষয়টো ৰাখি আমাৰ কলেজ সমূহত বা ইউনিভাৰচিটি সমূহত প্ৰফেচনেল লাইনৰ তেনেকুৰা শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থাখিনি যাতে চিন্তা-চৰ্চ্চা কৰে তাৰ কাৰণে আমাৰ শিক্ষা বিভাগক কৈছো, বিশেষকৈ আমি দেখিছো লাডাখত এখন alternative school স্থাপন কৰা হৈছে। ইয়াৰ জৰিয়তে বিশেষকৈ আমাৰ ABCD শিক্ষাৰ উপৰিও ছাত্ৰ -ছাত্ৰী সকলৰ যি বিষয়ত মনোযোগ, সেই বিষয়ত specialise ভাবে শিক্ষা লোৱাৰ ব্যৱস্থাখিনি আছে। আমাৰ National Education policy আৰম্ভ কৰিলেই আমাৰ কলেজ সমূহটো যাতে তাৰ কাৰণে ব্যৱস্থা হয়। আমি আশা কৰো যে অসম চৰকাৰে গোটেই দিশটো মনত ৰাখি আমাৰ শিক্ষা বিভাগত নতুন এটা পৰিৱৰ্তন আনিবৰ কাৰণে কাম কৰিব, সমাজক আগুৱাই নিবৰ কাৰণে কাম কৰিব আৰু এইখিনিৰ কাৰণে যথেষ্ট পুঁজি লাগে সেয়েহে বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে এইখিনি মোৰ বক্তব্য দাঙি ধৰিছো। ধন্যবাদ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি) ঃ** ধন্যবাদ ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ আপোনাৰ সময়সীমা ২ মিনিট।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় সভাপতি মহোদয় শিক্ষা ক্ষেত্ৰখনক লৈ আমি পূৰ্বতেওঁ বহুত আলোচনা কৰিছো এই বিধান সভাতে। এইবাৰ আকৌ ৬ খন নতুন বিশ্ববিদ্যালয় স্থাপন কৰাৰ কাৰণে বিল আহিছে, আপত্তি নিশ্চিতভাবে নকৰিম ইউনিভাৰচিটি হৈ যাওঁক। কিন্তু যিবিলাক ইউনিভাৰচিটি আমি ইতিমধ্যে স্থাপন কৰিলো সেই ইউনিভাৰচিটি বিলাকৰ যিটো মূল উদ্দেশ্য মই সেই সম্পৰ্কত বিশেষ ব্যাখ্যা নকৰো। কাৰণ শিক্ষা বিষয়টোত বহুত কমিচন আমাৰ কেন্দ্ৰীয় চৰকাৰে কৰিছে। আৰু সেই সকলো কমিচনতে শিক্ষা বিষয়টো, উচ্চ শিক্ষাৰ বিষয়টো কেনে হ'ব লাগে, কি হোৱা উচিত বিতং ব্যাখ্যাও কৰিছে, নিৰ্দেশনাও জাৰি কৰিছে। কিন্তু আমি আমাৰ ৰাজ্য অসমত যিবিলাক বিশ্ব বিদ্যালয় আমি পাতিছো এই বিশ্ববিদ্যালয় বিলাক আজি কি অৱস্থাত আছে বা আগৰ আমাৰ কাৰ্য্যকালতে এই মাধৱদেৱ ইউনিভাৰচিটি, ভট্টদেৱ ইউনিভাৰচিটি, ৰবীন্দ্ৰ নাথ ঠাকুৰ ইউনিভাৰচিটিৰ কথাকে মই উল্লেখ কৰিব বিচাৰিছো। মই স্পষ্টভাবে জানিব বিচাৰিছো, এই বিশ্ববিদ্যালয়কেইখনে UGCৰ 12B affiliation পাইছেনে নাই আৰু ইউনিভাৰচিটিয়ে 12B affiliation পোৱাৰ কাৰণে তাৰ যিমান পৰিমানৰ শিক্ষক নিযুক্তি দিব লাগে সেই পৰিমানে নিযুক্তি দিয়া হৈছে নে নাই ? নে বিশ্ববিদ্যালয় ঘোষণা কৰাৰ পাছত বিভিন্ন বিষয় introduce কৰাৰ অধিকাৰ নাথাকে বিশ্ববিদ্যালয়ৰ আৰু যি বিষয় থাকে তাৰ PG course এইবাৰ শুনামতে PG course ৰ বিষয়ত এডমিশ্যন দিবলৈ দিছে। কিন্তু নতুন course introduce কৰিব। এতিয়া সময়ৰ যিটো আহ্বান, সময়ৰ যিটো প্ৰয়োজন সেই সময়ৰ প্ৰয়োজনটো বিভিন্ন কমিশ্যনে বিভিন্ন ভাৱে নিৰ্দেশিকা দিয়াৰ পিছতো আমি সেইটো follow কৰি আমাৰ কৰিব লগীয়া কামখিনি কৰিছো নে নাই। আকৌ ৬ খন হ'ব। তাকে লৈ শাসক পক্ষই বিৰাট গৰ্ব কৰিছে। কিন্তু যিকেইখন আছে সেইকেইখনৰ অৱস্থা কি? মই যোৱা বছৰ এটা delegation ত ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ গৈছিলো। তাত মই এই কথাটো উত্থাপন কৰিছিলো। কথাটো হৈছে ডিব্ৰুগড় বিশ্বব্যিালয়ত দেখা পালো যে ১১ টা বিষয় চৰকাৰী ভাৱে আছে। জিঅ'গ্ৰাফিৰ নিচিনা বিষয়টো paid subject হৈ আছে। ১৬ টা বিষয় paid. এখন বিশ্ববিদ্যালয়ত যদি ১৬ টা

বিষয় paid হয় তেতিয়াহ'লে বিশ্ববিদ্যালয়ৰ enrollment টো বাঢ়িব নেকি? মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে যে only 17.3% enrollment. এই অৱস্থাটো কিয় বিৰাজ কৰি আছে? এইটো যদি বিৰাজ কৰি থাকে তেতিয়াহ'লে উচ্চ শিক্ষা কেনেকৈ বিস্তাৰিত হ'ব, কেনেকৈ বিকশিত হ'ব। হেণ্ডিকেপ ল'ৰা-ছোৱালী জন্ম দিয়াৰ দৰে হৈছে। আমি বিশ্ববিদ্যালয় পাতিছো কিন্তু কামত নাই। মই আৰু এটা কথা উল্লেখ কৰিম। Education ৰ যিটো administration গোটেই ৰাজ্যখন false Ph.D ৰে ভৰি আছে। তাক লৈ বহুত কমিটি গঠন কৰা হ'ল। কিন্তু এই Ph.D ৰ থেচিচ খন যেতিয়া ঘৰত খুলি দিছে সেইখন হিন্দীত লিখা। এইধৰণৰ ঘটনা ঘটিছে। ৰাজীৱ গান্ধী কলেজ নামৰ এখন কলেজ লেংটিচিঙাত আছে। মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে জানে। তাৰ প্ৰিঞ্চিপালজন এতিয়াও বাহাল আছে। শিক্ষা বিভাগে নিজে কোৰ্টক defend কৰিব পৰা নাই। দুদিনত Ph.D লৈ আহিছে। লেংটিচিঙাৰ ৰাজীৱ গান্ধী কলেজখনত প্ৰিঞ্চিপাল এজনে দুদিনত Ph.D লৈ এতিয়াও আছে। মই সেইকাৰণে কৈছো যে Education ৰ administration কেনেকৈ আমি সঠিক কৰিম। এইধৰণে দুদিনত Ph.D লৈ প্ৰিঞ্চিপাল হৈ যদি থাকে। গোটেই বিশ্ববিদ্যালয় বিলাকত যদি contractual teacher থাকে। আগতে যেতিয়া মাননীয় শ্ৰী জগদীশ মুখী ডাঙৰীয়া ৰাজ্যপাল হৈ আছিল তেওঁ এটা stand লৈছিল যে কোনো contractual teacher থাকিব নোৱাৰিব। এতিয়া contractual teacher দি ভৰ্ত্তি হৈছে। তেতিয়াহ'লে তাত কেনেকৈ ৰিৰ্চাচ চলিব। এইটো নচলে। মই সেইকাৰণে কৈছো যে এই অচলাৱস্থা আঁতৰ কৰাৰ কাৰণে চৰকাৰ, শিক্ষামন্ত্ৰী, শিক্ষা বিভাগ দৃঢ় হওঁক। উচ্চশিক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়ক আৰু কঠোৰ হওঁক। এইখিনিয়েই মই আহ্বান জনাইছো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (সভাপতি)** ঃ এতিয়া মাননীয় সদস্য শ্ৰী দূৰ্গাদাস বড়ো ডাঙৰীয়া।

**শ্ৰী দূৰ্গাদাস বড়ো, (কলাইগাঁও)** ঃ মাননীয় সভাপতি মহোদয়, মই প্ৰথমে এটা কথা কৈ ল'ব বিচাৰিছো যে যি ৬ খন বিশ্ববিদ্যালয়ৰ কথা কৈছে, আঁচলতে ৭ খন বিশ্ববিদ্যালয় হ'ব লাগিছিল। লগত কোকৰাঝাৰ কলেজখনো আছিল। যি ৭ খন বিশ্ববিদ্যালয় হ'ব সেই কলেজ কেইখনে একেলগে যোৱা মাহত বহুত কাম কৰিলে। মাননীয় শিক্ষা মন্ত্ৰী মহোদয়, কোকৰাঝাৰ কলেজখন যিকোনো কাৰণত আপোনালোকে বিশ্ববিদ্যালয় হিচাপে এইবাৰ ঘোষণা নকৰিলে। কিন্তু মই সন্দেহ প্ৰকাশ কৰিছো যে কোকৰাঝাৰ কলেজখন এইবাৰ যদি বিশ্ববিদ্যালয় নকৰে, ইয়াৰ পিছৰ Assembly ত কৰাৰ কথা ভাবিছে তেতিয়া Election Commission ৰ code of conduct লাগিলে আৰু পিছুৱাই যাব। যিহেতু দুটা দিন আছে, এই দুটা দিনত যদি আপোনালোকে কোকৰাঝাৰখন include কৰে তেতিয়াহ'লে আৰু সোণত সুৰগা হ'ব বুলি মই ভাবো। এতিয়া উচ্চ শিক্ষাত যিটো কৰ্তন প্ৰস্তাৱ আনিছে, এই কৰ্তন প্ৰস্তাৱৰ বিপক্ষে মই দুটামান কথা ক'ব বিচাৰিছো। শিক্ষা বিভাগটোক ইয়াৰ আগৰ Assembly ত ও Speaker Initiative Subject ত প্ৰায় ২২ জনতকৈও অধিক বিধায়কে আলোচনা কৰিছিল। New Education Policy ৰ পিছত প্ৰত্যেকখন ৰাজ্য চৰকাৰে এটা চেলেঞ্জৰ সন্মূখীন হৈছে। New Education Policy ত যিখিনি কাম কৰিব লাগে সেই কামখিনি কৰাতো অতি সহজ কাম নহয়। Pre-primary ৰ পৰা আৰম্ভ কৰি University লৈকে যিখিনি কাম তেওঁলোক কৰিব লগীয়া হৈছে, কৰ'বাত amalgamation কৰিব লগীয়া হৈছে, কৰ'বাত diversion কৰিব লগীয়া হৈছে। নতুন আন্তঃগাঁথনিৰ প্ৰয়োজন হৈছে, নতুন শিক্ষকৰ প্ৰয়োজন হৈছে। ইয়াৰ উপৰিও স্কুলত শিক্ষকৰ যিটো অভাৱ হৈ

আছে সেইখিনি জোৰা মাৰিবৰ কাৰণে ৰাজ্য চৰকাৰে অহৰহ প্ৰচেষ্টা কৰি আছে। মই ভাবো আগৰ শিক্ষা নীতিত যি ভুল-ত্ৰুটি আছিল সেইবোৰ আমি আলোচনা কৰি উলিয়াব পাৰো। কিন্তু আজিৰ যিটো নতুন শিক্ষা নীতি সেইটো সময় সাপেক্ষ শিক্ষা নীতিআছিল কাৰণে আজিৰ দিনটোত ৰাজ্য চৰকাৰেও এটা সুবিধা পাইছে যে তেওঁলোকে এই নতুন শিক্ষা নীতি এটা পাইছে আৰু এই নতুন শিক্ষা নীতিৰ জৰিয়তে যিখিনি শিক্ষা ছাত্ৰ-ছাত্ৰীক দিব লাগে সেইখিনি দিব পাৰিব। মই ভাবো আমাৰ ৰাজ্য চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত কেইটামান মাইলৰ খুটি তৈয়াৰ কৰিছে। যদিও ২০১৬ চনৰ পিছত নতুন স্কুল, কলেজ স্থাপন ব্যৱস্থা কৰিছে, যিটো আগতে হোৱা নাছিল। কিন্তু নতুন শিক্ষা নীতিৰ পিছত technically আমাৰ ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতী সকলক কেনেকৈ আগুৱাই নিব লাগে তাৰ কাৰণেও আমাৰ ৰাজ্য চৰকাৰে এক সৎ প্ৰচেষ্টা চলাই আছে। ইয়াৰ উদাহৰণ হিচাপে মই ক'ব বিচাৰিছো যে ভাৰতবৰ্ষত দুখন মাত্ৰ Skill University আছে। তাৰে এখন বিশ্ববিদ্যালয় আমাৰ অসমৰ দৰং জিলাৰ মঙ্গলদৈত স্থাপন কৰা হৈছে। যিখন Skill University য়ে ১০ হাজাৰতকৈ বেছি সমগ্ৰ উত্তৰ-পূৰ্ব্বাঞ্চলেই নহয় অন্যান্য ৰাজ্যৰ ল'ৰা-ছোৱালীও তাতে পঢ়ি তেওঁলোক skill হৈ নিজকে স্ব-নিৰ্ভৰশীল কৰিব পাৰিব। তাৰ কাৰণে মই ভাবো এইটো যিহেতু technical education ত পৰে গতিকে এইটো ৰাজ্য চৰকাৰে ভাল কাম কৰিছে। যিবোৰ কলেজক বিশ্ববিদ্যালয়লৈ উন্নীত কৰিছে সেইবোৰত আৰম্ভণিতে কিছুমান খুটি-নাটি থাকিবই। বিৰোধী পক্ষৰ এজন সদস্যই কৈছে যে university ৰ গাইড লাইন মতে এখন কলেজক একে দিনাই university ঘোষণা কৰি লগে লগে গাইড লাইন সমূহ সম্পূৰ্ণ কৰাতো সম্ভৱ নহয়। আমাৰ যিবোৰ পুৰণা university আছে যেনে - গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ এইবোৰ university ৰ আজিও প্ৰয়োজনীয়তা আছে। আপোনালোকে জানে যে যিবিলাক মেডিকেল কলেজ খুলিছে সেই মেডিকেল কলেজ সমূহত নতুন কলেজৰ বাহিৰেও এতিয়াও মেডিকেল কলেজ বিলাকে নতুন নতুন প্ৰত্যাহ্বানৰ সন্মূখীন হ'ব লগীয়া হয়। কিছুদিন আগতে গুৱাহাটী মেডিকেল কলেজ কেনেকুৱা ধৰণৰ এটা প্ৰত্যাহ্বানৰ সন্মূখীন হৈছিল। সেইটো এটা চিষ্টেম। চিষ্টেমৰ ভিতৰত ৰাজ্যৰ শিক্ষা বিভাগে এইটো আগুৱাই লৈ যাবলৈ প্ৰচেষ্টা চলাইছে। তাৰ কাৰণে মই ধন্যবাদ জনাইছো। আমি সকলোৱে মহিলা সকলক আগুৱাই নিয়াৰ বাবে ভাষণত কৈ থাকো। কিন্তু আমি কামে-কাজে খুব কমকৈ কৰো। যেতিয়া চৰকাৰে কলেজ বনোৱা নাছিল, ৰাইজে যেতিয়া বনাইছিল তেতিয়াও মই লক্ষ্য কৰিছো বিশেষকৈ আমাৰ যিসকল মহিলা আছে তেওঁলোকৰ শিক্ষাৰ কাৰণে খুব বেছি চিন্তা কৰা নাছিলো। আজি কিন্তু specifically women college তৈয়াৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। কেইবাখনো মহিলা কলেজ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু দুটা কথা ক'ব বিচাৰিছো। সেইটো হৈছে আমাৰ যিটো কৰ্তন প্ৰস্তাৱ আনিছে, এই কৰ্তন প্ৰস্তাৱ অনা সকলক মই কেতিয়াবা ধন্যবাদ দিওঁ এইকাৰণে। আলোচনা কৰিব পাৰো আৰু সেই বিভাগটোক আমি পৰামৰ্শ দিয়াৰ সুযোগ পাওঁ।

এইখিনিতে মই দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছোঁ, সেই ক্ষেত্ৰত হৈছে কিছুদিন আগতে Minister, Skill Dev. য়ে সদনত এটা কথা ঘোষণা কৰিছিল যে প্ৰত্যেকটা ব্লকত PP mode য়ে হওঁক, বা পোনপতীয়াকৈ চৰকাৰৰ ফালৰ পৰাই হওক, কিছুমান technical institution, বিশেষকৈ ITI খোলাৰ কথা কৈছিল। আমি তেনেধৰণে নাম বিলাক দিছিলো, কিন্তু তাৰ এতিয়াও ব্যৱস্থা হোৱা নাই। সেই বিলাক অলপ তৎকালীন ভাৱে যদি Skill Minister ৰে কৰিবলৈ চেষ্টা কৰে, তেতিয়া ভাৰো যিসকল ছাত্ৰ-ছাত্ৰীয়ে তাত পঢ়িব খোজে, তেওঁলোকে

সুবিধাটো পাব।

লগতে যিবিলাক Higher Secondary হৈছে, সেই Higher Secondary ত অতি সোনকালে যি শিক্ষকৰ প্ৰয়োজন, সেই শিক্ষকৰ ব্যৱস্থা খিনি যাতে কৰে। নিশ্চিতভাৱে, নতুন Higher Secondary কৰাৰ সময়ত তাত চাৰিটাকৈ master degree holder শিক্ষক বিচাৰিছিল, সেই বিলাক আছে যদিও, অতিৰিক্ত ভাৱে শিক্ষকৰ যিহেতু প্ৰয়োজন আছে, গতিকে তেওঁলোকক অতিৰিক্ত শিক্ষক নিযুক্তি দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে, এই পৰামৰ্শটো আগবঢ়াইছোঁ।

গতিকে কেইবাটাও পৰামৰ্শ আগবঢ়াবলৈ আছিল, মই ভাৰো বিশেষকৈ বিজ্ঞান শিক্ষা Higher Secondary বিলাকত কম আছে, অসমৰ বহু অঞ্চলত বিজ্ঞান শিক্ষা নাই, মোৰ সমষ্টিত শূণ্য। গতিকে বিজ্ঞান শিক্ষাৰ ব্যৱস্থাটো যাতে শিক্ষা মন্ত্ৰীয়ে ব্যৱস্থাকৰণ কৰে, মই পৰামৰ্শ আগবঢ়ালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী পৃথ্বিৰাজ ৰাভা।

**শ্ৰী পৃথিৰাজ ৰাভা, (তেজপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে উচ্চ শিক্ষাৰ যি কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ বিৰোধীতা কৰি মই দুষাৰ ক'ব খুজিছোঁ।

এইখন সদনতে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই বক্তৃতাৰ সংক্ৰান্তত এষাৰ কথা কৈছিল যে মানুহ আৰু বিপ্লৱ এই সংক্ৰান্তত কৈছিল। যেতিয়া মাকে সন্তান জন্ম দিয়ে, জন্ম দিয়াৰ পিছত সন্তানটো ভূমিস্থ হোৱাৰ পিছত কান্দে। কিয় কান্দে, যে সন্তানটোৱে মাহ মাহ ধৰি মাকৰ গৰ্ভত থকাৰ পিছত যেতিয়া ভূমিস্থ হয়, তেতিয়া কান্দে। মাকে ডাঙি নি কোলাত শুৱাই কষ্ট পোৱাৰ কাৰণে। তেতিয়া সন্তানটিৰ কান্দোন বন্ধ হয়। সন্তানটিয়ে গৰ্ভত থকাৰ পিছত যেতিয়া বাহিৰ হ'ল, যেতিয়া ঠাণ্ডা লাগিল, তেতিয়া আকৌ কান্দে। তেতিয়া মাকে চাদৰৰে ঢাকি দিয়ে আৰু তাৰ পিছত সন্তানটিৰ কান্দোন বন্ধ হয়। সন্তানটিয়ে আকৌ কান্দে, কাৰণ মাহ মাহ ধৰি মাকৰ নাভিৰ জৰিয়তে যেতিয়া খাদ্য গ্ৰহণ কৰি আছিল, যেতিয়া মাক আৰু সন্তানৰ মাজৰ নাভিডাল কাটি দিয়া হ'ল, কাটি দিয়াৰ পিছত খাদ্য নোযোৱা হ'ল, আকৌ খাদ্যৰ কাৰণে সন্তানটিয়ে কান্দে। তাৰ পিছত যেতিয়া মাকে গাখীৰ খুৱাই সন্তানটিৰ কান্দোন বন্ধ হয়।

এই তিনিটা কাৰণতে পৃথিৱীত বিপ্লৱৰ সৃষ্টি হয় আৰু এইটো জন্মগত। প্ৰথমটো হ'ল ভূমিস্থ। ভূমিস্থ হোৱাৰ লগে লগে সন্তানটিয়ে টান পালে, মাকে সন্তানটিক কোলাত ল'লে, সেইটো হ'ল বাসস্থান বা সংস্থাপন।

দ্বিতীয়টো, ঠাণ্ডা লগাৰ কাৰণে আকৌ কান্দিলে, কাপোৰ দিলে, সেইটো হ'ল বস্ত্ৰ।

আৰু তৃতীয়টো হৈছে, মাকে খাদ্য প্ৰদান কৰিলে।

অন্ন, বস্ত্ৰ, বাসস্থানৰ কাৰণে গোটেই পৃথিৱীত বিপ্লব হয় আৰু গোটেই পৃথিৱীত আজিৰ এই সমস্যাৰ সৃষ্টি হয়, এই সমস্যা সমাধান কৰিবৰ কাৰণে পিছৰ পৰ্য্যায়ত নীতি গ্ৰহণ কৰা হয় চৰকাৰৰ দ্বাৰা। তাৰে এটা নীতি হৈছে, এই শিক্ষা নীতি।

এই শিক্ষা আৰু কৃষি নহ'লে পৃথিৱীখন কেতিয়াও উন্নত পৃথিৱী হ'ব নোৱাৰে, উন্নত সমাজ হ'ব নোৱাৰে। অসমত আজিৰ চৰকাৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰু শিক্ষা মন্ত্ৰী ড° ৰণোজ পেগু ডাঙৰীয়াৰ বিচক্ষণতাত আমাৰ অসমৰ শিক্ষানীতিৰ যি ব্যৱস্থা আমি গ্ৰহণ কৰিবলৈ গৈ আছো, সেই ব্যৱস্থা অসমখনক আৰু দুখোজ, তিনিখোজ আগুবাই লৈ গৈ আছে, আৰু দোপতদোপে আৰু বহু খোজ আগুৱাই লৈ যাব। আমি এইখিনি কবলৈ যাওঁতে আৰু এটা

কথা চিন্তা কৰিব লাগিব, মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই যেতিয়া বাজেটত কৈছিলে যে আমি বাজেটত উচ্চ শিক্ষাৰ কাৰণে কি কি ব্যৱস্থা গ্ৰহণ কৰিম যাক কোৱা হৈছে সীমিত আকাশ। ডিব্ৰুগড়, যোৰহাট, টিহু, লক্ষীমপুৰ, তেজপুৰত আইন মহাবিদ্যালয়, নগাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে corpus পুঁজিৰ ধন আৱন্টন, মাধৱদেৱ বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ কাৰণে ধন আৱন্টন, মাজুলিৰ সাংস্কৃতিক বিদ্যালয়ৰ বাবে ধন আৱন্টন, কটন বিশ্ববিদ্যালয় আৰু ৰবিন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ কাৰণে ধন আৱন্টন কৰি আন্তঃগাঁথনি উন্নত কৰা । স্নাতকৰ আগছোৱাত অৰ্থাৎ প্ৰাক্ স্নাতক ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে বিনামূলীয়া পাঠ্যপুথি কৰা। তাৰ কাৰণে ৪৯৫৪.১১ লাখ টকা অনুমোদন জনোৱা হৈছে। দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৩,৫৭,৯০৩ গৰাকী ছাত্ৰ -ছাত্ৰীৰ বাবে ৩৪৪ খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মাচুল ৰেহাই আৰ্চনিৰ যোগেদি ৮১৭১.৪০ লাখ টকাৰ লগতে ৩,৫৪,৩৩১ গৰাকী প্ৰাক্ স্নাতকলৈ পাঠ্যপুথি সাহাৰ্য্য হিচাপে ৩,৫৪৩. ৪১ লাখ টকাৰ লগতে ৮০ খন মহা বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ৰ বাবে ২,০৫০ লাখ টকাৰ অনুমোদন জনাইছে। ড০ বাণী কান্ত কাকতিৰ বঁটাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত ৩৫,৮০০ স্কুটি কিনিবলৈ বাজেট ২৫,৩৬৮.২৪ লাখ ধাৰ্য কৰা হৈছে আৰু মোকলাই দিয়া হৈছে। ঠিক সেইদৰে, বঙাইগাঁও, বিহালী আৰু শুৱালকুছিত AID আৰু REUSA ৰ অধীনত নলবাৰী, নগাঁও, ওদালগুৰিত ৬ খন আভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন আৰু নিৰ্মাণ কৰিবৰ কাৰণে ঘোষণা কৰা হৈছে। SOPD ৰ অধীনত হাজো, মাজুলি, টিংখং, CSS ৰ অধীনত দৰং, কাৰ্বিআংলং, ধুবুৰী আৰু ডিমাহাছাও, আঠখন নতুন Polytechnique নিৰ্মাণৰ কাম চলি আছে। আভিযান্ত্ৰিক মহাবিদ্যালয় আৰু polytechnique সমূহত খালী হৈ থকা পদসমূহ পূৰণৰ বাবে অসম আভিযান্ত্ৰিক সেৱা নিযুক্তি বোৰ্ডৰ জৰিয়তে প্ৰক্ৰিয়া চলি আছে। ১০ খন পুৰণি Polytechnique আৰু ১৬ খন নতুন Polytechnique ৰ সা-সঁজুলি উন্নীতকৰণৰ বাবে অতিৰিক্ত বিত্তীয় সাহাৰ্যও আগবঢ়োৱা হৈছে। এয়া বিত্তমন্ত্ৰী মহোদয়াই বাজেট অধিবেশনত ঘোষণা কৰা এখন চৰকাৰৰ চলিত বাজেট। এই বাজেটৰ ওপৰত ভিত্তি কৰি আমি কাম বিলাক কৰি গৈ আছো। আমাৰ শিক্ষামন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উচ্চ শিক্ষাৰ জগতখনত কেনেকৈ আমি আগবাঢ়িব লাগে, তেনেকৈ আমি আগবাঢ়ি গৈ আছো। আগবাঢ়ি যাওঁতে আমি দেখিছো, ৫২খন কলেজ নিৰ্মাণ আৰু ক্লাছো আৰম্ভ হৈছে, ৯ খন ছোৱালী মহা বিদ্যালয় আৰম্ভ হৈছে, online যোগে নামভৰ্তি হৈছে, এই যে গোটেইখিনি কাম কৰিবৰ কাৰণে আমাৰ যিখিনি ধন প্ৰয়োজন হয়, এই ধন প্ৰয়োজনৰ ওপৰত ভিত্তি কৰিয়ে এই পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰা হৈছিল আৰু পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰাৰ পিছত আমাৰ বিৰোধী পক্ষই যি ইয়াৰ বিৰোধীতা কৰিছে, এই বিৰোধীতা তেখেতসকলে উঠাই ল'ব লাগে আৰু উঠাই লৈ আমাৰ এই সমাজখনক শিক্ষা দিশেৰে উন্নত কৰিবৰ কাৰণে যিখিনি ব্যৱস্থা শিক্ষা মন্ত্ৰী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই লৈছে, এই ব্যৱস্থা আগবঢ়াই নিবৰ কাৰণে দিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি কৰ্তন প্ৰস্তাৱৰ সপক্ষে বক্তব্য দাঙি ধৰিব খুজিছো। মই বেলেগকৈ ক'ব নোখোজে যে অসমত শিক্ষাৰ মৰ্য্যাদা কেনেকুৱা, সেইটো চাবৰ কাৰণে All India Survey in Higher Education ৰ যিটো শেহতীয়া report আছে, সেই report টো চালে, আইনাখন দেখি যাব যে অসমৰ position টো কেনেকুৱা, বেলেগ একোৱে ক'ব নালাগে, gross enrollment report টো যদি চাঁও, তেতিয়া হ'লে

তাত দেখা গৈছে যে অসমত gross enrollment টো হ'ল ১৭.৫ আৰু National টো তাতকৈ বহুত বেছি ২৭.৩ আৰু যদি আমি ৰাজ্য হিচাপে চাও দিল্লীত ৪৭.৬ বা তামিলনাডু ৪৬.৯ গতিকে আৰু কি কম, আমাৰ অৱস্থা বেয়া। কথাটো মানি লৈ তাৰ পিছৰখিনি ক'ব খুজিছো।

এতিয়া অসমত যিটো NEP আৰম্ভ কৰা হ'ল, তাত multi disciplinery education আৰম্ভ কৰা হ'ল। তাত আমি দেখিছো যে core subject আছে, generic, skill enhancement আছে, ability enhancement আছে, value added course আছে, এই সকলোবিলাক নতুন দিলে। এতিয়া মই জনাব খোজে যে এই course বিলাক পঢ়াবৰ কাৰণে আমাৰ infrastructure 90% কলেজতে নাই। এই কথাটো শিক্ষা বিভাগে বুজি লোৱা দৰকাৰ।

দ্বিতীয়তে, আমি কৈছো যে আগতে course আছিল চাৰিটা, এতিয়া course হৈ গ'ল কলেজ বিলাকত ৬ টা, শ্ৰেণী কোঠা নাই, স্মাৰ্ট ক্লাছ নাই, digitalization, শিক্ষকৰ সংখ্যা কম, software developer লাগে, graphic designer লাগে, skill course লাগে, এই বিলাকৰ কাৰণে যোগ্য faculty ৰ policy টোও ভালকৈ লোৱা নাই, গতিকে তাৰ ফলস্বৰূপে এই গোটেই কলেজবিলাকত এটা সাংঘাতিক ধৰণৰ পাজলিং পজিশ্যন এটা চলি আছে । এই বস্তুটো সকলোৰে বুজি লোৱা দৰকাৰ। ডিগ্ৰীটো থ্ৰী প্লাছ ওৱান কৰি দিয়াৰ পিছত প্ৰত্যেক বছৰে ৰিকুৰাৰমেন্ট বাঢ়ি গ'ল। এতিয়া প্ৰথম চেমিষ্টাৰতে ছয়টা ৰুম লাগে । এই যে এটা চেমিষ্টাৰৰ বাবে ছয়টা ৰুম লাগে এই আন্তঃগাঠনি অসমৰ কেইখন কলেজত আছে ? শিক্ষা বিভাগে এই কথাটো বুজি ল'ব লাগে আৰু আন্তঃগঠনিৰ বাবে বাবে বিভাগে ব্যৱস্থা ল'ব লাগে । পাঠ্যপুথিত যে স্কীল আণ্ডাৰষ্টেডিং ইণ্ডিয়া, যোগা, ছফ্‌ট্ৱেৰ ডিজাইনৰ ব্যৱস্থা ল'ব লাগে তাৰ বাবে কিবা ব্যৱস্থা কৰিলেনে ? এতিয়ালৈকে নাই হোৱা। গতিৰে আমাৰ শিক্ষাৰ ব্যৱস্থাটো যে আগতকৈ বেছি বেয়া হ'ব এইটো বুজি লোৱাটো দৰকাৰ। শিক্ষকৰ যেনেদৰে অভাৱ পাঠ্যপুথিৰো তেনেকৈ অভাৱ হৈ আছে । মেছিভ অনলাইন এণ্ড অপেন চেন্টাৰ যিটো হ'ল তাত এনৰোলমেন্টৰ পিছত একাডেমিক বেংক অৱ্‌ ক্ৰেডিত ছাত্ৰ-ছাত্ৰীৰ নাম ৰেজিষ্টাৰ কৰিব লাগে। ৰেজিষ্টাৰৰ কাৰণে আকৌ আধাৰ টো বাধ্যতামূলক। অসমত যদি দহ লাখ ছাত্ৰ-ছাত্ৰী আছে তাৰ তিনিলাখৰে আধাৰ কাৰ্ড নাই । এইটো এটা ডাঙৰ সংকট। এই সংকট দূৰ কৰিবৰ কাৰণে শিক্ষা বিভাগে আচলতে কি কৰিছে এইটো মানুহক জনোৱাটো দৰকাৰ। আনহাতে সমৰ্থ নামৰ এটা পৰ্টেলৰ জৰিয়তে এইবাৰ গোটেই এডমিশ্যন বিলাক দিয়া হৈছিল আৰু এডমিশ্যনৰ কাৰণে যেতিয়া এডভাৰটাইজ কৰা হৈছিল তাত কোনখন কলেজত কিমান চিট আছে সেইটো কোৱা হৈছিল । এতিয়া কলেজ বিলাকত সেই চিটবোৰ ফিলাপ হ'লনে ? যিসময়ত আমাৰ কলেজৰ এনৰোলমেন্ট কম সেই সময়ত কৈ আছে যে আমি ম'ডেল কলেজ বনাইছো। মই তেখেত সকলক ক'ব বিচাৰিছো যে ম'ডেল কলেজত যিমানজন শিক্ষক আছে সিমানজন ছাত্ৰ-ছাত্ৰী আছেনে নাই এবাৰ চাই আহক । এই সমৰ্থ পৰ্টেল খোলাৰ পিছত গ্ৰামাঞ্চল বিলাকত ল'ৰা-ছোৱালীয়ে এইবাৰ এডমিশ্যন ল'ব নোৱাৰিলে । তাৰ ফলস্বৰূপে ড্ৰপ আউট ৰেট আকৌ ওপৰলৈ গুছি যাব। গতিকে ডিজিটাইজেশ্যনৰ নামত ছাত্ৰ-ছাত্ৰীৰ ওপৰত এটা ডাঙৰ আক্ৰমন নামিছে। এই বস্তুটো ভালকৈ মেনেজ নকৰিলে শিক্ষাৰ পদ্ধতিটো চলাব পৰা নাযাব । ৰাজীৱ গান্ধী কো-অপাৰেচন ইউনিভাৰচিটিৰ কথা কৈছে। সেইখন বন্ধ কৰি দিব লৈছে । যি সময়ত বিশ্ববিদ্যালয় বঢ়াব লাগে সেই সময়ত কমাব গৈ আছে। শিৱসাগৰৰ পৰা এখন ইউনিভাৰচিটি কাটি দিব বিচাৰিছে, এইটো কৰিব লাগে। কাৰণ আমাক ইউনিভাৰচিটি খন লাগে। অসমৰ চৈধ্যখন কলেজত আজিৰ দিনটোত লাইব্ৰেৰীয়ান, এচিচটেন্ট প্ৰফেচাৰৰ হিচাপ দিলে দেখিব যে ২০২২ চনৰ ১৮ নৱেম্বৰতেই চাৰিশ

ত্ৰিশ গৰাকী এচ'চিয়েট প্ৰফেচাৰৰ পদোন্নতি কৰাৰ কথাটো কিন্তু এতিয়ালৈকে হোৱা নাই। সেইখিনি কেতিয়া কৰিব এইটো জনাব লাগে। চিলেকশ্যন গ্ৰেড আৰু চিনিঅ'ৰ গ্ৰেডৰ বাবে ৫৯৪ জন শিক্ষকৰ পদোন্নতি দিয়া হ'ল । কিন্তু এতিয়ালৈকে তেওঁলোকৰ পে ফিক্সেচন কৰা নহ'ল। এতিয়া প্ৰায় ১২০০ শিক্ষকৰ চিলেকশ্যন গ্ৰেড আৰু চিনিয়ৰ স্কেল গ্ৰেড দিব লাগে । তাৰ তালিকা প্ৰস্তুত কৰা হৈছে কিন্তু এতিয়ালৈকে পদোন্নতি দিয়া হোৱা নাই ২০০৬ আৰু ২০১৬ চনতেই কাৰ্য্যকৰী হোৱা ষষ্ঠ আৰু সপ্তম দৰমহা আয়োগৰ হ'বলগীয়া পঞ্চাশ শতাংশ বকেয়া এতিয়ালৈকে দিয়া হোৱা নাই । গতিকে গতিকে সেইখিনি হ'ব লাগে । তাৰোপৰি নতুনকৈ প্ৰাদেশীকৃত যি একচল্লিশ খন কলেজ তাত অধ্যক্ষ আছেনে, অধ্যক্ষৰ পোষ্ট চেনচন কৰা আছেনে ? এবাৰ নিজে গৈ চাই আহক। মই যিখন কটন কলেজত পঢ়ি আহিছিলো সেইখন ইউনিভাৰচিটি কৰি নষ্ট কৰি পেলালে। আজি হোজাই কলেজ, ৰবীন্দ্ৰ নাথ বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অৱস্থা চাবলগীয়া । নামত বিশ্ববিদ্যালয় তৈয়াৰ কৰিছে কিন্তু আন্তঃগাঠনি নাই । গতিকে এই ক্ষেত্ৰত মই ভাবো উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিভাগে যিদৰে কাম কৰিব লাগে সেইধৰণে কৰা নাই । বিশেষকৈ সচিবজন যদিও আই এ এছ অফিচাৰ মই তেখেতক অনুৰোধ জনাম যে মিনিমান নেচনেল ষ্টেণ্ডাৰৰ ইডুকেশ্যন আমাক লাগে । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱক মই বিৰোধীতা কৰি মোৰ বক্তব্য ৰাখিব বিচাৰিছো। বক্তব্য ৰখাৰ আগতে এখাকি প্ৰাৰ্থনা মই গাই ল'ব বিচাৰিছো । কৃষ্ণৰ মুৰুলী কৃষ্ণ বজাওসী

কৃষ্ণৰ মুৰুলী কৃষ্ণ বজাওসী
মা ঘুৰি ঘুৰি নাচোসী
কি যেন মধুৰ মিলন
মা ঘুৰি ঘুৰি নাচোসী
শিৱৰ ডম্বৰু শিৱ বজাওসী
শিৱৰ ডম্বৰু শিৱ বজাওসী
কি যেন মধুৰ মিলন
মা ঘুৰি ঘুৰি নাচোসী

মাননীয় অধ্যক্ষ মহোদয়, ইংৰাজীত এটা প্ৰ'ভাৰ্ব আছে যে- Where there is will, there is way অসমীয়াত ইচ্ছাই আদি মূল অৰ্থাৎ ইচ্ছা যাৰ থাকে তেওঁ ৰাইজৰ বাবে কাম কৰাৰ ইচ্ছা প্ৰকাশ কৰে । অসমৰ পৰাই এজন প্ৰতিনিধি আছিল দহ বছৰ দেশৰ প্ৰধানমন্ত্ৰী আৰু সেই সময়ত দেশৰ প্ৰধান মন্ত্ৰীৰ দলৰেই কংগ্ৰেছ দলে বিৰোধী দলপতি হৈ আছে। ৰাজীৱ গান্ধীৰ নামত শিৱসাগৰত থকা কো-অপাৰেটিভ ইউনিভাৰচিটি সম্পূৰ্ণ কৰি যাব নোৱাৰিলে । আজি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক আমি ধন্যবাদ জনায় নৰ্থইষ্টক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত তেখেতৰ সদিচ্ছাৰ বাবে অসমৰ জনসাধাৰণৰ হৈ ধন্যবাদ জনাব বিচাৰিছো অসমক আগুৱাই লৈ যোৱাৰ বাবে তেখেতৰ ইচ্ছাৰ কাৰণে। শিক্ষামন্ত্ৰী ড ৰণোজ পেগু ডাঙৰীয়াক ধন্যবাদ জনাইছো তেখেতৰ তৎপৰতা আৰু ইচ্ছাৰ কাৰণে যিটো তেওঁ অসমৰ ৰাইজক প্ৰদৰ্শন কৰিছে, মৰিয়নী সমষ্টিত মোৰ মা ১৯৯১ চনৰ পৰা তিনিবাৰৰ বাবে বিধায়ক আছিল আৰু মই পাঁচ বাৰৰ বিধায়ক। ১৯৯১ চনৰ পৰা যদি হিচাপ কৰি চাওঁ মা আৰু মই মিলি বত্ৰিশ বছৰ বিধায়ক হৈ আছো ।

আজিলৈকে মৰিয়নীত কোনো এখন চৰকাৰেই এখন ডাঙৰ শিক্ষানুষ্ঠান নিদিলে। ১৯৬৪ চনত স্থাপিত হোৱা আইন মহাবিদ্যালয় যোৰহাটত ৫৮ বছৰলৈকে প্ৰাইভেট হৈ আছিল ।পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বাধীন চৰকাৰে মৰিয়নিত যোৰহাট ল' কলেজ দিছে । মই অন্তৰৰ পৰা আশীৰ্বাদ তথা শুভেচ্ছা দিছো । এই চৰকাৰে পশিছ-ত্ৰিশ বছৰৰ অধিক বছৰ থাকিব । যোৱা চৰকাৰে মহিলা বিশ্ববিদ্যালয় দিব লাগে কাৰণে কৃষি বিশ্ববিদ্যালয় কেইটামান পুৰণি ঘৰত দিলে । ভাইচ চেনচেল'ৰ তথা ফেকাল্টি নিদিলেই । আজি মই ক'বলৈ পাই সুখী হৈছো যে ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰৰ নেতৃত্বত ল' কলেজ আৰু মহিলা বিশ্ববিদ্যালয় প্ৰায় ৪৯ বিঘা মাটিত নিৰ্মাণ কাৰ্য্য এতিয়া চলি আছে । আজি বিলাসীপাৰা, লক্ষিপুৰ কাজিৰঙা, মৰিয়নি সমষ্টিত মডেল কলেজ আৰু বঙাইগাওঁত ইউনিভাৰচিটি বনাব লৈছে । আন্তঃগাঠনিৰ বাবে বিভাগে পুঁজি আগবঢ়াইছে । আজি আমাৰ শিক্ষা কেনেধৰণে চলি আছে সেইটো অধ্যয়ন কৰাৰ প্ৰয়োজন আছিল। আজি অসমৰ যিটো চবি ওলাইছে সেইটো সঁচাই দুখলগা যে ২০১৪ চনৰ পৰা এতিয়ালৈকে ইউ পি এছ চি ত সৰ্বভাৰতীয় পৰ্য্যায়ত যদি ৮৫৪৭ প্ৰাৰ্থী নিযুক্তি পাইছে । আমাৰ অসমৰ ৭১ অৰ্থাৎ ৮৩ শতাংশ।

**মাননীয় অধ্যক্ষ ঃ** Please conclude Reply আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)** ঃ চমুকৈ চাবলৈ গ'লে আমি বহুত পিছুৱাই আছো। কিন্তু এতিয়া আৰোহণ আঁচনিৰ অধীনত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ ল'ৰা-ছোৱালী আগুৱাই লৈ যোৱাৰ যি পদক্ষেপ লৈছে সেইটো শলাগ ল'ব লাগিব। মোৰ ক'বলগীয়া বহুত আছিল। কিন্তু সতী সাধিনী বিশ্ববিদ্যালয় হওঁক, ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয, শিৱসাগৰ বিশ্ববিদ্যালয়, উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়, গুৰুচৰণ বিশ্ববিদ্যালয়, বঙাইগাওঁ বিশ্ববিদ্যালয়, নগাওঁ বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়কে লৈ আজি বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। মই আৰু ১ মিনিট সময় ল'ব বিচাৰিছো। আজি artificial intelligence নতুন নতুন বহু subject আছে। আজি Subject সমূহ অসমত নাছিলে। আজি পঢ়িবলৈ অসমৰ ল'ৰা-ছোৱালী বাহিৰলৈ কিয় গুচি যায়? এইবোৰ আমাৰ ইয়াতে প্ৰৱৰ্তন কৰিব নোৱাৰো নেকি? আজি অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। এনেধৰণেৰে যদি চাওঁ Women University আজি য'ত আমাৰ মহিলা সকলৰ ক'ৰবাত বৈষম্য আছিল। মহিলাসকলক আগুৱাই যোৱাৰ পদক্ষেপ। বিভিন্ন কথা ক'বলৈ বহুত মন আছিল। প্ৰজ্ঞান ভাৰতীয় আঁচনিয়ে হওঁক, mooblity grant য়েই হওঁক মই সামৰিব বিচাৰিছো. শেষৰটো কৈ মই মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম। এখন কলেজৰ এজন প্ৰফেচাৰে ২ লাখ ৬০ হাজাৰ টকা দৰমহা পায়। মন্ত্ৰী বা বিধায়কতকৈ বহুত বেছি। কিন্তু class কৰিছেনে নাই। মৰিয়নী সমষ্টিৰ টিয়ক CKB class A+grade পালে. তাৰ কাষতে এখন কলেজ আছে তেওঁলোকে B grade ও পাব সক্ষম হোৱা নাই। ইয়াত instruction ৰ প্ৰয়োজন আছে নেকি এই কলেজসমূহত সেইটো চাব লাগে। বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীজাকিৰ হুছেইন সিকদাৰ। আপোনাক সময়টো দিয়া হৈছে ১০ মিনিট। মোৰ সময় নাই। Reply আছে, আপুনি ৫ মিনিটত শেষ কৰিব।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ দলে অনা কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত আপুনি ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। কৰ্তন প্ৰস্তাৱৰ সপক্ষে বিৰোধী দলৰ বিধায়ক সকলে বক্তব্য আগবঢ়ালে কৰ্তন প্ৰস্তাৱৰ বিৰোধীতাৰে শাসক পক্ষৰ বিধায়ক সকলে ইয়াত বক্তব্য আগবঢ়ালে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, শাসক পক্ষৰ

সন্মানীয় বিধায়ক সকলে কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিব গৈ যিখিনি বক্তব্য আগবঢ়ালে সেই বক্তব্যৰ মাজতে কংগ্ৰেছ দলৰ যিসময়ত চৰকাৰ আছিল সেই চৰকাৰক বিভিন্ন ধৰণে সমালোচনা কৰিলে আৰু ২-৪ জন সন্মানীয় বিধায়কৰ বক্তব্যত এনেকুৱা লাগিল যে বিজেপিয়ে ২০১৬ চনৰ শাসনভাৰ লোৱাৰ আগত অসমত যেন কোনো school, college নাছিল, কোনো বিদ্যালয় নাছিল, কোনো শিক্ষাই নাছিল। আজিৰ পৱিত্ৰ সদনত শাসক পক্ষৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি সন্মানীয় মন্ত্ৰীসকল  আৰু শাসক পক্ষৰ বিধায়ক সকল পূৰ্বতে কংগ্ৰেছেই জন্ম দিয়া বিদ্যালয় সমূহত শিক্ষা গ্ৰহণ কৰি আজি বিধায়ক হিচাপে আমাৰ পবিত্ৰ সদনত আহি বক্তব্য ৰাখিব পাৰিছে। গতিকে প্ৰথমতে মই শাসক পক্ষৰ বিধায়ক সকলৰ প্ৰতি আহ্বান জনাম যে এবাৰ মনত কৰক আপুনি পঢ়া সেই প্ৰাথমিক বিদ্যালয়খন কোন চৰকাৰে বনাইছিল, আপুনি পঢ়া হাইস্কুলখন কোন চৰকাৰে বনাইছিল, মহাবিদ্যালয়খন কোন চৰকাৰে বনাইছিল, বিশ্ববিদ্যালয়খন কোন চৰকাৰে বনাইছিল এবাৰ নিজে নিজে নিজক প্ৰশ্ন কৰি উত্তৰসমূহ লওঁক। মাননীয় অধ্যক্ষ মহোদয়, আপুনি সময়ৰ নাটনিৰ কথা কৈছে, আপুনি গাৰ্জেন। আপোনাৰ কথাৰ বাহিৰত নাযাওঁ। আজি কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰিবলৈ আমাৰ বিৰোধী বিধায়ক সকলে যিখিনি কথা ক'লে প্ৰতিটো কথাত সমৰ্থন জনাই মই দুই-তিনিটা কথা উল্লেখ কৰিব বিচাৰিছো। শাসক পক্ষৰ বিধায়ক সকলে এটা কথা বেছিভাগেই কৈছে আমি বিনীমূলীয়া নামভৰ্তি কৰাই দিছো, ৰাজ্যখনৰ শিক্ষা ব্যৱস্থা উন্নত কৰিবলৈ যাওঁতে কেৱল বিনামূলীয়া নামভৰ্তিয়েই যথেষ্ট নহয়। শিক্ষা ব্যৱস্থাক ভাৰতবৰ্ষৰ আন ৰাজ্যৰ লগত তুলনা কৰিব যাওতে আন ৰাজ্যৰ লগত ফেৰ মাৰি ওপৰত যাবলৈ হ'লে ৰাষ্ট্ৰীয় পৰ্য্যায়ত অসমৰ শিক্ষা ব্যৱস্থাৰ মান উন্নত কৰিবলৈ যাওঁতে বিনামূলীয়া নামভৰ্তি কৰাই যদি ৰাজ্য চৰকাৰে শিক্ষা বিভাগে বাঃ বাঃ ল'ব খুজিছে, তেন্তে আমি কিন্তু শিক্ষা ব্যৱস্থাত কেতিয়াও সফল নহওঁ। নতুন মডেল কলেজৰ কথা কৈছে, নতুন বিশ্ববিদ্যালয়ৰ কথা কৈছে হয় চৰকাৰে কৰিছে।কিন্তু কেৱল যদি আমি এখন মহাবিদ্যালয়ৰ নামত 'মহা'টো আমি কাটি বিশ্ব লগাই বিশ্ববিদ্যালয় আমি কৰো, এখন মহাবিদ্যালয়ৰ লগত যদি আমি মডেল লগাই দিও, আদৰ্শ লগাই দিও, বিশ্ববিদ্যালয় হ'বলৈ হ'লে যিখিনি আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি শিক্ষা ব্যৱস্থাৰ যিখিনি প্ৰয়োজন, সেই প্ৰয়োজনখিনিক আমি পুৰণ নকৰি কেৱল চৰকাৰে বা শিক্ষা বিভাগে বাঃ বাঃ ল'বলৈ বিশ্ববিদ্যালয় খুলিলো, মডেল কলেজ খুলিলো তেনেহ'লে কিন্তু আমি সফল কেতিয়াও নহওঁ। বিশ্ববিদ্যালয় খোলক তাত আমি বিৰোধিতা নকৰো। অলপ পিছতে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে এই কথাসমূহ ক'ব পাৰে। বিশ্ববিদ্যালয় খোলক, মডেল কলেজ খোলক, তাত আমাৰ বিৰোধিতা নাই খোলক। আমি সমৰ্থন জনাম। কিন্তু বিশ্ববিদ্যালয় এখন খোলাৰ সময়ত তাত কি কি প্ৰয়োজন, সেই প্ৰয়োজন সেই চাহিদাখিনি আমি পুৰণ কৰিব পাৰিম নে নাই সেই কথাৰ ওপৰত শিক্ষা বিভাগে গুৰুত্ব দিব লাগে। কাৰণ নামমাত্ৰ চাইন-বোৰ্ডতে কেৱল বিশ্ববিদ্যালয় মডেল কলেজ.....

**শ্ৰীঅমিয় ভূঁঞা, (বিহপুৰীয়া) ঃ** অধ্যক্ষ মহোদয়, তেনেকুৱা হোৱা নাই। মোৰ সমষ্টিত মাধৱদেৱ বিশ্ববিদ্যালয় হৈছে। চৰকাৰে ধন আৱণ্টন দিছে, শিক্ষক দিছে, নতুন আন্তঃগাঁথনি নিৰ্মাণ কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত উত্তৰ দিব। সন্মানীয় বিধায়ক ডাঙৰীয়া।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মই আৰু ভাবিছিলো নতুনকৈ মন্ত্ৰীৰ কেতিয়া শপত ল'লে তেখেতে।

**শ্ৰীঅমিয় ভূঁঞা, (বিহপুৰীয়া) ঃ** সদনৰ আপুনি গৰিমা ম্লান কৰি মিছা কথা কৈছে। আমি মনে মনে থাকিব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় বিধায়ক ডাঙৰীয়া।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি এই কাৰণেই কৈছো যে খোলক বিশ্ববিদ্যালয় বা মডেল কলেজ খোলক কিন্তু তাত যাতে কোনো অভাৱ নাথাকে। শিক্ষাৰ ক্ষেত্ৰত পুঁজি আৰু বেছিকৈ লওঁক। তাত আমি বিৰোধীয়ে সদায় সমৰ্থন জনাম। চৰাকৰে যদি ভাৱে বিৰোধীয়ে সহযোগিতা কৰিব লাগে নিশ্চিতভাৱে আমাৰ দলপতি ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি সকলোৱে সহযোগিতা আগবঢ়াম। গতিকে এইক্ষেত্ৰত শিক্ষা বিভাগে চকু দিব লাগে যে বিশ্ববিদ্যালয় আমি বনোৱাৰ ক্ষেত্ৰত কেৱল সংখ্যাৰ দিশত গুৰুত্ব নিদি সেই বিশ্ববিদ্যালয় খনত গুণগত দিশত আমি গুৰুত্ব দিব লাগে। অধ্যক্ষ ডাঙৰীয়া, আজি উচ্চশিক্ষাৰ ক্ষেত্ৰত কথা ক'বলৈ গ'লে প্ৰাথমিক, মাধ্যমিক শিক্ষাৰ কথাও অলপ ক'ব লাগে। শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ মানদণ্ড কেনেকুৱা। অসমৰ সেই বিশ্ববিদ্যালয়ে সেই মহাবিদ্যালয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰী সকলৰ ফলাফল কেনেকুৱা। এই কথাবিলাক আমি আলোচনা কৰিব লাগিব। মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই নিশ্চিতভাৱে তেখেতৰ ৰিপ্লাইত আমি অনুৰোধ জনাম যে অসমৰ আজিৰ তাৰিখত বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী, মহাবিদ্যালয়ত অধ্যয়ণ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ পূৰ্বৰ তুলনাত আজিৰ তাৰিখত তেওঁলোকৰ ৰিজাল্টৰ মান, শিক্ষাৰ মান কিমান আগুৱাই গৈছে, কিমান বৃদ্ধি পাইছে আৰু সেইক্ষেত্ৰত শিক্ষা ব্যৱস্থাক কিমান উন্নত কৰি পাৰিছো সেই বিষয়ে জনাব। গছৰোপন কৰিলেই নহ'ব। সেই গছত যি ফল লাগিব, সেই ফল মিঠা হ'ব নে তিতা হ'ব তাৰ ওপৰত আমি গুৰুত্ব দিব লাগিব। শিক্ষা ব্যৱস্থা ভালকৈ চলাব লাগিব আৰু ভাল কৰিব লাগিব। আশা কৰিছো যে বিশ্ববিদ্যালয় মহাবিদ্যালয়ত অধ্যয়ন কৰি ভাল ফল লাভ কৰি ভাল জ্ঞান লাভ কৰি আহি থকা দিনত যাতে তেওঁলোকে নিজৰ কৰ্মসংস্থাপন কৰিব পাৰে, অসমৰ মান উন্নত কৰিব পাৰে, অসমৰ নাম উজ্বলাব পাৰে সেই ক্ষেত্ৰত শিক্ষা বিভাগে গুৰুত্ব দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই ভেঞ্চাৰ স্কুল-কলেজৰ কথা ক'লে শিক্ষামন্ত্ৰী ডাঙৰীয়াই শুনিব নুখুজে। কিন্তু মই প্ৰতিনিধিত্ব কৰা সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছি কলেজ ২০০৬ চনৰ আগত আৰু তেওঁলোকৰ সকলো NOC আছে। ইয়াৰ লগতে অসমৰ বহুতো ভেঞ্চাৰ কলেজ আছে, সেইখিনি প্ৰদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত মাননীয় শিক্ষামন্ত্ৰীয়ে যাতে পদক্ষেপ গ্ৰহণ কৰে তাৰ বাবে মই অনুৰোধ জনাইছো লগতে শিক্ষা বিভাগৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে যাতে আৰু অধিক সতৰ্কতা অৱলম্বন কৰে আৰু গুৰুত্ব আৰোপ কৰে। এইক্ষেত্ৰত বিৰোধীয়ে সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আশ্ৰাফুল ডাঙৰীয়াই কওঁক।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি কৰ্তন প্ৰস্তাৱ অনা হৈছে তাত অসমৰ শিক্ষা বিভাগৰ স্বাস্থ্যৰ ওপৰত পৰীক্ষা-নিৰীক্ষা হৈ আছে। আজি যদি চায় যে দেশৰ All India Survey on Higher Education 2020-21 Report ত স্পষ্টভাৱে কোৱা হৈছে যে ১ লাখ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমত ১৬ খন কলেজ আছে। য'ত National average ১ লাখ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ৩১ খন কলেজ আছে। গতিকে ইমান কলেজ-বিশ্ববিদ্যালয় কৰি থকা বুলি কোৱাৰ মূলতঃ অসমৰ উচ্চ শিক্ষাৰ স্বাস্থ্য যে ভাল নহয়, সেই কথাকে প্ৰমাণ কৰে। আজি Gross Enrollment Ratio ৰ কথা আলোচনা হৈছে। আমাৰ ইয়াত Gross Enrollment Ratio যেতিয়া ১৭.৫ শতাংশ আমাতকৈ বহু বেছি আয় কমকৈ থকা ৰাজ্য মেঘালয়ত ২৫.৮ শতাংশ হয়। তেনেহ'লে অসমৰ শিক্ষা ব্যৱস্থা ক'ত কেনেকৈ ভাল হৈছে? সেইটো হয় যে

বিশ্ববিদ্যালয় হৈ আহিছে আৰু বিশ্ববিদ্যলয় হ'লে এজন এজন VC এ কেবিনেট মৰ্য্যদা পাব। কোনোবা হয়তো ভাল লগা মানুহে পাব নিশ্চিতভাৱে তেওঁলোকৰ হয়তো যোগ্যতা থাকিব। তাৰ পিছতো গুণগত ৰিচাৰ্চ হ'ব লাগিব, যিধৰণৰ আন্তঃগাঁথনি থাকিব লাগিব, বিদেশৰ পৰা মানুহ আহিব লাগিব। এনেকুৱা ধৰণৰ বিশ্ববিদ্যালয় কিমানখন হৈ আছে আমি বিবেচনা আৰু নজৰত ৰখা উচিত। অসমৰ গুৱাহাটীৰ মাজ-মজিয়াত থকা কে চি দাস কলেজত মই সেইদিনাখন গৈছিলো আৰু মই দেখা পালো যে ৩ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে তাত মাত্ৰ ২৪ জন অধ্যাপকে পাঠদান কৰি আছে। গুৱাহাটীৰ  মাজ-মজিয়াত থকা কে চি দাস কলেজৰ অৱস্থা যদি এনেকুৱা হয় বহু গাওঁ অঞ্চলতো আপুনি গৈ চাব তাত বহু ডাঙৰ ডাঙৰ বিভাগত মাত্ৰ ৪-৫ জন অধ্যাপকে পঢ়াবলগীয়া হৈছে। যিসময়ত UGC এ আমাক কৈছে যে ক'লা আৰু বাণিজ্য শাখাৰ ক্ষেত্ৰত 1:30 আৰু বিজ্ঞান শাখাৰ কাৰণে 1:25 হ'ব লাগে। সেই সময়ত কিন্তু আমি সেই ধাৰাটো মিলাব পৰা নাই। আমি যদি আমাৰ ৰাজ্যৰ শিক্ষাৰ অৱস্থাটো কেৰেলাৰ লগত তুলনা কৰিব পাৰো কাৰণ আমাৰ আৰু তেওঁলোকৰ জনসংখ্যা বেছি। আজি কেৰেলাত ১৪০০ কলেজ আছে আৰু আমাৰ গোটেই অসমত ব্যক্তিগত কলেজকে ধৰি ৫৯৫ খন কলেজ আছে। ৮ বছৰত সদিচ্ছা থকা হ'লে আপোনালোকে ইয়াতকৈ অধিক কলেজ স্থাপন কৰিব পাৰিলেহেঁতেন আৰু সেই কথাখিনিকে আজি জলজল পটপট হৈ উঠিছে। বৰ্তমান নতুন নতুন বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তা আছে আৰু নতুন নতুন Course Curriculam থকা বিশ্ববিদ্যালয় হ'ব লাগিছিল। ৰাজীৱ গান্ধী কো-অপাৰেটিভ বিশ্ববিদ্যালয় আছিল। সেই বিশ্ববিদ্যালয়খন এক মাত্ৰ  ৰাজীৱ গান্ধীদেৱৰ নাম থকা বাবেই যদি নিঃশেষ কৰিবলগীয়া হৈছে ইয়াক আমি দুৰ্ঘোৰ বিৰোধীতা কৰিছো। ২০২১ চনত কিছু কলেজত পদ-প্ৰাদেশিকী কৰণ আৰু টিউটৰ আদি নাম লৈ কিছু শিক্ষকক নিযুক্তি দিয়া হৈছে। সেই কলেজসমূহ এটা সময়ত ভেঞ্চাৰ কলেজ আছিল। সেই কলেজ সমূহ প্ৰদেশিকীকৰণ কৰিব লাগিছিল। কিন্তু কিবা-কিবি সূত্ৰ লগাই চৰকাৰে সেই কলেজসমূহক নকৰিলে। আপুনি যদি অসমৰ কেইখনমান কলেজ চাই দেখিবলৈ পাব যে আগিয়া কলেজত মাত্ৰ ৫ জন নিয়মীয়া শিক্ষক আছে, হাগ্ৰাঘাট কলেজত ১১ জন আৰু এনেকুৱা বহু কলেজত ১০-১২ জন নিয়মীয়া শিক্ষক আছে। কলেজ এখন ১০-১২ জন নিয়মীয়া শিক্ষকৰে চলিব নোৱাৰে। এইবাৰ মডেল কলেজ সমূহক লৈ বহু প্ৰশংসা কৰা হৈছে। এইটো ভাল হৈছে আৰু আমি আৰু মডেল কলেজ বিচাৰিম। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে দেৰীকৈ কৰা পৰিকল্পনাই হওঁক বা কৰিব নিবিচৰাৰ বাবেই হওঁক  কলেজসমূহত ইমান দেৰী কৈ নামভৰ্ত্তিৰ বাবে খুলি দিয়া হ'ল য'ত অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সমান সমান হ'ল। এই প্ৰক্ৰিয়াটোত বিভাগে কিয় নাভাৰিলে যে স্থানীয় জনপ্ৰতিনিধি সকলক সামৰিব লাগে বা তাৰে অন্যান্য সামাজিক প্ৰতিনিধি সামৰি লৈ  ড্ৰাইভটো আৰম্ভ কৰিব লাগে। মাননীয় মন্ত্ৰী মহোদয়ে ফেচবুকত এটা পোষ্ট দেখাৰ পিছত ভাৱিলো যে নামভৰ্ত্তি হৈ আছে নে নাই। মোৰ সমষ্টিতো এনেকুৱা এখন কলেজ আছে। কিন্তু শিক্ষা বিভাগে কেতিয়াও কোৱা নাই যে আমি এইবাৰ আৰম্ভ কৰিম আৰু আপুনি তাৰ স্থানীয় বাসিন্দা আৰু আপুনি সহায় কৰিব। তেওঁলোকে কেতিয়াও কোৱা নাই। এই বিশ্ববিদ্যালয় আৰু কলেজসমূহৰ লগত বিভাগৰ যি যোগসূত্ৰ থাকিব লাগে যেনে-গৈ কাম-কাজ আদি চোৱা এই ক্ষেত্ৰত আমি অভাৱ দেখিবলৈ পাইছো। আমাৰ অসমত বহু কলেজ হৈ আছে আৰু যিসমূহ কলেজ আছে তাত নিযুক্তি চলি আছে। এই নিযুক্তি প্ৰক্ৰিয়াত এটা কথা দেখিবলৈ পাইছো যে কলেজসমূহৰ প্ৰাদেশিকীকৰণৰ এক্টত Transfer বা Mutual transfer নথকাৰ বাবে বহু কলেজৰ প্ৰৱক্তাই তাত Resignation দি বেলেগ এখন কলেজত ইণ্টাৰভিউ দি অন্য কলেজত যায় আৰু সেইখন

কলেজত পদ খালী হয়। আমি আইনত অলপ সংশোধন আনি Mutual transfer কৰিব পাৰো তেতিয়াহ'লে বহু ঠাইত পদ খালী নহ'ব আৰু বিজ্ঞাপন আদি দিয়াৰ দীঘলীয়া প্ৰক্ৰিয়া এটা কমি যাব। এই ক্ষেত্ৰত যদি আইনৰ কিবা জটিলতা আছে মন্ত্ৰী মহোদয়ে মোক স্পষ্ট কৰি দিব। ৰাজ্যত বহু সংখ্যক B.Ed College ৰ প্ৰয়োজনীয়তা আছিল আৰু আজিৰ সময়ত দেখা গৈছে যে হাই স্কুলৰ শিক্ষকৰ ক্ষেত্ৰত যেতিয়া B.Ed বাধ্যতামূলক কৰা হৈছে তেনেক্ষেত্ৰত আমাৰ শিক্ষকসকলে দুই বছৰ ছুটী লৈ B.Ed deputation ত যায় সেইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ বহু অসুবিধা হয়। কৃষ্ণকান্ত সন্দিকৈ কলেজৰ লগত ইতিমধ্যে আলোচনাও হৈছিল যে B.Ed টো Distance mode ত কৰিব পাৰি নেকি? মই নাজানো NCERT এ এই ক্ষেত্ৰত কি ক'ব? এই ক্ষেত্ৰত যদি চৰকাৰে অলপ আগ-ভাগ লয় আৰু খুব ক্ষীপ্ৰতাৰে যদি কাম-কাজ কৰে আৰু অন্তত deputation ত নোযোৱাকৈ যদি কাম-কাজ খিনি কৰিব পাৰে আমাৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট ভাল হ'ব। মোৰ চেঙা সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ পিছত নতুনকৈ গঠিত হৈছে। এই চেঙা সমষ্টিত ২,৮০,০০০ ভোটাৰ আছে আৰু এখন কলেজ আছে । তাৰ বাহিৰে এই সমষ্টিত কোনো কলেজ নাই। অনাগত দিনত যাতে চেঙা সমষ্টিত এখন কলেজ অন্তৰ্ভূক্ত হয় তাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উচ্চ শিক্ষা বিভাগৰ অধীনত যি ১৫,৩৩৪ লাখ টকাৰ আমাৰ proposal আছিল আৰু তাৰ বিৰুদ্ধে বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে, তাত অংশ গ্ৰহণ কৰা বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়া, চক্ৰধৰ গগৈ ডাঙৰীয়া, চিৰাজুদ্দিন আজমল ডাঙৰীয়া, কৌশিক ৰয় ডাঙৰীয়া, কমলাক্ষ পুৰকায়স্থ দে ডাঙৰীয়া, ৰূপক শৰ্মা ডাঙৰীয়া, ৰফিকুল ইছলাম ডাঙৰীয়া, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানী, দিগন্ত বৰ্মন ডাঙৰীয়া, গোবিন্দ বসুমতাৰী ডাঙৰীয়া, মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, দুৰ্গা দাস বড়ো ডাঙৰীয়া, পৃথ্বীৰাজ ৰাভা ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়া, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, আশ্ৰাফুল হুছেইন ডাঙৰীয়া, জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই অংশ গ্ৰহণ কৰাৰ কাৰণে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিলো। এই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কেইটামান কথা ক'ব বিচাৰিছো। প্ৰথমে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। তেখেতৰ দূৰদৃষ্টিৰে কিছুমান কাৰ্য্যসূচী আগতীয়াকৈ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জনাইছো। আমি অসমবাসী ভাগ্যৱান যে আমি এনেকুৱা এজন নেতা পালো যিয়ে তেখেতৰ দূৰদৃষ্টিৰে ভৱিষ্যতে অসমত কেনেকুৱা সমস্যাৰ সৃষ্টি হ'ব আৰু তাৰ পৰিপ্ৰেক্ষিতত আগতীয়া কি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব তাৰ পৰিকল্পনা তেখেতে কৰিছে। প্ৰথম দিনাই বিদ্যুতৰ আলোচনাত তেখেতে উল্লেখ কৰিছিল যে আমি ১৬,০০ মেগাৱটৰ পৰা ২৫,০০ লৈ গুচি আহিলো আৰু অতি সোনকালে আমি ৪,৫০০ মেগাৱটৰ প্ৰয়োজনীয়তাৰ ফালে যাম। তাৰ কাৰণে আগতেই পদক্ষেপ ল'ব লাগিব যে আমি এইখিনি বিদ্যুত ক'ৰ পৰা পাম। একেধৰণে যোৱা দশকত গোটেই অসম খনৰ সামগ্ৰিকভাৱে যি উন্নতি হৈছে, চাৰিওফালে এটা Upward mobility হৈছে। তাৰ ফলস্বৰূপে শিক্ষা ৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে। বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰত আমাৰ যি সীমিত সংখ্যক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় আছিল। তাৰ তুলনাত বৰ্ধিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেখেতে শিক্ষামন্ত্ৰী হৈ থাকোতেই অনুমান কৰিছিল আৰু তাৰ কাৰণে অসমত চৰকাৰে কটন মহাবিদ্যালয়, ডিফু মহাবিদ্যালয়, কোকৰাঝাৰ মহাবিদ্যালয় আৰু হাফলং মহাবিদ্যালয়, এই চাৰিখন সাধাৰণ

চৰকাৰী মহাবিদ্যালয়ৰ উপৰিও প্ৰথমবাৰৰ বাবে অসমত তেখেতে নতুনকৈ মহাবিদ্যালয় স্থাপন কৰাৰ এটা যুগ আৰম্ভ কৰিলে য'ত আমাৰ মডেল ডিগ্ৰী কলেজবোৰ আৰম্ভ হ'ল। এই মডেল ডিগ্ৰী কলেজবোৰ সেই সময়ত RUSA ৰ অধীনতেই যে কেৱল হৈছিল তেনে নহয়। RUSA ৰ উপৰিও অসম চৰকাৰে নিজৰ পুঁজিৰে SOPD ৰ অধীনতো মডেল ডিগ্ৰী কলেজ প্ৰতিস্থা কৰাৰ কাম আৰম্ভ কৰিলে। সমগ্ৰ ভাৰতবৰ্ষত RUSA ৰ অধীনত ৩৭৫ খন মহাবিদ্যালয়ৰ ভিতৰত আমি অসমে কেইখন মহাবিদ্যালয় পালো বুলি প্ৰশ্ন কৰা হৈছে। আমি যদি জনসংখ্যা অনুপাতে চাওঁ তেন্তে ১০.৫ খন মানে ১০ বা ১১ খন মহাবিদ্যালয় পাব লাগিছিল, কিন্তু, আমি তাতকৈ বেছি অৰ্থাৎ ১২ খন মহাবিদ্যালয় পাইছো। আজি সদনত কেইগৰাকীমান বিধায়কক মই বিশেষভাৱে ধন্যবাদ জনাব বিচাৰো। যোৱা চৰকাৰৰ দিনত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিধায়কক একো একোটা signature project ৰ বাবে ১০ কোটিৰ পুঁজি আৱন্টন দিছিল আৰু সেই পুঁজিৰে লাহোৱাল ৰাতাবাৰী, পাথাৰকান্দি, মাৰ্ঘেৰিটা, লামডিং, সৰুপথাৰ, ৰঙিয়া আৰু ৰঙাপাৰা সেই সময়ত ৰঙাপাৰাৰ বিধায়ক পল্লৱ লোচন দাস আছিল, এই আঠটা সমষ্টিৰ বিধায়কে নিজৰ সমষ্টিত একোখনকৈ মহাবিদ্যালয় প্ৰতিস্থা কৰাৰ বাবে ১০ কোটি টকা ব্যয় কৰিছিল। মই দেখিছো, দুই-এখন বাদ দি প্ৰায়খিনি মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্য ৭৫-৮০% সম্পূৰ্ণ হৈছে আৰু এই মহাবিদ্যালয়খিনিত আমি অহা বছৰলৈ পাঠদান কৰিব পাৰিম। মাজতে এজন অজ্ঞ ব্যক্তিয়ে মোক হঠাৎ ক'লে যে ইমানবোৰ বিশ্ববিদ্যালয় কিয় খুলি আছে? এল.পি. স্কুল খোলাৰ নিচিনাকৈ দেখোন বিশ্ববিদ্যালয় খুলি আছে। এতিয়ালৈ আমাৰ ৬ খন বিশ্ববিদ্যালয় হৈছে আৰু এখন বিশ্ববিদ্যালয় pipeline ত আছে। মাননীয় সদস্য দুৰ্গা দাস বড়োৱে উল্লেখ কৰিছে যে কোকৰাঝাৰ মহাবিদ্যালয়খনো বিশ্ববিদ্যালয় হ'ব। চৰকাৰী খণ্ডত আমি যদি সকলোখিনি মিলাই চাওঁ তেন্তে অসমত ১৯ খন বিশ্ববিদ্যালয় ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনত আছে। ব্যক্তিগত খণ্ডত মাত্ৰ ৯ খন বিশ্ববিদ্যালয় আছে। নতুনকৈ আমি ৭ খন বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱ কৰিছো, ৬ খন বিশ্ববিদ্যালয়ৰ বিল আহিছে, এখন বিশ্ববিদ্যালয়ৰ বিল অহা নাই। এই ৭ খন বিশ্ববিদ্যালয় হৈ যোৱাৰ পিছত আমাৰ সৰ্বমুঠ বিশ্ববিদ্যালয়ৰ সংখ্যা ৩৫খন হ'ব। আমি এই ৩৫ খন বিশ্ববিদ্যালয় কিয় কৰিব বিচাৰিছো ইয়াৰ কাৰণ মই জনাই দিব বিচাৰিছো। আমাৰ বৰ্তমান যিমানখিনি বিশ্ববিদ্যালয় আছে, তাত যিমানখিনি আবেদন আহে, তাৰ ভিতৰত এক-পঞ্চমাংশ আসনহে বিশ্ববিদ্যালয় বিলাকত আছে। ১৫-২০ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে গৌহাটী বিশ্ববিদ্যালয়ত নামভৰ্ত্তিৰ বাবে আবেদন কৰে কিন্তু তাত আসন আছে ২৫০০ খন। ডিব্ৰুগড় বিশ্ববিদ্যালয়তো তেনেকৈ ১৫-২০ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰে কিন্তু আসন আছে ২২০০ খন। এতেকে আমি যদি নতুন বিশ্ববিদ্যালয় খৰতকীয়াকৈ সৃষ্টি নকৰো, তেনেহ'লে বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীক আমি আসন দিব নোৱাৰিম। দ্বিতীয় কথা হ'ল যে বিশ্ববিদ্যালয়বোৰৰ নিজস্ব গুণগত মানদণ্ড উন্নত কৰিব লাগে কিন্তু affiliated কলেজৰ সংখ্যা যেতিয়া বহুত বেছি হৈ যায় তেতিয়া এই affiliated কলেজবোৰৰ ওপৰতো বিশ্ববিদ্যালয়সমূহে focus কৰিবলগীয়া হয়। সীমিত সংখ্যক affiliated কলেজহে একোখন বিশ্ববিদ্যালয়ৰ অধীনত থাকে। গৌহাটী বিশ্ববিদ্যালয়ৰ অধীনত প্ৰায় ৩০০ তকৈ অধিক মহাবিদ্যালয়/অনুষ্ঠান affiliated হৈ আছে। অৰ্থাৎ এই affiliated অনুষ্ঠানৰ সংখ্যা হ্ৰাস কৰিবলৈও আমাক বিশ্ববিদ্যালয় লাগে। মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু অখিল গগৈ ডাঙৰীয়াই Rajiv Gandhi University of Cooperative Management, Sivsagar ৰ কথা উল্লেখ কৰি কৈছে যে এই বিশ্ববিদ্যালয়খন ২০১০ চনতে

হ'ল, ২০১২ চনত UGC ৰ পৰা recognition পালে। কিন্তু মই জনাব বিচাৰিছো যে সেই সময়ত যিসকল ব্যক্তিয়ে এই বিশ্ববিদ্যালয়খন প্ৰতিস্থা কৰিছিল, ইয়াৰ বিধেয়কখন পাছ কৰিছিল, তেওঁলোকে বিলখন পাছ কৰি বিশ্ববিদ্যালয়খন স্থাপন কৰিলে, কিন্তু বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁথনিৰ বাবে কোনো পুঁজি ধাৰ্য্য নকৰিলে। আন্তঃগাঁথনিৰ বাবে পুঁজি নিদিয়াৰ বাবেই এই বিশ্ববিদ্যালয়খন পূৰ্ণাংগ পৰ্যায়ৰ বিশ্ববিদ্যালয় হিচাপে গঢ় লৈ নুঠিল। এটা ভাড়া ঘৰত টানি-আজুৰি বিশ্ববিদ্যালয়খন ৰাজীৱ গান্ধীৰ নামত চলাই থকা হ'ল। আমাৰ চৰকাৰে বিশ্ববিদ্যালয় স্থাপন কৰাৰ লগে লগে প্ৰত্যেকখন নতুন বিশ্ববিদ্যালয়ৰ বাবে ৫০ কোটি টকাকৈ ধাৰ্য্য কৰিছে আৰু এই ৫০ কোটি টকাৰে মাধৱদেৱ বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, মাজুলী বিশ্ববিদ্যালয় বা সতী সাধনী বিশ্ববিদ্যালয়েই হওঁক, আটাইকেইখনত আন্তঃগাঁথনি নিৰ্মাণৰ কাৰণে ধাৰ্য কৰিছে আৰু আন্তঃগাঁথনি নিৰ্মাণৰ কাম চলি আছে। এই আন্তঃগাঁথনি নিৰ্মাণৰ কাম এক নিশা বা এবছৰৰ ভিতৰত নহয়। ইয়াৰ কাৰণে কেইবছৰমান সময় লাগিব। অৰ্থাৎ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয় সৃষ্টি কৰি বিলখন পাছ কৰি এক পইচাও আন্তঃগাঁথনিৰ বাবে নিদিয়াকৈ বহি থাকি সেই সময়ত যি অপৰাধ কৰা হ'ল, সেই অপৰাধ আজিৰ চৰকাৰখনে কৰা নাই। আজিৰ চৰকাৰে বিশ্ববিদ্যালয়ৰ বিধেয়ক পাছ কৰাৰ লগে লগে ৫০ কোটি টকা প্ৰত্যেকখন বিশ্ববিদ্যালয়ৰ বাবে অনুমোদন হৈছে। এইটো খুব দুৰ্ভাগ্যৰ কথা যে এগৰাকী প্ৰাক্তন প্ৰধান মন্ত্ৰীৰ নামত .....interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** এতিয়া ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়খন জীয়াই থাকিব নে নাই? .....interruptions....

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (কৰিমগঞ্জ উত্তৰ)ঃ** ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়খন থাকিব লাগে ........interruptions....

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয়ে শিক্ষা মন্ত্ৰী তথা বিত্ত মন্ত্ৰী আছিল সেই সময়ত। তাৰ বাবে মই বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াকে জগৰীয়া কৰো .........interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** এতিয়া সেইখন থাকিব নে মাৰিব? ........interruptions......

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (কৰিমগঞ্জ উত্তৰ)ঃ** ৰাজীৱ গান্ধীক সন্মান যদি কৰে, থাকিব লাগে ........interruptions....

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মই কোনো দলৰ নাম কোৱা নাই........interruptions....

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয়ে সেই সময়ত শিক্ষা মন্ত্ৰী হৈ থাকোতে বিলখন আনিছিল, তেখেত বিত্ত মন্ত্ৰীও আছিল, তেখেতেই নিদিলে। মহোদয়, এইক্ষেত্ৰত তেখেতেহে explanation দিব যে কি কাৰণত এখন বিল সদনত আনি সদনৰ সময় নষ্ট কৰিলে আৰু কামো নকৰিলে ........interruptions....

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মই বিষয়টো ৰাজনীতিকৰণো কৰিব বিচৰা নাই, ব্যক্তিগতকৰণো কৰিব বিচৰা নাই ........interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** ৰাজীৱ গান্ধীৰ নামত বন্ধ নকৰিব, লাগিলে নামটোকে সলাই দিয়ক, কিন্তু বিশ্ববিদ্যালয়খন মাৰি নেপেলাব ...interruptions... মোৰ সমষ্টিৰ হয় ...interrup-

tions... মই ক'বই লাগিব .....interruptions....

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰীৰ উত্তৰৰ পিছত ক'ব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** বিশ্ববিদ্যালয়খন ৰাখিব নে নাই, মন্ত্ৰী মহোদয়ে কওঁক....interruptions...

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, ভাড়া ঘৰত বিশ্ববিদ্যালয় চলাব নোৱাৰো ........interruptions....

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ**ৰাজীৱ গান্ধী নামটো থকাৰ বাবে কাৰোবাৰ এলাৰ্জি হৈছে সেইটো ভাল কথা নহয় .....interruptions...

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** অকল ৰাজীৱ গান্ধী নামটো থকাৰ বাবেই বিশ্ববিদ্যালয়খন মাৰিব খুজিছে কিয় ? সেইটো নহ'ব। আমাক বিশ্ববিদ্যালয়খন লাগে........interruptions....

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ**এজন স্বনামধন্য ব্যক্তিৰ নামত থকা এখন বিশ্ববিদ্যালয় বন্ধ কৰিব খুজিছে, এই কথাটোত সম্পূৰ্ণভাৱে ৰাজনীতিকৰণ হৈছে। সেইকাৰণে তাৰ প্ৰতিবাদত আমি সদন কক্ষ ত্যাগ কৰিলো।

(বিৰোধীয়ে সদন ত্যাগ কৰে)।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** ৰাজীৱ গান্ধী নামটো লোৱাৰ বাবে আপোনালোকে এখন বিশ্ববিদ্যালয়ৰ হত্যা কৰিব লৈছে...interruptions.. বিজেপিয়ে এখন বিশ্ববিদ্যালয় হত্যা কৰিব খুজিছে..interruptions....আমি বিশ্ববিদ্যালয়খন মাৰিব নিদিওঁ ...interruptions....আপুনি শিৱসাগৰৰ অভিভাৱক মন্ত্ৰী .......interruptions....

**মাননীয় অধ্যক্ষঃ** Please sit down

.............(সদনত হুলস্থূল)............

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, আমাক নাম নালাগে, বিশ্ববিদ্যালয় লাগে, কাৰ নামত বিশ্ববিদ্যালয়খন হয়, সেইটো আমাৰ কাৰণে গুৰুত্বপূৰ্ণ নহয় । আমাৰ কাৰণে গুৰুত্বপূৰ্ণ হ'ল যে শিৱসাগৰত এখন বিশ্ববিদ্যালয় লাগে কাৰ নামত বিশ্ববিদ্যালয় হ'ব সেইটো আমাৰ কাৰণে গুৰুত্বপূৰ্ণ নহয়। শিৱসাগৰত এখন বিশ্ববিদ্যালয় লাগে সেইটো আমাৰ কাৰণে গুৰুত্বপূৰ্ণ আৰু শিৱসাগৰত এখন বিশ্ববিদ্যালয়ৰ বিল এইখন সদনতে আহিছে। যিহেতু ভাড়াঘৰত এখন বিশ্ববিদ্যালয় আছে গতিকে আমাৰ চৰকাৰখনে ভাড়াঘৰত এখন বিশ্ববিদ্যালয় চলাই থকাটো নিবিচাৰো। সেইবাবে এই Rajiv Gandhi University of Cooperative Management ইয়াৰ এখন repeal bill অনা হৈছে। অৰ্থ্যাৎ তাৰ যিখিনি আন্তঃগাথনি বা তাৰ যিখিনি staff আছিলে সেই সকলোখিনি শিৱসাগৰ বিশ্ববিদ্যালয়লৈ transfer হ'ব। অৰ্থ্যাৎ দুয়োখন মিলাই আমি শিৱসাগৰত এখন শিৱসাগৰ বিশ্ববিদ্যালয় কৰিম। যেনেকৈ আমি নতুন বিশ্ববিদ্যালয়ৰ কাৰণে ৫০ কোটিকৈ টকা আন্তঃগাথনি উন্নয়ণৰ কাৰণে দিছো, ঠিক তেনেধৰণে যিসমূহ মহাবিদ্যালক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ প্ৰস্তাৱ দিয়া হৈছে এই উন্নীতকৰণটো কেবল নামৰ উন্নীতকৰণ নহয়, ইয়াৰ আন্তঃগাথনিৰো উন্নীতকৰণ হ'ব, শিক্ষকসকলৰো উন্নীতকৰণ হ'ব আৰু নতুনকৈ যি আন্তঃগাথনিৰো উন্নীতকৰণৰ প্ৰয়োজন হয় তাৰ কাৰণেও এই নতুন বিশ্ববিদ্যালয় সমূহৰ বাবে চৰকাৰে ১০ কোটিকৈ টকা মঞ্জুৰ কৰিছে। তাৰকাৰণেও ইতিমধ্যে প্ৰাক্কলন বিলাক প্ৰস্তুত হৈছে আৰু এই বিশ্ববিদ্যালয় কেইখন পূৰ্ণাঙ্গ হৈ উঠাৰ পাছত উচ্চ শিক্ষাৰ ক্ষেত্ৰত আমাৰ Post Graduate ত আসনৰ যি নাটনি আছে সেয়া দূৰ কৰিব। উচ্চ শিক্ষাৰ ক্ষেত্ৰত আজি যি

সমস্যাৰ মুখামুখি হৈছো বা যিখিনি সমস্যা সমাধান কৰাৰ বাবে দায়িত্ব লোৱা হৈছে এই গোটেইখিনি হ'ল আমাৰ legacy problem. ২০ বছৰ আগত ল'বলগা কিছুমান পদক্ষেপ নোলোৱাৰ কাৰণে এতিয়া আমি খৰতকীয়াকৈ কিছুমান পদক্ষেপ ল'বলগীয়া হৈছে। ইয়াত college population index ৰ কথা কৈছে, gross enrollment ratio ৰ কথা কৈছে, এই সম্পৰ্কত আমি ,সম্পূৰ্ণৰূপে অৱগত। অসমৰ gross enrollment ratio ১৭ শতাংশ। কিন্তু ই উৰ্দ্ধমুখী হৈয়ে আছে। প্ৰত্যেক বছৰে আমাৰ মহাবিদ্যালয় সমূহত নাম ভৰ্ত্তি কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৫,০০০ কৈ প্ৰতি বছৰে বৃদ্ধি পাই আহিছে। এই ২৫,০০০ ছাত্ৰ-ছাত্ৰীক accomodate কৰাৰ কাৰণে আমাক আসন লাগে,তাৰকাৰণে আমাক বিভাগ লাগে, তাৰকাৰণে আমাক মহাবিদ্যালয় লাগে। ২০২২-২৩ চনত হায়াৰছেকোণ্ডাৰী পাছ কৰা Assam Higher Secondary Education Council ৰ পৰা Higher Secondary পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ২,৬৮,৪৭১। ইয়াৰে বহুতে engineering, বহুতে science বহুতে বাহিৰলৈ বা আন কিছুমান আন professional course পঢ়িবলৈ গৈছে। যি সাধাৰণ মহাবিদ্যালয় আছে তাৰে ১,৭০,০০০ ছাত্ৰ-ছাত্ৰীয়ে Samarth-eGov portal ৰ জৰিয়তে নামভৰ্ত্তি কৰিছে। ২০২৩ চনত Higher Secondary পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩,৩৪,৯১১ গৰাকী। গতিকে ২০২২ ত কৈ ২০২৩ চনত পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫০,০০০ ৰেই বেছি। গতিকে অহাবছৰ আমাৰ মহাবিদ্যালয় সমূহত আৰু বেছি আসনৰ প্ৰয়োজন হ'ব। কিন্তু তাৰবাবে অসমবাসী বা ছাত্ৰ-ছাত্ৰীৰ সকলে চিন্তিত হোৱাৰ কোনো প্ৰয়োজন নাই। কাৰণ ইতিমধ্যে আমাৰ যিসমূহ মহাবিদ্যালয় under construction আছিল সেইসমূহ আমি সাজু কৰি তুলিছো যাতে তাত আমি উপৰঞ্চি ছাত্ৰ-ছাত্ৰী সকলৰ নাম ভৰাব পাৰো। কেইবাগৰাকী বক্তাই বিজ্ঞান আৰু বাণিজ্য শাখা মহাবিদ্যালয় সমূহত প্ৰৱৰ্তণ কৰাৰ কথা উল্লেখ কৰিছে। যোৱাকালি মই এটা প্ৰশ্নৰ উত্তৰত কৈছিলো যে বিজ্ঞান আৰু বাণিজ্য শাখা খোলাৰ ক্ষেত্ৰত অসম চৰকাৰখনে পৰ্য্যায়ক্ৰমে মহাবিদ্যালয় খুলি গৈছে। পৰ্য্যায়ক্ৰমে বিজ্ঞান আৰু বাণিজ্য শাখাৰ মহাবিদ্যালয় খোলাৰ কাৰণ হৈছে যে এই দুটা শাখাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱা নাই। গতিকে বিজ্ঞান শাখা খুলি দিলেই যে আমি ছাত্ৰ-ছাত্ৰী পাম এই কথাটো সত্য নহয়। কলা শাখাত আমি বহুত ছাত্ৰ-ছাত্ৰী পাওঁ। দলগাৱঁত এখন মডেল ডিগ্ৰী কলেজ আছিল বিজ্ঞান শাখাৰ। এতিয়া আমি দলগাৱঁত কলা শাখাটো খুলি দিলো। খুলি দিয়াৰ বছৰটোতে আমি ৪০০ ত কৈও বেছি ছাত্ৰ-ছাত্ৰীক admission দিবলৈ সক্ষম হৈছো। কিন্তু বিজ্ঞান শাখাত আমি কোনো মহাবিদ্যালয়তে ৪০০ ছাত্ৰ-ছাত্ৰী একেলগে পোৱা নাই। গতিকে আমি focus কৰিছো যে বিদ্যালয় শিক্ষাত বিজ্ঞান শাখাটো শক্তিশালী নকৰিলে মহাবিদ্যালয়ত বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি নাপাব। গতিকে এই বছৰ আমি ৪ খন মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তণ কৰিছো আৰু অহাবছৰো কৰিম।

কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই তেখেতৰ কৰিমগঞ্জ সমষ্টিৰ কথা কৈছে, কৰিমগঞ্জ জিলাখনত ইতিমধ্যে আমি এৰালিগুল নামৰ ঠাইখনত এখন মডেল ডিগ্ৰী কলেজ প্ৰতিষ্ঠা কৰিছো বিজ্ঞান শাখা লৈ। তেখেতে বদৰপুৰৰ নামো উল্লেখ কৰিছে। নিশ্চিত ভাৱে আমি পৰ্য্যায়ক্ৰমে প্ৰতিখন মহাবিদ্যালয়তে কলা, বিজ্ঞান আৰু বাণিজ্য শাখাটো দিম কাৰণ New Education Policy য়ে multi disiplinary education ৰ কথা কৈছে। গতিকে multi disiplinary education কৰিবলৈ হ'লে প্ৰতিখন মহাবিদ্যালয়ে multi disiplinary হ'ব লাগিব। তাৰবাবে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে পৰিকল্পিতভাৱে আমি কাম কৰিম।

কিন্তু পৰ্য্যায়ক্ৰমেহে কৰিম। একেবাৰতে আমি গোটেইখিনি মহাবিদ্যালয়ত নতুন stream খুলি দিব নোৱাৰো। ইয়াৰ বাবে যি প্ৰয়োজনীয় আন্তঃগাথনি আছে বা ওচৰতে যদি অন্য মহাবিদ্যালয় আছে এই মহাবিদ্যালয় সমূহৰ লগত tie up কৰা এনেকুৱা কিছুমান ব্যৱস্থাৱলী যি স্থানীয়ভাৱে কিছুমান governing body আছে। সেই governing body য়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ইয়াত বহুত মহাবিদ্যালয় প্ৰবক্তাৰ নাটনিৰ কথা কৈছে যে ছাত্ৰ-ছাত্ৰী আছে কিন্তু শিক্ষক নাই লগতে মই এই কথাও জনাই দিব বিচাৰিছো যে কিছুমান মহাবিদ্যালয়ত প্ৰবক্তা আছে কিন্তু সেই বিভাগত ছাত্ৰ-ছাত্ৰী নাই। সেই ক্ষেত্ৰতো আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাৰবাবে আমাৰ উচ্চ শিক্ষা বিভাগৰ digitization টো অত্যন্ত গুৰুত্বপূৰ্ণ। Digital তথ্য আমাৰ হাতত থাকিব লাগিব। আজি কোন কলেজত কিমান জন grade-III staff আছে, কিমান জন grade-IVstaff আছে, কিমান faculty আছে, সেই faculty অনুসৰি কিমানজন student আছে, তাৰ বিতং digital তথ্য আমি প্ৰাপ্তি কৰিব লাগিব আৰু তাৰবাবে আমি ভাৰত চৰকাকক দ্বাৰাই প্ৰস্তুত কৰা Samarth-eGov portal ৰ জৰিয়তে এইবছৰ আমি নামভৰ্ত্তি আৰম্ভ কৰিছো। Digitization কৰিব যাওঁতে আমি বিভিন্ন ঠাইত সমালোচনা বা প্ৰতিবাদৰ মুখামুখি হওঁ। আমি Assam Higher Education Council ৰ জৰিয়তে যেতিয়া concil ত প্ৰথম দৰ্পণ নামৰ এটা portal ৰ জৰিয়তে online মাধ্যমত যেতিয়া ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিলো তেতিয়া বিভিন্ন সমালোচনাৰ সন্মুখীন হৈছিলো। কিন্তু এতিয়া আমি কাৰো পৰাই কোনো এটা শব্দ নুশুনো। কিন্তু সম্পূৰ্ণ online ব্যৱস্থাৰে Higher Secondary ৰ নামভৰ্ত্তি সুচাৰুৰূপে আমি সম্পন্ন কৰি আছো দৰ্পণ portal ৰ জৰিয়তে। একেধৰণে Samarth-eGov portal ৰ জৰিয়তে আমি নামভৰ্ত্তি কৰিছো। কতো কোনো এখন আসনে block হোৱা নাই। আগতে off line ব্যৱস্থা থাকোতে এজন ছাত্ৰই তিনি ঠাইত নামভৰ্ত্তি কৰে আৰু তিনিটা seat block কৰি ৰাখে। কিন্তু এতিয়া Samarth-eGov portal ৰ যিটো system আছে তাৰ জৰিয়তে এতিয়া কোনেও এখনো আসম block কৰিব নোৱাৰে। যোৱাকালিৰ পৰা আমাৰ শেষ পৰ্য্যয়ৰ নামভৰ্ত্তি আৰম্ভ হৈছে কাৰণ মাজত যিসকলে Central University entrance TET বা Q.Ed examination দি যিসকলে admission ললে বা তেওঁলোকে পিছত পালে, তেওঁলোকৰ admission খিনি পিছত cancel কৰিব লাগিব। **যিটো আমাৰ 'সমৰ্থ ই পোৰ্টেল'– জৰিয়তে এডমিশ্যন লৈছিল ইতিমধ্যে তাৰ কেনচেলেশ্যেন প্ৰক্ৰিয়া আৰম্ভ হৈ গ'ল । তেওঁলোকৰ যি ফিজ আছিল সেইখিনিও ঘূৰাই দিয়া হ'ব আৰু সেই আসনত আমি আন ছাত্ৰ ছাত্ৰীক আমি এডমিশ্যন দিব পাৰিম । ক'তো আমাৰ আসনৰ অপচয় হোৱা নাই । মহাবিদ্যালয় সমূহত প্ৰয়োজনীয় শিক্ষক প্ৰবক্তা নন টিচিং ষ্টাফ সেইখিনি প্ৰয়োজন অনুসৰি দিয়াৰ বাবে আমি ক ৰবাত কৰবাত ৰেশ্যনেলাইজড কৰিব লাগিব পাৰে আৰু তাৰ কাৰণে আমাক এই ডিজিটেল ব্যৱস্থাটো লাগিব। 'সমৰ্থ ই গফ্ট-' এই ডিজিটেল পোৰ্টেলটোত নাম ভৰ্তি সফলতাৰে কৰাৰ পিচত আমি শিক্ষক শিক্ষয়ত্ৰী ষ্টাফ তেওঁলোকক পোৰ্টেলত ৰেজিষ্টাৰ কৰিবলৈ ব্যৱস্থা আৰম্ভ কৰিছো । তেওঁলোকে এই পোৰ্টেলত নিজৰ নিজৰ প্ৰফাইল আপলোড কৰি দিয়াৰ লগে লগে কোন মহাবিদ্যালয়ত কিমান টিচাৰ্ছ কিমান পোষ্টৰ নাটনি আছে আৰু গ্ৰেড থ্ৰি - গ্ৰেড ফোৰৰ কিমান নাটনি আছে এই গোটেইখিনি আমাৰ নখ দৰ্পনত থাকিব আৰু তেতিয়া আমি পৰিকল্পিতভা্বে মহাবিদ্যালয় সমূহৰ কাৰ্ণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হ'ম । ইয়াত প্ৰভিন্সিয়েলাইজেশ্যনৰ কথা পুন ৰবাৰ দোহাৰিছে । এইখন পবিত্ৰ বিধান সভাই প্ৰভিন্সিয়েলাইজেশ্যন আইন ২০১৭ ত**

পাছ কৰিছিল  আৰু এই আইনৰ আওতাৰ ভিতৰত যিসমূহ বিদ্যালয় আৰু মহাবিদ্যালয় আছে সেইবোৰ প্ৰভিন্সিয়েলাইজেশ্যন হৈ গ'ল বাকী যিখিনি আছে সেইখিনি এই আইনখনৰ আওতাৰ ভিতৰত নপৰে ।  এই আইনৰ আওতাত নপৰা বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ক্ষেত্ৰত মই শিক্ষা মন্ত্ৰী হিচাপে যিকোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ অপাৰগ । আপুনি এগৰাকী সন্মানীয় বিধায়ক আপোনা্লোকে সন্মানীয় বিধায়কসকলে প্ৰস্তাৱ দিয়ক । এই প্ৰস্তাৱ কিন্তু যুক্তিসন্মত হ'ব লাগিব । আমাৰ ফাইনেন্স ডিপাৰ্টমেন্ট , জুডিচিয়েল ডিপাৰ্ট মেন্ট, লেজিছলেটিভ ডিপাৰ্টমেন্ট সকলোৱে ভেটিং কৰিব লাগিব -তাৰ পিচতহে বিধান সভালৈ আহিব আৰু তাৰ পিচতহে বিলখন পাছ হ'ব । মাননীয় ৰফিকুল ইছলাম ডাঙৰীয়াই কেইটামান গুৰুত্বপূৰ্ণ কথা কৈছে এই গুৰুত্বপূৰ্ণ কথা কেইটা হ'ল যে আমাক নতুন যুগৰ লগত খাপ খোৱা বিষয়সমূহ আমাৰ উচ্চ শিক্ষাৰ অনুষ্ঠানত উপলব্ধ হ'ব আমাৰ বৃটিছৰ দিনতে দি থৈ যোৱা পলিটিকেল চাইন্স, ইক'নোমিক্স , ফিলোচ'ফি , এডুকেশ্যন আদি চাবজেক্টৰ নামেৰে এই কেইটামান চাবজেক্ট লৈ আমাৰ উচ্চ শিক্ষা চলিব নোৱাৰে - গতিকে এই নিউ চা'বজেক্ট বিলাক , আমাৰ শিক্ষানুষ্ঠানবিলাকত লাগিব। আৰ্টিফিচিয়েল ইনটেলিজেন্স বুলিয়েই কওঁক বা ইন্টাৰনেট অৱ থিংচ বুলিয়ে কওক বা মেছিন লাৰ্নিং বুলিয়ে কওঁক বা কোৱান্টাম ফিজিক্স বুলিয়েই কওক আনকি স্কীলড এণ্ড ভোকেশ্যনেলৰ ক্ষেত্ৰতো এই চাবজেক্টবিলাক লাগিব আৰু তাৰ কাৰণে নেশ্যনেল এডুকেশ্যন পলিচিয়ে ব্যৱস্থা গ্ৰহণ কৰিছে । কেইদিনমান আগতে নেশ্যনেল কেৰিকুলাম ফ্ৰেমৱৰ্ক ফৰ স্কুল এডুকেশ্যন প্ৰকাশ হৈছে । মই সকলো বিধায়কক অনুৰোধ জনাম যে সেই ফ্ৰেমৱৰ্কটো পঢ়িব । বিদ্যালয়ৰ নতুন শিক্ষাৰ ৰেহ ৰূপ কি হ'ব সেইখিনি বুজিবলৈ সহায় হ'ব আৰু স্কীলড এডুকেশ্যনৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা হৈছে এতিয়া মহাবিদ্যালয় যি ফ'ৰ ইয়েৰছ ডিগ্ৰি কোৰ্ছ আৰম্ভ হৈছে তাত মেজৰ বা মাইন'ৰ কোৰ্ছৰ উপৰিও মাল্টি ডিছিপ্লিনেৰী চাবজেক্ট , স্কীলড এনহেন্সমেন্ট কোৰ্ছ, এবিলিটি এনহেন্সমেন্ট কোঁছি -, ভেল্যু এডেড কোৰ্ছ এই ক'ম ক্ৰেডিটৰ কোৰ্ছবিলাকো আমাৰ ছাত্ৰ ছাত্ৰীসকলে ল'ব লাগিব । তাৰ কাৰণে ডিপাৰ্টমেন্ট খুলিব লাগিব বা প্ৰবক্তা নিযুক্তি দিব লাগিব বুলি কোনো কথা নাই । তাৰ কাৰনে নিউ এডুকেশ্যন পলিচিয়ে কৈছে মুভ মেচিন অনলাইন কোৰ্ছ – ইয়াৰ কাৰনে ভাৰত চৰকাৰে উদ্যোগ এটা লৈ 'স্বয়ম' নামৰ এটা পোৰ্টেল সৃষ্টি কৰিছে য'ত এই অনলাইন কোৰ্ছবিলাক উপল্ব্ধ হ'ব । কেইদিনমান আগতে আমাৰ উচ্চ শিক্ষা বিভাগে 'ইনফোছিচ' কোম্পানীৰ লগত এখন ' মৌ' — চহী কৰিলো । তাত তেওঁলোকৰ ' – Spring Board - on line portel ৰ সুবিধাখিনি আমাৰ ছাত্ৰ ছাত্ৰীসকলে যাতে লাভ কৰিব পাৰে । এই বোৰ্ডৰ চৰ্ট ডিউৰেশ্যনৰ ১২,০০০ কোৰ্ছ উপলব্ধ আছে । ইয়াৰ পৰাও ছাত্ৰ ছাত্ৰীৰ লগতে শিক্ষক শিক্ষয়িত্ৰী উপকৃত হ'ব । গতিকে আমি এই নিউ এডুকেশ্যন পলিচিক এটা নতুন দৃষ্টিভঙ্গীৰে চাব লাগিব । আজিও সদনত এগৰাকী মাননীয় সদস্যই উল্লেখ কৰিছে যে, মহাবিদ্যালয়ৰ প্ৰৱক্তাসকলে সঠিক গুণগত শিক্ষা প্ৰদান কৰিছেনে কৰা নাই তাৰ কাৰণে আমি একোটা তেওঁলোকৰ পাৰ্ফমেন্স লোৱাৰ ব্যৱস্থা কৰিছো ।ইউনিভাৰ্চিটি গ্ৰান্ট কমিশ্যনে কৈছে যে এজন প্ৰৱক্তা বা শিক্ষকে সপ্তাহত ৪০ ঘন্টা কলেজত বা বিদ্যালয় থাকিব লাগিব আৰু অকল ক্লাচেই যে কৰিব লাগিব এনে নহয় তাত কৰবাত ৱৰ্কচ'প- চেমিনাৰ , ইন্টাৰ্নশ্বীপ বা ফিল্ড ভিজিটো হ'ব। এই সকলোবিলাক লৈহে এগৰাকী প্ৰৱক্তাই চল্লিছ ঘন্টা ছাৰ্ভিছ দিব লাগিব। এইটো লৈ আমি কেইদিনমান এডভাইজৰী এখন মহাবিদ্যালয়বিলাকত দিছো আৰু ইয়াৰ মতে এটা সুন্দৰ পৰিবেশ গঢ়ি উঠিছে। অধ্যক্ষ মহোদয়, এই ব্যৱস্থাটোৱে আমাৰ বিদ্যালয় মহাবিদ্যালয় সমূহক এটা নতুন মাত্ৰালৈ লৈ যাব বুলি আশা কৰিছো।

বি এড এডুকেশ্যনৰ কথা কৈছে, আমাৰ বি এড টো বিদ্যালয় শিক্ষাৰ লগতে উচ্চ শিক্ষাও কিছু কিছু ক্ষেত্ৰত চায়। এতিয়া যি নতুন শিক্ষা নীতি আহিলে আগৰ দুবছৰীয়া বি এড কোৰ্ছৰ লগতে ফোৰ ইয়াৰ ইন্টিগ্ৰেটেড বি এড খোলাৰ বাবে বিশ্ববিদ্যালয়সমূহে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু তেওঁলোকে নেশ্যনেল কাউন্সিল অৱ টিছাৰৰ ওচৰত আবেদন কৰিব লাগিব। বৰ্ত্তমান অসম ৰ দুখন মহাবিদ্যালয়ে তেওঁলোকৰ নিজস্ব চেষ্টাত এন চিটি ৰ পৰা ফ'ৰ ইয়েৰচ ইন্টিগ্ৰেটেড টিচাৰছ প্ৰগ্ৰেম - তেওঁলোকে লাভ কৰিবলৈ সক্ষম হৈছে । এখন হ'ল নৰ্থ লক্ষিমপুৰ মহাবিদ্যালয় আৰু আনখন জামুগুৰিৰ হেমবৰুৱা মহাবিদ্যালয় । মই এই দুখন মহাবিদ্যালয়ক ধন্যবাদ জনাইছো । গতিকে অনুৰূপভাবে প্ৰত্যেকখন মহাবিদ্যালয়ে ফোৰ ইয়েৰচ ইন্টিগ্ৰেটেড বি এচ কোৰ্ছ খোলাৰ বাবে এন চি টিৰ গাইডলাইনমতে ইনিচিয়েটিভ ল'ব পাৰে । গোৱালপাৰাৰ বি এড কলেজখন ফেকাল্টি ক'ম হোৱা বাবে ২০১৯ ৰ পৰাই বন্ধ হৈ আছে । আমি চালে দেখিম যে ইয়াৰ কাৰনটো হ'ল এতিয়া এ পি এচ চিত এটা সময়ত দুৰ্নীতি কেলেংকাৰীৰে বহু নিযুক্তি দি আমাক ব্যাহত কৰি দিলে । তাৰ ফলত আমাৰ ইঞ্জিনিয়াৰিং কলেজসমূহকে আৰম্ভ কৰি বি এড কলেজসমূহৰো ৰিক্ৰুইটমেন্টত বাধাগ্ৰস্ত হ'ল । তাৰ ফলত ২০১৯ চনত গোৱালপাৰা বি এড কলেজত শিক্ষক দিব নোৱাৰিলো আৰু এন চিটিৰ পৰা স্বীকৃতি বাদ পৰিল। কিন্তু মই আজি সদনত জনাই সুখী যে এপিএচচিৰ পৰা নতুনকৈ প্ৰৱক্তা বাচনি কৰি দিছে আৰু আমি সোনকালে গোৱালপাৰা বি এড কলেজত শিক্ষক নিযুক্ত কৰিব পাৰিম আৰু বাতিল হোৱা স্বীকৃতি আমি পুনৰ ঘূৰাই আনিবলৈ সক্ষম হ'ম । টুবেলভ- বিৰ ৰিক'গনাইজেশ্যনৰ কথা উল্লেখ কৰিছে এইটো ইউনিৰ্ভাচিটিৰ গ্ৰান্ট কমিশ্যনৰ এটা কণ্ডিশ্যন যে- টুৱেলভ-বিৰ ৰিক'গনাইজেশ্যন যদি নহয় তেতিয়া হ'লে ইউনিৰ্ভাচিটিখনলৈ ইউ জি চিৰ পৰা অনুদান নাহে । গতিকে 12B recognition হ'বলৈ হলে minimum আন্তগাঠনি minimum faculty university খিনিক লাগে। আমি এইটো এটা target কৰি লৈছো যে আমাৰ প্ৰত্যেকখন বিশ্ববিদ্যালয়ত যাতে এই12B recognitionৰ কাৰণে আবেদন কৰিব পৰাকে সক্ষম হয়। এতেকে এই ৫০ কোটি টকা বা নতুন existing collegeক upgradation ৰ ক্ষেত্ৰত ১০ কোটিকৈ টকা এইখিনি আন্তগাঠনিৰ কাৰণে পুঁজি দিয়াৰ উপৰিও ইয়াত আমি post creationও আমি কৰিছোঁ। আটাইকেইখন বিশ্ববিদ্যালয়ৰ কাৰণে post creation হৈছে। ইতিমধ্যে সতিসাধিনী বিশ্ববিদ্যালয়ত নতুন নিযুক্তি হৈ ছাত্ৰ-ছাত্ৰীৰ admission হৈ তাত পাঠদানো আৰম্ভ হৈ গ'ল। মাধবদেৱ বিশ্ববিদ্যালয়ত পাঠদান হৈ আছে। ভট্টদেৱ বিশ্ববিদ্যালয়ত পাঠদান হৈ আছে, মাজুলী বিশ্ববিদ্যালয়ত পাঠদান হৈ আছে। গতিকে এই বিশ্ববিদ্যালয় কেইখনক অতি সোনকালে তেওঁলোকে 12B recognition আৰম্ভ কৰিব পাৰিব। নতুন মহাবিদ্যালয় কেইখনমানৰ দাবী উঠিছে আৰু বহুত বিধায়কৰ পৰা বা স্থানীয় ৰাইজৰ পৰা মহাবিদ্যালয়ৰ প্ৰস্তাৱ আমালৈ আহে। এতিয়া আমি এটা system কৰিছো, যে আমি satellite map ৰ জৰিয়তে GPS location দি ওচৰত বেলেগ কলেজ আছেনেকি আমি এতিয়া চাই লম। কাৰণ ওচৰত এখন কলেজ থকাৰ পিছত আৰু এখন কলেজ ওচৰতে প্ৰতিষ্ঠা কৰাৰ কোনো যুক্তিযুক্ততা নাথাকিব পাৰে। এতিয়া বহুতে কয় যে মোৰ সমষ্টিত নাই, মোৰ সমষ্টিত নাই হয় কোনোবা সমষ্টিত আমাৰ আগতে আছিল, যেনেকৈ তামোলপুৰ সমষ্টিত এখনো মহাবিদ্যালয় নাছিল। ওডালগুৰি সমষ্টিত মহাবিদ্যালয় নাছিল। কিন্তু যদি ওডালগুৰি সমষ্টিটোৰ ভিতৰত নাই কিন্তু ওডালগুৰি মহাবিদ্যালয় বুলি এখন বিদ্যালয় আছে। সমষ্টিটোৰ মাত্ৰ বাহিৰত। ঠিক তেনেকৈ চেঙা সমষ্টিৰ বিধায়কে যিটো কথা কৈছিল যে

তেখেতৰ সমষ্টিত মহাবিদ্যালয় নাই। যোৱাকালি মোৰ এটা ঠাইৰ নাম দিলে মই Assam Space Application Centreলৈ লগে লগে location টো পঠাই দিলো। আধাঘন্টাৰ ভিতৰত report আহি গ'ল যে নহয় ছাৰ, ওচৰতে ৮ কি.মিটাৰ দূৰতে নগৰবেৰা কলেজখন আছে। অৰ্থাৎ তেখেতে উত্তৰপাৰ দক্ষিণপাৰ দুয়োটা সামৰি সমষ্টিটো আছে, তেখেতৰ সমষ্টিত মহাবিদ্যালয় নাই কিন্তু কাষৰ সমষ্টিতে ওচৰতে মহাবিদ্যালয় আছে। গতিকে মই আপোনাৰ সমষ্টিতো নাকচ কৰা নাই। যিটো location দিছে, সেইটো লোকেচনটো নহ'ব। ৮ কি. মিটাৰ দূৰত্বৰ ভিতৰত এইখন চৰকাৰে আৰু এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিব নোৱাৰে। তাত ব্যৱস্থাই নাই, সেইখনৰ ক্ষেত্ৰত কোনো তেনেকুৱা বাধাও নাই। তেখেতৰ সমষ্টিটো ব্ৰহ্মপুত্ৰৰ ইপাৰ সিপাৰ দুয়োফালে মিলি। এতেকে আপুনি বিকল্প লোকেচন দিব, বিকল্প লোকেচন দিলে আমি ব্যৱস্থা কৰিম। মই ঘড়িটোলৈ চাই আছো, মই আৰু মাত্ৰ কেইটামান মিনিট আছে। ইয়াৰ লগতে আৰু এটা তথ্য দিব বিচাৰো NEPয়ে Internationalization of Education ৰ কথা কৈছে। Internationalization of Education particulary Higher Education আৰু কৈছে যে এতিয়া বিদেশী বিশ্ববিদ্যালয় আহি আমাৰ ইয়াত campus খুলিব পাৰিব আৰু আমিও গৈ বিদেশত University campus খুলিব পাৰিম। আমি বাহিৰত গৈ বিশ্ববিদ্যালয় খুলিব পাৰিম। যেনেকৈ আই আই টি দিল্লীৰ campus হৈছে, দুবাইত এতিয়া আই আই টি দিল্লীত কেম্পাছ হ'ব। একেধৰণে আমি দুই কেইখনমান বিদেশী বিশ্ববিদ্যালয়ৰ লগত কথা পাতি আছো তেওঁলোকৰ কেম্পাছ অসমত যাতে খুলিব পাৰে। মহত্মাগান্ধী হিন্দী আন্তৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ কেম্পাছ এটা ইতিমধ্যে গুৱাহাটীত আৰম্ভ হৈছে। অলপ আগত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই উল্লেখ কৰিছিল যে যেতিয়া Rajiv Gandhi University শিৱসাগৰত প্ৰতিষ্ঠা হৈছিল আমাৰ মুখ্যমন্ত্ৰী শিক্ষামন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ে আছিল বুলি কৈছিল। মোৰ সেই সময়ত মনত পৰা নাছিল, এতিয়া মনত পৰিল যে Rajiv Gandhi University of Co-operative Management এইখন শিক্ষা বিভাগৰ অধীনত নাছিল। এইখন আছিল co-operation বিভাগৰ অধীনত। ২০১০ চনত যেতিয়া প্ৰতিষ্ঠা হৈছিল কোন কো-অপাৰেটিভ মন্ত্ৰী আছিল মই নাজানো, কিন্তু ২০১০ চনত যেতিয়া এই Rajiv Gandhi University of Co-operative হৈছিল তেতিয়া সেইখন মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু তেখেতে এইটো ভুল নকৰে, কাৰণ তেখেতে প্ৰজেক্ট দিলে প্ৰজেক্টৰ লগত প্ৰয়োজনীয়, মানে হাঁটী দিলে হাঁটীৰ লগত শিকলিও দি পঠিয়াই। গতিকে আজি যেনেকৈ বিশ্ববিদ্যালয় কৰিছে লগতে ৫০ কোটিকৈ টকা দিছে। কলেজক upgrade কৰিছে লগতে ১০ কোটিকৈক টকা দিছে। কিন্তু সেই সময়ত co-operation department ৰ অধীনত Rajiv Gandhi University of Co-operative প্ৰতিষ্ঠা হ'ল কিন্তু তাৰ আন্তগাঠনিৰ কাৰণে পুঁজি আৱন্টন নহ'ল। কথাটো মোৰ মনত পৰিল এইটো ৰেকৰ্ডত এটা ভুল তথ্য গুচি যাব সেই কাৰণে আৰু মাননীয় মুখ্যমন্ত্ৰীৰ বিপক্ষে এইটো ভুল তথ্য গুচি যাব গতিকে এই কথখিনি মই শুধৰাই দিলো। চৰকাৰ খনে অপ্ৰাণ চেষ্টা কৰিছে আৰু এই প্ৰচেষ্টাতে আমি উচ্চ শিক্ষা বিভাগক আগুৱাই নিছো। এতিয়া মই সদনৰ জ্ঞাতাৰ্থে শেষত আমি যিখিনি পৰিপূৰক দাবী দিছো supplementary demand দিছো এই supplementary demand খিনি কিহৰ কাৰণে দিছো আমাৰ প্ৰজ্ঞান ভাৰতী বুলি এখন আঁচনি আছে য'ত আমি fee waiver দিও, য'ত আমি mobility grant দিও, hostel grant দিও আৰু book

grant দিও। তাৰ অধীনত আমি তিনি হাজাৰ লাখ বা ৩০ কোটি টকা আমি বিচাৰিছো।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ ছাৰ, Rajiv Gandhi University খন Co-operative বিভাগত আছিল কিন্তু repealing bill টো আপুনি শিক্ষামন্ত্ৰী হিচাপে কিয় আনিছে? Co-operative বিভাগে আনিব লাগিছিলঙ্গ

**ডাঃ ৰনোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ এইটো আমাৰ চৰকাৰ অহাৰ পিছত মই শিক্ষামন্ত্ৰী হোৱাৰ পিছত Rajiv Gandhi co-operation University খন শিক্ষা বিভাগৰ অধীনলৈ অনা হৈছে। আগতে এইটো Co-operative departmentৰ অধীনত আছিল। Jawaharlal Nehru University New Delhi, তাত আমি শ্ৰীমন্ত শংকৰদেৱ চিয়াৰ এখন প্ৰতিষ্ঠা কৰিছো আৰু এই চিয়াৰ খনৰ কাৰণে Jawaharlal Nehru Universityত ১০ কোটি টকা আমি দিম তাৰ বাবে আমি পৰিপূৰক দাবী আনিছো। Dibrugarh Universityৰ কিছু বকেয়া ধন আছে, তাৰ কাৰণে আম ১৮ কোটি টকাৰ এটা প্ৰস্তাৱ আনিছো। ইয়াৰ পিছত Majuli Universityৰ কিছু construction আৰু কিছু salary payment আছে, তাৰ কাৰণে বহুত বেছি নহয়, ৩ কোটি ৮৪ লাখ টকাৰ এটা পৰিপূৰক দাবী আনিছো। ইয়াৰ পিছত এই Rajiv Gandhi University of Co-operative Management আমি এতিয়া বিশ্ববিদ্যালয় খন প্ৰত্যাহাৰ কৰিম, বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীৰ কাৰো চাকৰি নাযায়। বিশ্ববিদ্যালয় খনৰ যি staff আছে সেইখিনি শিৱসাগৰ বিশ্ববিদ্যালয়লৈ তেওঁলোক স্থানন্তৰ হ'ব। তেওঁলোকৰ সম্পূৰ্ণ দায়িত্ব VCৰ পৰা আৰম্ভ কৰি Gr-IV যি সকল নিয়মীয়া, সকলো খিনিৰ দায়িত্ব অসম চৰকাৰে গ্ৰহণ কৰিব আৰু তাত non salary component এটাৰ কাৰণে কিছু বকেয়া ধন আছে ২ কোটি ৮০ লাখ সেইখিনিৰ কাৰণেও আমি এই পৰিপূৰক দাবী বিচাৰিছো। ইয়াৰ পিছত আমাৰ Higher Secondary ত 1st Division পোৱা ছোৱালী ছাত্ৰী সকল আৰু ৭৫ শতাংশ নম্বৰ পোৱা ছাত্ৰ সকলক স্কুতি দিয়াৰ এক কাৰ্য্যসূচী আমাৰ চলি আহিছে যোৱাবাৰ আমি ৩৫ হাজাৰ ছাত্ৰ-ছাত্ৰীক স্কুতি প্ৰদান কৰিছিলো। এইবাৰো আমি ৩৫ হাজাৰ ছাত্ৰ-ছাত্ৰীক স্কুতি প্ৰদান কৰিম। তাত ওপৰেঞ্চি 57.99 Cr. টকাৰ প্ৰয়োজন তাৰ কাৰণে আমি পৰিপূৰক দাবী আনিছো। আমাৰ ১০ খন Law College নিৰ্মিয়মান অৱস্থাত আছে। এই ১০ খন আইন মহাবিদ্যালয়ৰ নিৰ্মাণৰ খৰচ তাত আমাৰ এটা ব্যায় আছে সেই ব্যায়ৰ কাৰণে আমি ৩০ কোটি টকা পৰিপূৰক দাবী আনিছো আৰু আমাৰ কুমাৰ ভাস্কৰবৰ্মা সংস্কৃত বিশ্ববিদ্যালয়, সেই বিশ্ববিদ্যালয় খনৰ কিছু pending বিল আছে construction infrastructureৰ বিপৰীতে তাৰ বিপৰীতে আমি 60.53 lakhs ৰ এটা পৰিপূৰক দাবী আনিছো। এই সকলো খিনি মিলাই ১৫৩৩৪ লাখ টকাৰ যি পৰিপূৰক দাবী আছে এইখিনি যুক্তি সংগত, এইখিনি প্ৰয়োজনীয়, এইখিনি আমাৰ উচ্চশিক্ষাক আগুৱাই নিয়াৰ কাৰণে অতিকৈ প্ৰয়োজনীয়, এইখিনি সকলোকে মই আহ্বান জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

**শ্ৰীপ্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ অধ্যক্ষ মহোদয়, শিৱসাগৰত যে ইমান দিনৰ মূৰত যে এখন বিশ্ববিদ্যালয় দিছে তাৰ কাৰণে আমি মন্ত্ৰী মহোদয়ক আমি ধন্যবাদ জনাইছোঁ আৰু মুখ্যমন্ত্ৰীকো আমি ধন্যবাদ জনাইছোঁ।

**শ্ৰীপ্ৰশান্ত ফুকন, (ডিব্ৰুগড়)** ঃ অধ্যক্ষ মহোদয়, সময়টো বঢ়াই লওঁক।

**ডাঃ ৰনোজ পেগু, (শিক্ষামন্ত্ৰী)**ঃ পুনৰ মই এইটো স্পষ্ট কৰি দিব বিচাৰো যে, শিৱসাগৰ কলেজ শিৱসাগৰ বিশ্ববিদ্যালয়লৈ উন্নিত হ'ব আৰু এতিয়া Rajiv Gandhi University of Co-

operative Management ৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তি তাৰ faculty student with programme এই গোটেইখিনি শিৱসাগৰ বিশ্ববিদ্যালয়লৈ স্থানান্তৰিত হ'ব, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া আমাৰ ২ টা বাজিছে, সেইটো কাৰণে as per Rule মই দাবী মঞ্জুৰী নং -২৬, ১৪ ৰ লগতে সমূহ দাবীমঞ্জুৰী গিলেটিনলৈ দিছো। এতিয়া মই দাবী মঞ্জুৰী নং ২৬ আৰু ১৪ ৰ লগতে ৩, ৪, ৯, ১১, ১২, ১৮,১৯,২১,২২, ২৫,২৭,২৯,৩১, ৩৪, ৩৭, ৩৮ , ৩৯, ৪০, ৪২, ৪৩, ৪৯, ৫৫, ৫৬, ৫৭, ৫৮, ৬০, ৬২, ৬৫, ৬৯,৭০, ৭১, ৭৩,৭৪, ৭৭ আৰু ৭৮ সদনৰ অনুমোদনৰ বাবে আগবঢ়ালো।

যি সকল মাননীয় সদস্য-সদস্যা মঞ্জুৰীৰ প্ৰস্তাৱ সমূহৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যি সকল মাননীয় সদস্য-সদস্যা মঞ্জুৰীৰ প্ৰস্তাৱ সমূহৰ বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে পৰিপূৰক দাবী মঞ্জুৰী নং ২৬ আৰু ১৪ ৰ লগতে ৩, ৪, ৯, ১১, ১২, ১৮,১৯,২১,২২, ২৫,২৭,২৯,৩১, ৩৪, ৩৭, ৩৮ , ৩৯, ৪০, ৪২, ৪৩, ৪৯, ৫৫, ৫৬, ৫৭, ৫৮, ৬০, ৬২, ৬৫, ৬৯, ৭০, ৭১, ৭৩,৭৪, ৭৭ আৰু ৭৮ গৃহীত হ'ল। এতিয়া মই হাতত লৈছো কাৰ্য্যসূচী নং -৪ The Assam Appropriation (No. XVI) Bill, 2023. ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল —

Under the provision of Article 207(1) of the Constitution of India, I, Shri Gulab Chand Kataria, Governor of Assam, recommend the introduction of "The Assam Appropriation (No.XVI) Bill, 2023" in the Assam Legislative Assembly. মই এতিয়া বিত্তমন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীক বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাব গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

শ্ৰী ৰঞ্জিত কুমাৰ দাস , (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে বিৰোধী দলৰ দলপতিযে এটা কথা কলে কি ৰাজীৱ গান্ধী Cooperative management University কৰাৰ সময়ত আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী তেতিয়া শিক্ষা মন্ত্ৰী আৰু বিত্ত মন্ত্ৰী আছিল যাৰ কাৰণে তেওঁক জগৰীয়া কৰিছে। গতিকে মই জনাত তেওঁ সেই সময়ত শিক্ষা মন্ত্ৰীও নাছিল বিত্ত মন্ত্ৰীও নাছিল। আপুনি kindly এইটো verify কৰি যদি তেওঁ নাছিলে সেই কথাটো যাতে expunge কৰে।

মাননীয় অধ্যক্ষ ঃ হ'ব, ঠিক আছে। এতিয়া মাননীয় বিত্ত মন্ত্ৰী

শ্ৰী মতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Appropriation (No.XVI) Bill, 2023 বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ দাখিল কৰিলো।

মাননীয় অধ্যক্ষ ঃ প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছেনে ? যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল —

Under the provision of Article 207(3) of the Constitution of India, I, Shri Gulab Chand Kataria, Governor of Assam, recommend that "The Assam Appropriation (No.XVI) Bill, 2023" be taken into consideration by the Assam Legislative Assembly. Hon'ble Minister.

**শ্ৰী মতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Appropriation (No.XVI) Bill, 2023 বিধেয়কখন বিবেচনা কৰিবৰ কাৰণে সদনক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে ? যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা দফাদুটাৰ লগতে অনুসূচীখনৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল। ১ নং দফা, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ১ নং দফা, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল। মাননীয় বিত্ত মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Appropriation (No.XVI) Bill, 2023 বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- The Assam Appropriation (No.XVI) Bill, 2023 পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল। সন্মানীয় সদস্য সকল আমাৰ আৰু এখন বিল আছে, আমি lunce break ৰ পিছত take- up কৰিম। The Assam State Commission for Safai Karmachari Bill, 2023. এতিয়া House আধা ঘণ্টাৰ কাৰণে adjourned কৰা হ'ল।

**(বিৰতিৰ পিছত সদন পুনৰ মিলিত হয়)**

**মাননীয় অধ্যক্ষ ঃ** "The Assam State Commission for Safai Karamcharis Bill, 2023". ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল-

Under the provision of Article 207 (3) of the Constitution of India, I Shri Gulab Chand Kataria,Governor of Assam recommend the "The Assam State Commission for Safai Karamcharis Bill, 2023" be taken into consideration by the Assam Legislative Assembly. মাননীয় মন্ত্ৰী।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam State Commission for Safai Karamcharis Bill, 2023" বিধেয়কখন বিবেচনা কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল - বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া আলোচনা। Move টো আমি পিছত clause by clause ত কৰিম। এতিয়া general discussion.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** "The Assam State Commission for Safai Karamcharis Bill, 2023". মাননীয় অধ্যক্ষ মহোদয়, বিলখন পালো। চাফাই কৰ্মী সকলৰ কাৰণে পজিটিভ মেণ্টেলিটি আছে। মই ভাবো বিলখন ঠিকে আছে। বিলখন আনিব লাগে কাৰণ কেতিয়াবা আমি প্ৰণাম কমিশ্যন কৰিছো। সেইটো কৰোতে আমি হয়তো পিছত সংশোধন কৰিছো বা কৰিম। কিন্তু এইখন sensitive বিল। কাৰণ আমাৰ সমাজৰ একেবাৰে দুখীয়া মানুহৰ কাৰণে এখন বিল আহিছে, এইটো ভাল কথা আৰু মই আদৰণি জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই এজন বিৰোধী দলৰ বিধায়ক। মই বিৰোধিতা কৰাৰ কাৰণে ইয়াত থিয় হোৱা নাই। কিছুমান পজিটিভ কথা আছে। মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা এটা কথা যে আমি ডাক্তৰৰ ওচৰলৈ গৈছো। ডাক্তৰে আমাক চাই ক'লে যে আপোনাৰ জ্বৰ হৈছে। কিন্তু ডাক্তৰে আমাক দৰৱ দিয়া নাই। এই বিলখন এনেকুৱা হৈছে। ডাক্তৰে চাইছে, প্ৰেচক্ৰিপশ্যন ও দিছে কিন্তু দৰৱ কিনিবলৈ দিয়া নাই। আঁচলতে আমি যিটো অনুভৱ কৰিছো তাত ১০ জনৰ এটা কমিশ্যন বনোৱা হৈছে আৰু য'ত আমি দেখিলো এই ১০ জনৰ কাৰণে বিলখন হৈছে। তেওঁলোকৰ পেঞ্চন, তেওঁলোকৰ দৰমহাৰ কাৰণে গোটেইবোৰ হৈছে। কাৰণ এই ১০ জনৰ মাজত আমি দেখা পালো যে তাত কোনো চাফাই কৰ্মচাৰী নাই, তাত SC/ST ৰ মানুহ নাই, economically weaker section নাই। এইবোৰ কথা include কৰিব লাগিব। যদি চাফাই কৰ্মচাৰীৰ কাৰণে বিল হয় চাফাই কৰ্মচাৰী তাত থাকিব লাগে। তেওঁলোকৰ কিমানখিনি থাকিব আৰু চৰকাৰে ১০ জন দিব। অলপ আগতে মই কলো যে দৰৱ দিয়া নাই, কথাটো এনেকুৱা হৈছে যে কমিটিৰ honorarium ৰ কাৰণে, established expenditure ৰ কাৰণে আপোনালোকে ৪৪ লাখ ৪০ হাজাৰ টকা লাগিব তাৰ কাৰণে আপোনালোকে টকা ধাৰ্য্য কৰিলে। এই বিলত চাফাই কৰ্মচাৰী সকলৰ কাৰণে আৰু কি আছে বা আপোনালোকে চাফাই কৰ্মচাৰী বিলাকৰ কাৰণে কমিশ্যনটো কৰিছে তেওঁলোকৰ কাৰণে কি কৰিব। ইয়াত মাত্ৰ লিখা আছে Economical upliftment. চাফাই কৰ্মচাৰী সকলৰ বাবে Economical upliftment কৰিব। কেনেকৈ কৰিব, কি কৰিব তাৰ বিষয়ে কোনো বিষয় এই বিলখনত নাই। আপোনালোকে Development Council বনাইছিল। তাত প্ৰায় ৩৩ টা Development Council আছে। এতিয়া আপোনালোকে কিছুমানত টকা দিয়ে, কিছুমানত নিদিয়ে। Barak Valley Hills, Bengali Speaking Development, Kalita Development এনেকৈ ৩৩ টা Development Council আছে। Council নামতহে আছে। এতিয়া আপোনলোকে টকা নিদিয়ে। সেইকাৰণে মই ভাবো আজি চাফাই কৰ্মচাৰী সকলৰ কাৰণে আপোনালোকে কমিশ্যন বনাইছে বা কমিশ্যন বনাবলৈ বিল আনিছে। বিলত লিখিব লাগিব যে yearly budget ত কিমান টকা আমি চাফাই কৰ্মচাৰী সকলৰ Development, Economical upliftment ৰ কাৰণে কমিশ্যনৰ যোগেদি খৰছ কৰিম। আমি বিভিন্ন state

বিভিন্ন প্ৰকল্প চালো। আজি মহিলা সমৃদ্ধি যোজনা, মহিলা অধিকাৰ যোজনা, Micro Finance আদি বহুত আঁচনি আছে। কিন্তু আমাৰ যিখন বিল আছে তাত কিন্তু কোনো পজিটিভ কথা নাই বা তেওঁলোকৰ বাবে কি কৰিম, কেনেকুৱা হ'ব এই কথা নাই। Rules আপোনালোকে frame কৰিব। আমি মানি লৈছো যে আপোনালোকে ৰুলচ্ত থাকিব। কিন্তু আমি বিচাৰিছো এই চাফাই কৰ্মচাৰী সকলৰ টকা-পইচা বা চেলাৰীৰ কাৰণে যিটো টকা ধাৰ্য্য কৰিছে আজি এই সদনত যেতিয়া চাফাই কৰ্মচাৰী সকলৰ কাৰণে যি বিল আহিছে এই বিলত উল্লেখ কৰক যে বাজেটত কিমান টকা আছে। আমি বিচাৰিছো যে Advance বিলটো কমাব লাগে। আমি দেখিছো যে আগতে বাজেট যদি ৩০ কোটি টকা আছিল এতিয়া প্ৰায় ডেৰশ কোটি টকা হৈছে। প্ৰায় দুই-তিনিগুণ বাঢ়িছে। এই বাজেটটো অলপ কমাই দিয়ক। আপোনালোকে চাফাই কৰ্মীৰ কাৰণে ১০ কোটি, ১৫ কোটি, ২০ কোটি বা ৫০ কোটি টকা যিয়েই নিৰ্ধাৰণ কৰক তেতিয়াহে এই বিলখন অনাৰ প্ৰকৃত উদ্দেশ্য সফল হ'ব। নহ'লে কমিশ্যন বনোৱাৰ, চেলাৰী দিয়া আদিৰ কামত যদি আমি ১০ জন মানুহৰ নাম নিৰ্বাচন কৰি দিওঁ তেতিয়াহ'লে সেই চাফাই কৰ্মী সকলৰ কোনো উপকাৰ নহ'ব। প্ৰকৃতাৰ্থত চাফাই কৰ্মী সকলৰ উপকাৰ কৰিবলৈ হ'লে specifically বাজেট কিমান হ'ব, বছৰেকীয়া বাজেট কিমান হ'ব এই কথাখিনি এই বিলত আহিব লাগিব। তেতিয়াহে এই চাফাই কৰ্মচাৰী সকলৰ লাভ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ। মই সদনক জানিব দিব বিচাৰিছো যে এতিয়া আপোনালোকৰ যিটো general discussion হ'ব তাতেই আপোনালোকে আপোনালোকৰ পইণ্টটো উত্থাপন কৰিব। Clause by clause ত আপুনি কেৱল মুভ কৰিব নে উইদ্ৰ কৰিব। বিলৰ ওপৰত আপুনি আপোনাৰ ভাষণটো ৰাখক আৰু আপোনাৰ যিটো পইণ্ট আছে সেইটো আপুনি তাতেই ৰেইজ কৰক। যেতিয়া আমি বিলখন Clause by clause পাচ কৰাই লম তাত একো ভাষণ নাথাকিব। কেৱল আপুনি প্লেচ কৰিব নে উইদ্ৰ কৰিব সেইটোহে থাকিব। আপুনি এতিয়া মুভ কৰিব নালাগে।

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই এক্টখন কেন্দ্ৰীয় চৰকাৰৰ অধীনতে গোটেই ভাৰতবৰ্ষত বাধ্যতা মূলক হৈছে যে চাফাই কৰ্মচাৰী সকলৰ এখন কমিশ্যন কৰিব লাগে। অসম চৰকাৰেও initiative লৈছে আৰু এইটো ভাল হৈছে। কিয়নো এখন কমিশ্যন থকাটো অতি দৰকাৰ। মই যিকেইটা সংশোধনী আনিছো তাত মোৰ ক'বলগীয়া এটাই কথা যে ইয়াত যিটো কমিশ্যন বনাইছে State Commission of Safai Karamchari তাত যিটো 8 other persons বুলি কৈছে যে তাত Chairman আৰু Vice Chairman ক বাদ দি যি ৮ জন মানুহক তাত মেম্বাৰ হিচাপে ৰখা হৈছে সেই ৮ জন মানুহ কোন হ'ব লাগে সেইটো নিশ্চিত কৰি দিব লাগে বুলি মই ইয়াত কৈছো। এনেকুৱা হ'ব নালাগে যে তাত ৰাজনৈতিক দলৰ কোনোবা এজন মানুহক সদস্য হিচাপে ৰাখি দিলে। এনেকুৱা হ'ব লাগে যে সমাজত গুৰুত্বপূৰ্ণ মানুহ যিয়ে চাফাই কৰ্মচাৰী সকলৰ কাৰণে কাম কৰিছে। যেনেকৈ চাফাই কৰ্মচাৰী সকলৰ বিভিন্ন ইউনিয়ন আছে সেই ইউনিয়ন বোৰৰ যদি গুৰুত্বপূৰ্ণ মানুহবোৰক ইয়াৰ মেম্বাৰ কৰি দিয়ে তেতিয়াহ'লে এই কমিশ্যনখনৰ কামেই হ'ল চাফাই কৰ্মচাৰী সকলৰ কল্যাণ সাধন কৰা। তেতিয়াহ'লে তাত মূল কথাবোৰ আহি যাব। কিন্তু যদি কেৱল ৰাজনৈতিক দলৰ সদস্য কেইজনামানক তাত মেম্বাৰ হিচাপে দিয়ে তেতিয়াহ'লে কিন্তু কমিশ্যনখন বনোৱাৰ উদ্দেশ্যটো সাৰ্থক নহ'ব। সেইকাৰণে মই সন্মানীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে তাত এটা মাত্ৰ বাক্য যোগ দিলেই হৈ যায় যে

from amongst the persons of eminence connected with the socio-economic development and welfare of safai karamcharis. চাফাই কৰ্মচাৰীৰ কাৰণে কাম কৰি থকা গুৰুত্বপূৰ্ণ মানুহক তাত মেম্বাৰ কৰিব আৰু লগত এটা শব্দ যোগ দিব খুজিছো যে provided that at least one of the member shall be a woman. তাত এগৰাকী বা দুগৰাকী মহিলা থাকিলে ভাল হয়। চাফই কৰ্মচাৰী সকলৰ ভিতৰৰ এটা portion মহিলাই থাকে। চাফাই কৰ্মচাৰী বিলাকৰ ভিতৰত এটা ডাঙৰ portion হয় মহিলা। যদিও পুৰুষ মহিলা সকলোৱে সমান, সকলোৱে চাফাই কৰ্মচাৰী। কিন্তু মহিলা সকলৰ বিশেষ কিছুমান সমস্যা থাকে। সেই প্ৰশ্ন বিলাক যদি এই commission ৰ সন্মুখত তুলি ধৰিব লাগে, তেওঁলোকৰ এগৰাকী যদি representative থাকে, তেওঁলোকৰ হৈ কাম কৰি থকা এগৰাকী মহিলাই যদি তাত প্ৰতিনিধিত্ব কৰিব পাৰে, তেতিয়া হ'লে Commission খন শক্তিশালী হ'ব। কিন্তু সামগ্ৰীভাৱে এই Commission খন অনাৰ কাৰণে চৰকাৰক ধন্যবাদ জনাইছোঁ যে এই Commission অনাটো ভাল হৈছে, সেইটো সময়ৰ আহ্বান, ভাৰতৰ সকলো ঠাইতে আনিছে। তাৰ পিছফালে Central Commission খনো আছে, Central Commission খনেও কৈছে যে বনাব লাগে আৰু এটা বস্তু সংশোধনী অনিবলৈ খুজিছিলো, সেইটো হ'ল In section 4, sub-section (iv) ত য'ত কৈছে যে Commission ৰ যিজন chairman তেওঁ যদি আধাতে মৃত্যুৰ কাৰণে বা অন্য কিবা কাৰণত পদবীটো হেৰুৱালে, তেতিয়া হলে সেই মানুহজনৰ ঠাইত, ইয়াতে উল্লেখ কৰা নাই যে কিমান বছৰৰ কাৰণে ইয়াৰ পিছৰ জন chairman হ'ব। Central Commission Act খনত কেই বছৰৰ কাৰণে chairman হ'ব, সেইটো নিশ্চিতভাৱে কৈ দিয়া আছে। ধৰক আঢ়ৈ বছৰ থাকোতে chairman জন ঢুকালে, ইয়াৰ পিছৰ আঢ়ৈ বছৰৰ কাৰণে পাৰিব। এই commission খনত সেই নিশ্চিত কৰা নাই। ইয়াত কৈছে যে নতুনকৈ আকৌ nominate কৰিব লাগে। গতিকে section 4, sub-section (iv) ত এই বস্তুটো সোমাই দিলে ভাল বুলি মই ভাৱো।

তাৰ পিছত কৈছে যে section 8 (III) ত All orders and decision of the commission shall be authenticated by the administrative officer or any other officer of the Commission duly authorised by administrative officer in this behalf বুলি লিখিছে, কিন্তু Central Act খনত authenticated কৰে chairman জনে। আমাৰ ইয়াত কি কাৰণে administrative officer ক কৰাৰ কথাটো কলে, মই ধৰিব পৰা নাই। গতিকে ইয়াতে just administative officer শব্দটোৰ ঠাইত Central Act খনৰ দৰে Chairman যদি লিখি দিয়ে, মই নাজানো এইটো ভালকৈ লক্ষ্য নকৰা কাৰণে কৈছে নে অন্য কিবা পৰিবৰ্তন অনিব খোজা হৈছে। কিন্তু administative officer ৰ পৰিবৰ্তে authentication টো chairman কৰিলে বোধ হয়, এইটো অধিক ভাল হ'ব।

মই যিকেইটা কথা ক'লো, গোটেই কেইটাই প্ৰায় technical, এটাই বেছি গুৰুত্বপূৰ্ণ বুলি মই ভাৱো, সেইটো হ'ল যে যাকে তাকে এই commission খনৰ সদস্য কৰি দিলে, ইয়াৰ standard টো কমি যাব। আৰু চাফাই কৰ্মীসকলৰ বাবে purpose টো serve নহ'ব, চাফাই কৰ্মীসকলৰ বাবে কাম কৰি থকা গুৰুত্বপূৰ্ণ মানুহ, trade union ৰ মানুহ বিলাক বা অন্যান্য সমাজ কৰ্মী, বা গুৰুত্বপূৰ্ণ মানুহ যি সমাজত দুখীয়া মানুহৰ কাৰণে কাম সচাঁকৈ আন্তৰিকতাৰে কৰে, তেনেকুৱা ধৰণৰ মানুহক ৰাখিলে, আমাৰ আটাইতকৈ দৰিদ্ৰ পীৰিত চাফাই কৰ্মী, যিসকলক

কেতিয়াবা কোনোবাই বেলেগ বেলেগ নামেৰে অভিহিত কৰিছে, তেখেতসকলৰ কাৰণে উপকাৰ হ'ব। আশা কৰো যে তেতিয়া চৰকাৰৰ এই বিলখন অনাৰ উদেশ্যেটো বেছি সাৰ্থক হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখন বিল এতিয়া আনিছে, The Assam State Commission for Safai Karmachari, আমি এইখন সমৰ্থন কৰিছোঁ, প্ৰয়োজন আছে। কিন্তু ইয়াৰ লগে লগে মাননীয় অধ্যক্ষ মহোদয়, এখন কেন্দ্ৰীয় আইন আছিলে, Prohibition of Employment as Manual Excavanger and their Rehabilitation Act, 2013, মই ভাৱো যে এই যিখন কেন্দ্ৰীয় আইন আছিল, এতিয়া ভালকৈ implement হৈছে নে নাই, সেই আইনখনৰ মতে কামবিলাক হৈছে নে নাই, সেইটো গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে, যদিও বা নতুন Commission এটা বনোৱা হ'ব, কিন্তু মই ভাৱো যে Central আইনো ভালকৈ implement কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, চাফাই কৰ্মচাৰী বুলি কলে, তেওঁলোকে Schedule Caste তে পৰে। Schedule caste category ১৬ টা উপজাতি আছে। তাৰ মাজত বাছফৰ, ভুমিক এনেকৈ কেইটামান category আছে। তেওঁলোকৰ পেচাই হৈছে চাফা কৰা। এই যিটো schedule caste community এই জাতিটোৱে পিছপৰা। just like schedule tribe, আমি পিছপৰা। তাৰ মাজত আকৌ চাফাই কৰ্মচাৰী তেওঁলোকতো আৰু পিছপৰা। আমি প্ৰায় দেখিছো, য'তে নাযাওঁ কিয়, তেওঁলোকৰ যিবিলাক বাসস্থান, অতি পৰিত্যক্ত অৱস্থাত থাকে। তেওঁলোকৰ ঘৰ নাই, তেওঁলোকৰ ৰাস্তা-ঘাট নাই, তেওঁলোকৰ লৰা-ছোৱালী পঢ়া শুনাৰ কাৰণে স্কুল নাই। সেই কাৰণে মই ভাৱো যে যিখন commission ইয়াত বনোৱা হ'ব, সেই commission ৰ সম্পূৰ্ণ policy যিখিনি আমি ইয়াত চালো, গোটেই খিনি commission ৰ কৰ্মচাৰীৰ দা-দৰমহা, হয়তো গাড়ী মটৰ, ইয়াতে জড়িত হৈ থাকিব, সেইখিনি ৪৪.৪০ লাখ টকা ইয়াতে ধাৰ্য্য কৰা হৈছে। মই ভাৱো যে এই commission বনোৱাৰ লগে লগে এনেকুৱা হ'ব নালাগে, যে schedule caste ৰ আটাইতকৈ পিছপৰা চাফাই কৰ্মচাৰী খিনিৰ প্ৰতি দায়িত্ব পালন কৰিলো। আমি বিচাৰিছিলো, এই বিলখনত যিখিনি পিছপৰা শ্ৰেণী আছে, তেওঁলোকৰ কাৰণে কিছুমান আঁচনি থাকিব লাগিছিল, যিখিনি আমি দেখা নাপালো। পৰৱৰ্তী সময়ত মই ভাৱো যে এই বিষয়টোৰ ওপৰত গুৰুত্ব দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগে লগে আমি ক'ব বিচাৰিছো যে আমি দেখিছো কভি'ডৰ সময়ত, যেতিয়া আমি সকলোৱে নিজৰ নিজৰ ঘৰত আৱদ্ধ হৈছিলো, নিজৰ প্ৰাণ ৰক্ষা কৰিবৰ কাৰণে, সেই সময়ত কিন্তু এই চাফাই কৰ্মচাৰী সকলে প্ৰায় ১৩২৪ চাফাই কৰ্মচাৰী, আজি বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু সেইসময়ৰ স্বাস্থ্য মন্ত্ৰীয়ে এই গোটেইখিনি মানুহক ২০২০ চনৰ ১৭ এপ্ৰিলত নিযুক্তি দিছিলে। সেই সময়ত কি পৰিস্থিতি আছিল আমি সকলোৱে জানো। হস্পিতাল বিলাকত কোনেও কাকো চুব নোৱাৰে, কিন্তু চাফাই কৰ্মচাৰী বিলাকে গৈ কভি'ড চেন্টাৰ, কোৱাৰেণ্টাইন চেন্টাৰ বিলাকত গৈ চাফা কৰিব লাগিছিল, সেইসময়ত তেওঁলোকৰ নিজৰ জীৱনৰ আহুতি দি হ'লেও, নিজৰ দায়িত্ব পালন কৰিছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে আজি ২০২০ চনৰ পৰা ২০২৩ চন পালেহি, সেই যে ১৩২৪ জন কৰ্মচাৰী আছিল, তেওঁলোকে কিন্তু আজিও তেওঁলোকৰ পাবলগীয়া দৰমহা, অনাৰিয়াম খিনি পোৱা নাই। আজি কেইদিনমান আগলৈকে তেওঁলোকে আন্দোলন কৰি

আছিল, চচলত তেওঁলোকে এতিয়াও কৰি আছে, এতিয়াও কৈ আছে যে আমি যিখিনি কাম কৰিছিলো, সেইখিনিও নাপালো আৰু আমাক বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু সেই সময়ৰ স্বাস্থ্য মন্ত্ৰীয়ে কথা দিছিল যে তোমালোকৰ চাকৰিটো আমি স্থায়ী কৰি দিম আৰু সেইবিলাক আশা দিয়াৰ পিছত মানুহখিনি কাম কৰিব গৈছিল। মই ভাৱো যে commission খন বনাবলৈ যাওঁতে, যিসকল মানুহৰ যিটো দায়িত্ব আছে, সেইখিনি তেওঁলোকৰ নিযুক্তিটো সম্পূৰ্ণ কৰাৰ কাৰণে, সেইখিনি কিন্তু কৰা নহ'ল, আমি দেখা পাইছো। সেই কাৰণে মই ভাৱো যে আমি এই যিখিনি ১৩২৪ জন কৰ্মচাৰী, তেওঁলোকৰ যিখিনি পাবলগীয়া, দিব লাগে আৰু তেওঁলোকৰ নিযুক্তিটো স্থায়ী কৰিব লাগে। আৰু আমি এইটোও দাবী কৰো যে আমি এই চাফাই কৰ্মচাৰী বিলাকক হস্পিতালে হওঁক বা অন্যান্য যিবিলাক Municipality, Town Committee হওঁক, তেওঁলোকক Sweeper কোৱা হয়, Sweeper বুলি কোৱাৰ লগে লগে তেওঁলোকক এটা বেলেগ দৃষ্টিৰে আমাৰ মানুহবিলাকে চাই। সেই কাৰণে আমি আশা কৰো অসমৰ চৰকাৰে Grade iv ৰ চাকৰি হিচাপে তেওঁলোকক নিযুক্তি দিব লাগে। যিখিনি তেওঁলোকৰ দাবী, তেওঁলোকে আন্দোলন কৰি আছে। আমি বিচাৰো যে মানৱতাৰ দৃষ্টিভঙ্গীৰে চাই, সকলো মানুহক এটা মৰ্যাদা দিয়াৰ কাৰণে, তেওঁলোকক sweeper বা চাফাই কৰা বা জামাদাৰ, এইবিলাক শব্দ নকৈ তেওঁলোকক grade iv ৰ কৰ্মচাৰী হিচাপে সন্মানসহকাৰে তেওঁলোকক নিযুক্তি দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিকেইটা সংশোধনী আছিল, সংশোধনী কেইটা মই এটা এটাকৈ কৈ যাব বিচাৰিছিলো Commission খনত এজন IAS officer, Chairman ৰ ক্ষেত্ৰত নিযুক্তি হ'ব লাগে। তাৰ পিছত চাফাই কৰ্মচাৰী বিলাকৰ বিভিন্ন সংগঠন আছে, তেওঁলোকে কাম কৰি থাকে, সেই সংগঠনত যিখিনি member আছে, তাতে তেওঁলোকক নিযুক্তি দিব লাগে। ইয়াৰ বাহিৰে আমি বিচাৰিছিলো যে যিহেতু এইটো চাফাই কৰ্মচাৰী হৈছে schedule caste community সেই কাৰণে আমাৰ যিহেতু ৮ টা seat schedule caste ৰ আছে, এই schedule caste ৰ ৮ জন বিধায়ক আছে, তেখেতসকলক এই commission ত সদস্য হিচাপে অৰ্ন্তভুক্তি কৰিব লাগে। ইয়াৰ বাহিৰে আমাৰ শেষত এটা আছিল যে with the approval of finance department শব্দটো থাকিব লাগে, with the approval of Chief Minister যিটো ইয়াতে সংশোধনী clause vi ত আছে, যে এইখিনি বিষয় আমি ভাৱো যে মন্ত্ৰী মহোদয়ৰ সদিচ্ছাটোক সন্মান জনাইছো, ইয়াৰ উদেশ্যে আৰু লক্ষ্য কিন্তু জাতিটো। উদেশ্যে আৰু লক্ষ্য কিন্তু সেই পিছপৰা মানুহখিনি। সেই কাৰণে তেওঁলোকৰ উন্নয়নৰ কাৰণে চৰকাৰে কি কি কাম কৰিব বা কি কি আঁচনি ইয়াত আছে, সেইখিনি আমি চৰকাৰৰ পৰা বিচাৰিম। সেইখিনি নিশ্চয় মন্ত্ৰী মহোদয়ে আমাক সদ্ উত্তৰ দিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয় ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সকলোৱে স্বীকাৰ কৰিছে যে এইখন খুব গুৰুত্বপূৰ্ণ বিল । সকলোৱে ধন্যবাদ দিছে । মইও সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো । কিন্তু অধ্যক্ষ ডাঙৰীয়া এই বিলখনৰ অলপ মিছকনচেপশ্যন হৈছে । এইখন ৰেল ফেয়াৰ বৰ্ড বা ৰেলফেয়াৰ ডেভেল'পমেন্ট কমিচন বা কাউঞ্চিল নহয় । এইখন হৈছে চাফাই কৰ্মচাৰী কমিচন । কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই অলপ ভালকৈ পঢ়িলে বুজি পাব যিহেতু আধা পঢ়া হৈছে । এইখন হৈছে কমিচন, ই অকল মনিটৰিং আৰু ৰেগুলেট কৰে । এছ টি-এছ চি কমিচনে কেতিয়াও উন্নয়ন নকৰে। মই নিজেও এছ চি সংৰক্ষিত সমষ্টিৰ পৰা বিধায়ক হৈছো । এছ টি- এছ চি কমিচনে এছ টি এছ চি

মানুহক কোনোবাই বেয়া ব্যৱহাৰ কৰিছে নেকি, মানুহখিনিয়ে সা-সুবিধা পাইছে নে নাই সেইটো মনিটৰিং কৰে । এইখন কমিচনে কোনোধৰণৰ টকা পইছা নিদিয়ে । মহিলা আয়োগৰ কোনো ধৰণৰ ফাণ্ড নাই তেওঁলোকে কৰবাত মহিলাক অত্যাচাৰ কৰা হৈছে নেকি, মহিলাক বেয়া ব্যৱহাৰ কৰা হৈছে নেকি সেইয়া মনিটৰিং কৰে আৰু যদি আছে তেতিয়া চৰকাৰলৈ চিঠি লিখিব, চুঅ' মট' কেচ ল'ব ইত্যাদি।

এই কমিচনৰ ফাংচন হৈছে To recommend the goverment specific programme accent word alimination of inequality in status অৰ্থাৎ ষ্টেটাচক লৈ মানুহক কোনোবাই বেয়া ব্যৱহাৰ কৰিছে নেকি সেইয়া মনিটৰিং কৰা ।

Facilities and opportunities for Safai Karmi: যেনেঃ চাফাই কৰ্মচাৰীয়ে সুবিধা পাইছে নে নাই থাকিবলৈ ঘৰ পাইছে নে নাই, দৰমহা পাইছে নে নাই ইত্যাদি মনিটৰিং কৰা । To study and evaluate the implementation of the programme of schemes relating to social and economic upliftment and rehabilitation of Safai Karamcharies. অৰ্থাৎ চাফাই কৰ্মীক লৈ যদি চৰকাৰে কিবা আঁচনি লৈছে সেইখিনি ৰূপায়ণ হৈছে নে নাই মনিটৰিং কৰা । Investigate, specific grievances to take Suo-Moto notice of matter relating to non-implementaion of programme or schemes in respect of any group of ... যে চাফাই কৰ্মচাৰী খিনিৰ কিবা সুবিধা অসুবিধা হৈছে নেকি, তেওঁলোকক কোনোবাই অসমতা কৰিছে নেকি এই সকলো বিলাক এই কমিচনে মনিটৰিং কৰে । নন্দিতা দাস ডাঙৰীয়ানীয়ে চাফাই কৰ্মী সকলক বেয়া ব্যৱহাৰ কৰা, চৰকাৰী বা বে-চৰকাৰী কৰ্মস্থানত দৰমহা নিদিয়াকৈ থোৱা ইত্যাদি যিবিলাক কথা কৈছে এই সকলো বিলাক এই কমিচনে মনিটৰিং কৰিব । তেওঁলোকে কোনো ধৰণৰ উন্নয়নৰ কাম নকৰে বা টকা পইছা নিদিয়ে । টকা পইছা ছিডিউল কাষ্ট ৰেলফেয়াৰ বৰ্ডৰ পৰা খৰচ হৈছে নে নাই, চাফাই কৰ্মচাৰীয়ে শিক্ষা লাভ কৰিছে নে নাই, মেডিকেল ফেচিলিটি লাভ কৰিছেনে নাই এই সকলো বিলাক এই কমিচনৰ অধীনত আহিব । গতিকে অলপ ভালদৰে পঢ়িলে সকলোৱে বুজি পাব ।

দ্বিতীয়তে, অখিল গগৈ ডাঙৰীয়াই এটা কথা কৈছে যে এইটো এডমিনিচট্ৰেটিভ অফিচাৰক দিব নালাগে। তেওঁ কৈছে যে All orders and decisions of the Commission shall be authenticated by the administrative officer or any other officer. অধ্যক্ষ ডাঙৰীয়া, উদাহৰণস্বৰূপে মই মোৰ বিভাগত কৰবাত ঠিকা হ'লে সেই ঠিকাৰ অৰ্ডাৰত মই চহী নকৰো আমি মাত্ৰ এপ্ৰোভেলহে দিওঁ আৰু তেওঁৰ আণ্ডাৰত যিজন অফিচাৰ থাকিব তেওঁ অৰ্ডাৰটো দিব, এইটো হৈছে নিয়ম । গতিকে ইয়াত কিবা অসুবিধা আছে বুলি মই নাভাবো । নন্দিতা দাস ডাঙৰীয়ানীয়ে কোৱা মেনুৱেল স্কেভেঞ্জিং প্ৰহিভিশ্যন এক্ট খন চাবলৈকে এই কমিচন বনোৱা হৈছে । এই এক্টখন নিয়মমতে প্ৰতিপালিত হৈছে নে নাই সেইয়া চাবৰ কাৰণে এই কমিচন। গতিকে আই. এ. এছ. বা এ. চি. এছ. অফিচাৰ এজন থাকিবই তাৰ আগত আমি এজন চচিয়েল ৱৰ্কাৰ ৰাখিব বিচাৰিছো । আমাৰ চাফাই কৰ্মী সকল অকল এছ. চি. নহ'বও পাৰে বা এছ. চি য়ে যে চাফাই কৰ্মী হ'ব লাগে বুলি আমাৰ সংবিধানত উল্লেখ নাই । সকলোৱে চাফাই কৰ্মী হ'ব পাৰে । মই তেওঁলোকেৰ উত্তৰ সমূহ এটা এটাকৈ দিলো, এতিয়া মই অনুৰোধ কৰিছো তেওঁলোকে

যাতে বিলখন মানি লয় আৰু পাছ কৰি দিয়ে ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ সদস্য খিনি এমিনেন্ট পাৰ্চনৰ পৰা ল'ব নে ?

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ এমিনেন্ট থাকিব ।যদি আপোনালোকৰ চৰকাৰ থাকে আপোনালোকো এমিনেন্ট হ'ব আৰু আমাৰ চৰকাৰ থাকিলে আমি এমিনেন্ট হৈ যাম ।.......সদনত হুলস্থুল......

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ অধ্যক্ষ মহোদয় মই তেখেতক কৈছিলো যে আমি এমিনেন্ট পাৰ্চন বুলি শব্দটো দিব লাগে যাতে যি এই সমাজৰ এই কাম কৰা মানুহ বিলাক মেম্বাৰ হ'ব পাৰে বুলি ভৰাই দিবলৈ কৈছিলো । কিন্তু অসমীয়াত এটা কথা আছে যে পাপীৰ পিঠাত মন ।

............সদনত হুলস্থুল..........

মই এটা কথা কৈছিলো যে এমিনেন্ট পাৰ্চন শব্দটো এই কাৰণেই ভৰাব লাগে যাতে দলগত সদস্য অহাতকৈ কাম কৰা মানুহ আহিব লাগে । গতিকে মই এইটো সলাব নোৱাৰি বুলি কলো কিন্তু তেখেতে কথাটো কলৈকে লৈ গ'ল চাওকচোন ।. দ্বিতীয় কথাটো হ'ল Chairman জনক authenticated কৰি দিব লাগে বুলি মই কোৱা নাই। Central Act খনত সেই বাক্যটো আছে. সেই কাৰণে মই কৈছিলো যে Central Act অনুসৰি ৰাখিলে বাল হ'ব নেকি? এনেকৈ বুলিয়েই কৈছিলো। আইনখনক আমি আদৰণি জনোৱাৰ পাছত আপনি insult কৰিব লগা একো নাছিল. আমি সকলোৱে আপোনাক support দিছিলো। ধন্যবাদ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ চাৰ, মোৰ এটা clearification আছিল। মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো। Clause 6 ত এটা কথা মোক অলপ বুজাই দিব। The salaries and allowance payable to the ten non-official member, chairman, vice chairman, members shall be paid with the approval of Chief Minister and the administrative expences including salaries allowance and pensions. মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো NPS, OPS ক লৈ এটা পৰিৱেশৰ মাজত আছো। এই Pension বুলি আপুনি কি বুজাইছে । আমি pension দিব পৰা নাই এনেকুৱা এটা অৱস্থা হৈছে. তেওঁলোকক Pension দিব লাগে এই Clause টো কি আমাক অলমপ বুজাই দিব নেকি?

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী )** ঃ Rule ত যদি আহে inplicable যদি হয়, এতিয়ালৈকেতো অহা নাই, আহিলে দেখা যাব। Rule ত আমি কৰিম, আমি চাই ল'ম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখিনি আমি Amendment আনিছো সেইখিনি অতি দৰকাৰী হয়। মই ভাবো যে মন্ত্ৰী মহোদয়ে এইখন বিলত এইখিনি মানি ল'ব লাগে। ঠিক আছে Commission বনাইছে আমি ভালে পাইছো, Commission হোৱাৰ লগে লগে Scheme বোৰ implement হ'ব কিন্তু অতি পৰিতাপৰ বিষয় Schedule Caste ৰ বহুত বিভাগ আছে। Director Office আছে, council আছে, কিন্তু আমি last আঢ়ৈ বছৰে আমি কিন্তু কি পাইছো Schedule Caste Department ক মোৰ ক'বলৈ অলপ বেয়া লাগে। দুটা আংগনবাড়ী কেন্দ্ৰ পাইছো ৰাষ্টাৰ নামত শূণ্য, আমি একো পোৱা নাই। কেইটামান নামঘৰৰ নামত আমি হয়তো পইচা পাইছো। সেইকাৰণে আমাৰ সন্দেহ হয় যে এনেকৈ Commission বনাব, Director বনাব তেনে কিবা বনাব। ক্লিতু Schedule Caste বেছিভাগ মানুহে চাফাই কাম কৰে। এইটো আজি বেলেগেও কৰে। আগতে মাছ মাৰে কেৱল Sehedule

Cast ৰ মানুহে আজি minority ৰ মানুহে সকলেও মাছ মাৰে। কিন্তু যিহেতু Sub-caste ত এইটো উল্লেখ আছে সেইকাৰণে মাননীয় মন্ত্রী মহোদয়ক কৈছো যে ইয়াত যদিও Development নাই। তেখেতে এই বিভাগৰ মন্ত্রী আমাৰ অন্যান্য director office আছে, এইসমূহ অলপ সক্রিয় কৰিব লাগে। টকা পইচা দিব, আঁচনি দিব লাগে এই commission য়ে কি চাব । যদি আঁচনিয়ে নিদিয়ে, টকা নিদিয়ে fund নিদিয়ে। এইকেইজন Commissioner কেৱল দৰমহা দি ৰাখি থব নেকি? কেৱল গাড়ী মটৰ দৌৰাই থাকিব নেকি? সেইটোয়ে কাম হ'ব নেকি? এইজনেই মন্ত্রী আমাৰ। অনুৰোধ কৰিছো। আমাৰ মানুহখিনিক কিবা দিলে ভাল হ'ব। এইক্ষেত্রত চাব লাগে।

........(সদনত হুলস্থুল)..........

**মাননীয় অধ্যক্ষ ঃ** মন্ত্রী ডাঙৰীয়া।

**শ্রীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্রমা মন্ত্রী) ঃ** বাইদেউৰে ভাবে Schedule Caste Welfare ৰ SCSP পইচা কেইটা কেৱল তেখেতৰ সমষ্টিত যাব লাগে। আপোনালোকৰ সমষ্টিত দুটা হ'ব পাৰে।

**শ্রীমতী নন্দিতা দাস, (বকো) ঃ** সঁচাকে যে পোৱা নাই। All Assam ত পোৱা নাই। এইটো ব্যক্তিগত বিষয় নহয়।

..........(সদনত হুলস্থুল).............

**শ্রীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্রমা মন্ত্রী) ঃ** বাইদেউৰে ক'লে যে দুটা আংগনবাড়ী পাইচো। আপোনাৰ সমষ্টিৰ Schedule Cast ৰ সকলে পাব লাগে বেলেগৰ কোনেও পাব নালাগিব নেকি? আঢ়ৈ টা অংগনবাড়ী কেন্দ্র প্রথমবাৰৰ কাৰণে Schedule Cast State Plan ৰ পৰা দিছো। বাইদেউ আপুনি দুটা পাব মই তিনিটা পাম।

**শ্রীমতী নন্দিতা দাস, (বকো) ঃ** মই Schedule Caste ৰ সমষ্টি হিচাপে প্রথমবাৰ মই এটাও নাপালো।

**শ্রীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্রমা মন্ত্রী) ঃ** বাইদেউ আপুনি প্রথমবাৰৰ কাৰণে দুটা পাইছে মোৰ দিনত।

**শ্রীমতী নন্দিতা দাস, (বকো) ঃ** মই নাপালো। প্রথম list খন আপুনি চাব। এইটো আজিৰ বিষয় নহয়।

**শ্রীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্রমা মন্ত্রী) ঃ** সদনত কৈছে যে সকলোৰে পাইছে নে নাই? বিৰোধীসকলে পাইছেনে ? যাৰ যাৰ সমষ্টিত Schedule Caste মানুহ আছে পাইছে। আপুনি খৱৰ ল'ব। শ্রীঅখিল গগৈ ডাঙৰীয়া, আপুনি খৱৰ ল'ব। নামঘৰৰ কাৰণে ৫টাকে গৈছে প্রথমবাৰৰ বাবে। আগতে যেতিয়া আমি আছিলো ২০১১ চনত ৪৪% আমি Schedule Caste MLA সকলে লৈ লওঁ। গতিকে কোনেও গমেই নাপায়। এইবাৰ প্রথমবাৰৰ কাৰণে প্রত্যেকটো সমষ্টিত য'ত Schedule Caste মানহ আছে. কৰবাত Schedule Caste মানুহ নাই মই ক'ৰ পৰা দিম। সকলোতে এটা ২ টা আৰু এটাকৈ অংগনবাড়ী কেন্দ্র দিছো। অতিক্রমে ৮০ টা সমষ্টিত পাইছে প্রথমবাৰৰ কাৰণে দিছো। নামঘৰ ৫ টা, ৭ টা, ১০ টা লৈকে প্রত্যেকটো সমষ্টিতে পাইছে। ৰাস্তা কেনেকৈ দিছে মই কওঁ, ৰাস্তাৰ ক্ষেত্রত নিয়ম আছে, মোৰ তাত ফাইল আনিব লাগিব। মই ঘুৰাই ঘুৰাই আনিব নোৱাৰো। PWD ৰ পৰা যেনেকৈ মোৰ তাত আহিব মই approve কৰি আছো। এইটো mislead নকৰিব। এইটো নহয় মোৰ সমষ্টিত Schedule Caste

আছে বুলি মোৰ সমষ্টিটো জাইগিৰ Schedule Cast ত State Plan ৰ টকাৰ কাৰণে বাকী সমষ্টিয়ে নাপাব এইটো হ'ব নোৱাৰে। সকলোতে অলপ অলপকৈ আছে. অসমৰ ৮০ টা সমষ্টিত অলপ অলপকে হ'লেও Schedule Cast মানুহ আছে আৰু প্ৰথমবাৰৰ কাৰণে তেনেকৈ দিছে. গতিকে আপুনি সেইটো কথা নক'লে মই ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ, শেষত এটা কথা জানিব লাগে। মন্ত্ৰী মহোদয়ে ভাল কৈছে। Placement খিনি ভাল হৈছে Commission ৰ উদ্দেশ্যটো কৈছে চাফাইকৰ্মীসকলে কিমান পাইছে। কিমান পোৱা নাই সেইবিলাকৰ কাৰণে Commission Resolution লোৱা হওঁক। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে যিকেইজনে ক'ভিডৰ সময়ত হস্পিতালত চাফাইকৰ্মীয়ে কাম কৰিছিল তেওঁলোক স্থায়ী কৰা হ'ব। তেওংলোকে পোৱা নাই। তেওঁলোকৰ কাৰণে কিবা এটা resolution লওঁক যাতে সেই চাফাইকৰ্মীসকলৰ ক্ষেত্ৰত যিটো অন্যায় হৈছে, তেওঁলোকৰ লগত অন্যায় নহয়।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলে কৈছে মই কোৱা নাই। মই যেতিয়া স্বাস্থ্যমন্ত্ৰী আছিলো কেতিয়াও কোৱা নাছিলো যে আপোনালোকে কাম কৰক। আপোনালোকক permenent কৰিম।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছিল।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** ক'ত কৈছিল প্ৰমাণটো দিয়ক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ**মই আপোনাক দিম।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** আনি দিব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মই on record কৈছো।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী ) ঃ** কতো নাই কোৱা। আপোনালোকে এই Commission ত দি দিব। Commissison ৰ কথাটো শুনক. এই Commission খনৰ কামটোৱে হ'ল মানুহকিনিক সুবিধা দিছে নে নাই। কথাটো হ'ল ক'ভিডৰ সময়ত আপোনালোকে কৈ থাকে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। ২ নং দফাত কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই। প্ৰস্তাৱটো হ'ল ২নং দফা অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ নং দফা বিধেয়কখনৰ অংশ হ'ব। ৩ নং দফাত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ লগতে ১২ গৰাকী সহযোগীৰ নামত দুটা আৰু শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থৰ নামত এটা আৰু শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ নামত ৫ টা সংশোধনী আছে। এতিয়া শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াই উঠাই ল'বনে? উঠাই লৈছে। শ্ৰীঅখিল গগৈ ডাঙৰীয়া।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো উঠাই ল'ম। কিন্তু এটা কথা ক'ব খুজিছো যে ক'ভিডৰ সময়ত যিসকল চাফাইকৰ্মী, মাননীয় মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল চাফাইকৰ্মী সকলক নিয়মীয়া কৰি দিব। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে কভিডৰ সময়ত যিসকল চাফাইকৰ্মী আছিল তেখেতসকলক নিয়মীয়া কৰিম বুলি মুখ্যমন্ত্ৰীয়ে যিটো কথা দিছিল সেই কথাটো ৰাখিলে ভাল হয়। বেলেগ একো নাই। বেলেগ কেইটা কথা আমি উঠাই লৈছো।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Without interview ত চাকৰি হয় নেকি ক'ৰবাত আজিকালি দেশত।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** প্ৰতিশ্ৰুতি দিছিল। নকৰে বুলি ক'লে আমি একো কৰিব নোৱাৰো আপোনালোকক। যদি কৰে ভাল হ'ব।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ যদি কৈছিল Commission ত দি দিব। Commission will examine. চাকৰি তেনেকৈ দিব নোৱাৰো।

............(সদনত হুলস্থুল)................

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। সংশোধনী প্ৰস্তাৱটো উঠাই লৈছে।

৩ নং দফাটো বিধায়েকৰ অংশ হ'ব
যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
৩ নং দফাটো বিধেয়কৰ অংশ হ'ল। ৪ আৰু ৫ নং দফাত কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া প্ৰশ্নটো হ'ল-৪ আৰু ৫ নং দফা বিধেয়কৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
৪ আৰু ৫ নং দফা বিধেয়কৰ অংশ হ'ল।

৬ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ লগতে ১২ জন সহযোগীৰ নামত আৰু শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াৰ নামত দুটা সংশোধনী আছে। শ্বেৰমান আলী ডাঙৰীয়া আজি অনুপস্থিত। তেওঁলোকে সংশোধনীটো উঠাই ল'লে।

প্ৰশ্নটো হ'ল-৬ নং দফা বিধেয়কৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
৬ নং দফা বিধেয়কৰ অংশ হ'ল।

৭ নং দফাত কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া প্ৰশ্নটো হ'ল-৭ নং দফা বিধেয়কৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে

৭ নং দফা বিধেয়কৰ অংশ হ'ল।

৮ নং দফাত শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াৰ নামত এটা সংশোধনী আছে। শ্ৰী শ্বেৰমান আলী ডাঙৰীয়া আজি অনুপস্থিত। সেয়েহে ৮ নং দফা বিধেয়কৰ অংশ হ'ব।

প্ৰশ্নটো হ'ল-৮ নং দফা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।

মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে

৮ নং দফা বিধেয়কৰ অংশ হ'ল।

৯ নং দফাত শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ লগতে ১২ জন সহযোগীৰ নামত এটা সংশোধনী আছে। তেওঁলোকে সংশোধনীটো উঠাই ল'লে।

প্ৰশ্নটো হ'ল-৯ নং দফা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
৯ নং দফা বিধেয়কৰ অংশ হ'ল।

১০ নং দফাৰ পৰা ১৬ নং দফালৈ কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া প্ৰশ্নটো হ'ল-১০ নং দফাৰ পৰা ১৬ নং দফালৈ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
১০ নং দফাৰ পৰা ১৬ নং দফালৈ বিধেয়কৰ অংশ হ'ল।

১৭ নং দফাত শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াৰ নামত এটা সংশোধনী আছে। শ্ৰী শ্বেৰমান আলী ডাঙৰীয়া আজি অনুপস্থিত। সেয়েহে ১৭ নং দফা বিধেয়কৰ অংশ হ'ব।

প্ৰশ্নটো হ'ল-১৭ নং দফা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
১৭ নং দফালৈ বিধেয়কৰ অংশ হ'ল।

১ নং দফা পৰিসৰ আৰু আৰম্ভণত সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ’ল-১ নং দফা পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ’ব।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক ‘হয়’
যিসকল বিপক্ষে আছে কওঁক ‘নহয়’
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৰো ‘হয়’ৰ সপক্ষে ‘হয়’ৰ সপক্ষে
১ নং দফাপৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ’ল।

এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, “দি আসাম ষ্টেট কমিশ্যন ফৰ চাফাই কৰ্মচাৰীজ বিল, ২০২৩” খন বিবেচনা আৰু পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ’ল-“দি আসাম ষ্টেট কমিশ্যন ফৰ চাফাহ কৰ্মচাৰীজ বিল, ২০২৩” খন পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক ‘হয়’
যিসকল বিপক্ষে আছে কওঁক ‘নহয়’
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৰো ‘হয়’ৰ সপক্ষে ‘হয়’ৰ সপক্ষে
প্ৰস্তাৱটো গৃহীত কৰা হ’ল আৰু বিধেয়খন পাৰিত কৰা হ’ল।

The House adjourn till 9:30 AM on 14-09-2023.